# Assam
# Legislative Assembly Debates

OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

THIRD SESSION

**Vol. III**
**No. 13**

**The 22nd September, 1983**

Price–Rs. 8.50

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE
SEVENTH GENERAL ELECTION
UNDER THE SOVEREION
DEMOCRATIC REPUB-
LICAN CONSTITUTION
OF INDIA.

## THIRD SESSION

## Vol. III
## No. 13

**The 22nd September, 1983**

Price–Rs. 8.50

Debates of the Assam Legislative Assembly, 1983

## CONTENTS

(Third Session)

Volume—III

No.—13

Dated, the 22nd Sept. 1983

Contents


| Contents | Page |
|---|---|
| 1. Questions | 1 |
| 2. Matter Under Rule 301 | 37 |
| 3. Government Bills | 46 |
| (1) The Code of Criminal Procedure (Assam Amendment) Bill, 1983 | |
| (2) The Maternity Benefit (Assam Amendment) Bill, 1983 | |
| (3) The Assam Shops & Establishments (Amendment) Bill, 1983 | |
| (4) The Assam Panchayati Raj (Eighth Amendment) Bill, 1983 | |
| (5) The Motor Vehicles (Assam Amendment) Bill, 1983 | |
| 4. Discussion under Rule 49 | 95 |
| 5. Adjournment | 103 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the seventh General Election under sovereign Democratic Republican Constitution of India.

---

The House met in the Assembly Chamber, Dispur Gauhati on Thursday the 22nd September 1983 with the Hon. Speaker in the Chair, 17 (seventeen) Ministers, 5 (five) Ministers of State, 5 (five) Deputy Ministers, 1 (one) Parliamentary Secretary and 53 [fifty three] Members present.

# STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

Date : 22nd September, 1983

Re : Detenu in Mangaldoi Jail

Shri BINOY KUMAR BASUMATARI asked :

*129. Will the Chief Minister be pleased to state—

(a) The number of detenus at present in Mangaldoi Jail for participation in the agitation conducted by A A S U and AAGSP ?

(b) Out of them, how many are Bodo-Kacharies ?

(c) Whether they are kept along with other convicts or separate arrangements have been made for the agitationists ?

Shri HITESWAR SAIKIA (Chief Minister) replied :

129. (a)—2 ( Two) as on 12th September, 1983.

[b]—1 [One].

[c]— They are not kept with other inmates charged of various crimes but kept under separate arrangements with other agitationists who are remanded to Judicial Custody as under-trial prisoners as there is no complete separate accommodation in the Mangaldoi Jail.

Shri Binoy Kumar Basumatari. Sir, there are certain Villages under Kalaigaon Police Station Which are inhabitated by tribals. They have become minority in their own villages. The agitationists forced these villagers to go

along with them. As a result of which the villagers from these villages were also arrested as agitationists. Is the Government aware that these villagers have been remanded along with the criminals and they have been severely beaten and tortured ? Is Government aware of allthese ?

Shri Hiteswar Saikia [ Chief Minister ] : Sir, I have no information. I Will, however, look into it.

## Re: Diary Development Plant at Lakhimpur

Shir LEKHAN LAHAN asked :

* 130. Will the Minister, Veterinary be pleased to state--

(a) Whether a Diary Development Plant at North Lakhimpur town had been sanctioned by the Government ?

b) If so, what is the estimated amount for construction of the plant and what amount had been sanctioned so far ?

c) Whether the construction work of the plant had been started and if so, when it will be completed ?

Shri PADAM BAHADUR CHOUHAN (Minister, of State Veterinary ) replied :

130. (a)-- Yes. One Milk supply scheme has been sanctioned by the Government.

b)-- The estimated amount for the construction of the Milk supply plant is Rs. 10 lakhs out of which an amount of Rs. 7 Lakhs 74 thousand 4 hundred has been sanctioned so far. ( Rs. 7,74, 400)

c)-- The construction work of the plant have been entrusted to the Assam Government Construction Corporation and this is expected to be completed within 6 (six) months time.

শ্ৰীলেখন লাহনঃ— কোন কোন বছৰত এই দুগ্ধশালাৰ কাৰণে কিমান টকা চৰকাৰে মঞ্জুৰ কৰিছিল মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপদুম বহাদুৰ চৌহান, (পশুপালন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) ঃ—— ১৯৮১–৮২ চনত এই প্লণ্টটো আৰম্ভ কৰা হৈছিল আৰু প্ৰত্যেক বছৰতে টকা মঞ্জুৰী কৰা নাই। আচনিৰ কাৰনেহে টকা মঞ্জুৰ কৰা হৈছিল। প্ৰথমতে সাত লাখ চৌসত্তৰ হাজাৰ চাৰিশ টকা কিন্তু পিচত ৰিভাইচড এষ্টিমেট মতে দহ লাখ টকা কৰা হ'ল আৰু সেই মতে এ-জি-চি-চিক দিয়া হৈছে আৰু ছমাহৰ ভিতৰতে কাম সম্পুৰ্ণ কৰাৰ কথা আশা কৰা হৈছে।

শ্ৰীলেখন লাহনঃ— এ-জি-চি-চিক দায়িত্ব দিয়া হৈছে বুলি কৈছে যে ইতিমধ্যে এই এ-জি-চি-চিক কামৰ কাৰণে অগ্ৰিম দিয়া হৈছে নে নাই ?

শ্ৰীপদুম বাহাদুৰ চৌহান, (ৰাজ্যিক পশুপালন মন্ত্ৰী) ঃ— তেওঁলোকৰ নিয়ম মতে শতকৰা নব্বৈ ভাগ আগধন দিব লাগে। আমাৰ আগৰ এষ্টিমেট সাত লাখ চৌসত্তুৰ হাজাৰ চাৰিশ আছিল আৰু নতুন এষ্টিমেট মতে দহলাখ হোৱা বাবে সেই হিচাবত শতকৰা নবৈব ভাগ দিয়াৰ কথা আৰু সেই মতে ছমাহৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ কথা।

শ্ৰীলেখন লাহন ঃ— এ-জি-চি-চি য়ে এতিয়াও কাম আৰম্ভ কৰা নাই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীপদুম বাহাদুৰ চৌহান, (ৰাজ্যিক পশুপালন মন্ত্ৰী) ঃ— ৰিভাইচড এষ্টিমেট মতে টকা খিনি দিব পৰা হোৱা নাছিল। সেয়েহে কিছু পলম হৈছিল। এতিয়া ছমাহৰ ভিতৰত সম্পূৰ্ণ হব বুলি আশা কৰিব পাৰি।

শ্ৰীস্বৰ্গৰাম দেউৰীঃ— উত্তৰ লক্ষীমপুৰত এখন ডিজেল ট্ৰাক আৰু এখন ডিজেল জীপ কিনি তেজপুৰৰ এজন ডায়েৰী অফিচাৰে চলাই ফুৰা কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীপদুম বাহাদুৰ চৌহান, (ৰাজিক পশুপালন মন্ত্ৰী) ঃ— এইটো জনা নাই

## Re: Nilambazar Police Station.

Shri KETAKI PRASAD DUTTA asked :

* 131. Will the Chief Minister be pleased to state--

a) Whether there is any proposal for construction of Nilambazar Police Station building and Staff Quarter ?

b) If so, what steps have so far been taken to unde-·take the works ?

Shri HITESWAR SAIKIA (Chief Minister) eplied :

131. (a) & (b)—There is no Police station at Nilambazar. An Cut-Post under the Karimganj Police Station has been functioning there since 11th August, 1969. No proposal to construct the building for the Out-Post along with its staff quarters at Nilambazar has been received by the Government.

## Re: A. S. R. T. C. Bus Service between Morigaon and Gauhati

SHRI PRASAD CHANDRA DALAI asked :

* 132 will the Minister, Transport be pleased to state ..

(a) The number of days for which the Assam State Transport buses did not Ply to and from Morigaon Town to Gauhati since 1st January 1983 to August last. ?

(b) Since when the State Transport bus service to and from Raha to Gauhati via-Morigaon had been stopped ?

(c) The reasons there of ?

SHRI JAGANNATH SINHA.
(Minister, Transport) replied :

132. (a) Assam State Transport Corporation buses did not ply for 79 days from Morigaon to Gauhati and from Gauhati to Morigaon for 32 days during the period from Ist January 1983 to 3lst August 1983.

(b)--Assam State Transport Corporation bus service from Raha to Gauhati-via-Morigaon remain suspended since 12th January 1983.

(c) The service was suspended following damage of vehicles and resuitant reduction in fleet strength.

Shri Prasad Chandra Dalai— Will the Hon'ble Minister make it clear why bus services from Gauhati to Raha was supended ?

Shri Jagannath Sinha, (Minister, Transport) :— Sir, I have already mentioned that this was due to damage of vehicles and resulted reduction in fleet strength.

Shri Prasad Chandra Dalai :— Sir, Hon'ble Minister is speaking about suspension of bus services from Raha to Gauhati-via-Morigaon since 12th January 1983. Does the Minister not feel that much inconvenience is being faced by the travelling public ? What measures are being taken to mitigate the sufferings of the public ?

Shri Jngannath Sinha ( Minister, Transport ) :— it is expected that new buses will be purchased during 1983-84. As soon as new buses are purchased, they will be pressed into service.

Shri Prasad Chandra Dalai : May I know from the Hon'ble Minister why the defective buses which are mechanically very defectives are placed from Gauhati to Morigaon ?

Shri Jagannath Sinha [ Minister, Transport ] : Sir, all best possible buses are placed. You know, majority buses have been damaged.

Shri Prasad Chanra Dalai : May I know from the Hon'ble Minister how many accident have occured in the road during this period in question ?

Shri Jagannath Sinha [ Minister Transport ] : Sir, I have figures for the State as a whole. I can give the figures if the Hon'ble Member is interested to know.

Shri Binoy Kumar Basumtari : Sir, the Minister says that 50% of the vehicles are out of the road. I want to know from the Hon'ble Minister what steps he is taking whether he is going to take up all the Chasis lying at Maligaon ? Those manufactured by Tata ? At least 500 chasis are lying there ?

Sri Jagannath Singha, [Minister, Transport : Sir, if wishes are horses everybody can ride ! Money is the main constraint. If I got money definitely I could purchase all.]

Shri Barkat Ullah : Sir, may I draw the attention of the Hon'ble Minister to the fact that this august House is at liberty to get information from the Mintster and we do not want opinion. Rule 37 of the Rules and Procedure and Conduct of the Business in the House lays down some restrictions for putting questions to the Hon'ble Ministers which also implies that the Hon'ble Ministers should

furnish correct and the point information.

Shri Jagannath Singha, [ Minister, Transport ] : Sir, I have tried to furnish all the possible correct answers.

শ্ৰীজগত পাটগিৰী ঃ-- মন্ত্ৰী মোহদয়ে কৈছে যে গাড়ী বেয়া হোৱা কাৰণে ৰস্তাত গাড়ী দিব পৰা নাই। মুঠতে কিমান ৰাস্তাত গাড়ী চলিব পৰা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ, ( পৰিবহন মন্ত্ৰী ) ঃ-- টোটেল ফ্লীট ৮৫০ খন আছিল তাৰে ভিতৰত বৰ্ত্তমান ৪৮৭ খন চলি আছে। প্ৰায় শতকৰা পঞ্চাশ ভাগ বেয়া হৈ আছে। আন্দোলনৰ সময়ত বেয়া হ'ল, ওৱাৰ্কচপত ৰিপেয়াৰিং চলি আছে, সোনকালে আহিব বুলি আশা কৰিব পাৰি। আমি এই অৱস্থাটো ইনহেৰিট কৰিছো।

শ্ৰীমথুৰা ডেকা ঃ-- যি সমূহ পথত পৰিবহন নিগমৰ বাচ চলাচল কৰা নাই, যানবাহন বেয়া হৈ যাতায়াত বন্ধ হৈ আছে সেই পথসমূহৰ যাত্ৰী সকলৰ অসুবিধাৰ কথা মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে ইয়াৰ কাৰণে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? আৰু মন্ত্ৰী মহোদয়ে কেতিয়াবা লাইন বাচত উঠিছেনে ?

মাননীয় অধ্যক্ষ ঃ- আপোনাৰ যিটো দৰকাৰী সেইটো জানিবলৈ প্ৰশ্ন কৰিব পাৰে যিটো অদৰকাৰী সেইটো প্ৰশ্নৰ দৰকাৰ নাই। লাইন বাচত উঠাৰ কথা সোধাৰ দৰকাৰ নাই।

শ্ৰীজগন্নাথ সিংহ, ( পৰিবহন মন্ত্ৰী ) ঃ- মন্ত্ৰীয়ে এয়াৰ বাচতো উঠিছো সকলো বাচতে উঠিছো আৰু লাইন বাচতো উঠিছো। যিমান বিলাক ডেমেজড গাড়ী আছে ওৱাৰ্কচপত ৰিপেয়াৰ কৰি থকা হৈছে। এনে আমাৰ বেকলগ বহুত অছে সেইবিলাক ঠিক কৰি আছো। নতুন বাচ বিত্তীয় ব্যৱস্থায়ে যিমান কুলায় সেই মতে ক্ৰয় কৰা হৈছে। ৰাইজৰ কষ্ট হৈছে সেইটো আমি জানো কিন্তু এই অৱস্থাতো আমি ইনহেৰিট কৰিছো। চৰকাৰ হোৱাৰ আগৰ পৰাই এই অসুবিধা বিলাক আছে। আমি তাৰ সমাধান কৰি কষ্ট লঘূ কৰাৰ কাৰণেহে চেষ্টা চলাই আছো।

# বিঃ আই জি পি

**শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে ঃ**

* ১৩৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত IGP কিমানজন আছে ?

(খ) তেওঁলোকৰ নাম নিয়োগ কৰা তাৰিখৰ সৈতে জনাবনে ?

[গ] উক্ত বিষয়াসকলৰ জ্যেষ্ঠতা নিৰ্দ্ধাৰণ কৰা হৈছেনে ?

[ঘ] যদি হৈছে, তেনেহলে জ্যেষ্ঠতা অনুসাৰে নাম কেইটা কবনে ?

[ঙ] এইটো কথা সঁচা নেকি যে উক্ত অফিচাৰ সকলৰ ভিতৰত "জুনিয়ৰ" অফিচাৰে "চিনিয়ৰ" অফিচাৰক চুপাৰচিদ কৰিছে ?

**শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

১৩৩। (ক)—আৰক্ষী সঞ্চালক প্ৰধানৰ (DGP) ৰ উপৰিও অসমত ৮ জন আই জি পি/আই জি পি পদাধিকাৰী বিষয়া আছে ।

(খ)—আই জি পি আৰু আই জি পি পদাধিকাৰী বিষয়া সকলৰ নাম আৰু সেই পদলৈ উন্নতিৰ তাৰিখ এনে ধৰণৰ ঃ

| নাম [ জ্যেষ্ঠতানুসাৰে ] | আই জি পি পদলৈ উন্নতিৰ তাৰিখ |
|---|---|
| ১। শ্ৰীটি, এ, সুব্ৰামনিয়াম, আ পি এচ [ প্ৰ'ফৰ্মা প্ৰমোচনৰ তাৰিখ ১৩/৩/৮১ ] ডিৰেক্টৰ অব় ভিজিলেন্স, এন্টি ক'ৰাপচন এণ্ড চি আই ডি | ১৭/১২/৮২ |
| ২। শ্ৰীজে, এচ, পাঠক, আই পি, এচ, ডিৰেক্টৰ অব় চিভিল ডিফেন্স এণ্ড কমাণ্ডেণ্ট জেনেৰেল হোম গাৰ্ডচ । | ১৫/৩/৭৯ |
| ৩। শ্ৰীএচ, কে দাস, আই, পি এচ, আই জি পি [এচ বি] | ১১/৩/৮১ |
| ৪। শ্ৰীএম, আই, এচ আয়াৰ আই, পি, এচ, ডিৰেক্টৰ, বুৰো অব় ইনভেষ্টিগেচন [ ই ও ] | ১০/১/৮২ |

৫। শ্ৰীএচ, কে, চক্ৰৱৰ্ত্তী, ১৪/১/৮২
আই, পি. এচ, মেনেজিং ডিৰেক্টৰ,
আসাম পুলিচ হাউচিং কৰপোৰেচন এণ্ড আই জি পি
ইনচাৰ্জ, কামৰূপ, বৰপেটা, গোৱালপাৰা, কোকৰাঝাৰ
আৰু ধুবুৰী জিলা।

৬। শ্ৰীএম, আৰ, চৌধুৰী, ১০/১/৮২
আই পি এচ, আই জি পি
( ট্ৰেইনিং এণ্ড আৰমদ পুলিচ )
এণ্ড আই জি পি ইনচাৰ্জ নগাওঁ, কাৰবি আংলং,
শিৱসাগৰ, যোৰহাট, ডিব্ৰুগড় জিলা।

৭। শ্ৰীএন, এন চাংকাকতি, ১২/১০/৮২
আই পি এচ, আই জি পি ( বোৰ্ডাৰ )।

৮। শ্ৰীকে, পি, এচ, গিল, ১০/১/৮২
আই পি এচ, আই জি পি
[ হেড কোৱাৰ্টাৰ ] এণ্ড ল এণ্ড অৰ্ডাৰ এণ্ড
ইনচাৰ্জ দৰং, শোণিতপূৰ, লক্ষীমপুৰ জিলা।

[গ] আৰু [ঘ] –তেওঁলোকৰ নাম [খ] ৰ বিপৰীতে জ্যেষ্ঠতা অনুসাৰেই দেখুওৱা হৈছে। পদোন্নতি নোহোৱা একমাত্ৰ জ্যেষ্ঠ বিষয়াজনৰ নাম ইয়াত উল্লেখ কৰা হোৱা নাই।

[ঙ] —হয়। উক্ত অফিচাৰ সকলৰ ৮ নং জনে তেওঁতকৈ চিনিয়ৰজনক চুপাৰচিদ কৰিছে।

শ্ৰী মোহন বসুমতাৰীঃ— এই আই পি এচ বিষয়া সকলক প্ৰমোচন দিয়োতে জ্যেষ্ঠতাৰ ভিত্তিত যি সকল বিষয়া চুপাৰচিদ কৰিলে তেওঁলোকৰ নাম আৰু যাক চুপাৰচিদ কৰিলে তেওঁলোকৰ নাম মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী)ঃ— প্ৰথমটো প্ৰশ্নৰ উত্তৰ হ'ল এজন বিষয়াই চুপাৰচিদ কৰিছে তেওঁ হ'ল কেপি এচ গিল আৰু এজনক কৰিছে তেওঁ হ'ল ডাঃ ভূপেন সিং।

শ্ৰীমোহন বসুমতাৰী ঃ- এই আই জি পি পদলৈ প্ৰমোচন দিয়া কোনোবা আই পি এচ বিষয়াক মেঘালয়লৈ বদলি কৰিছে নেকি আৰু যদি কৰিছে তেওঁলোকৰ নাম কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) আই জি পি পৰ্য্যায়ৰ এজন বিষয়া শ্ৰী বি এচ বাবৰ মেঘালয়ত আছে আৰু তেওঁও মেঘালয়ৰ আই জি পি হৈ আছে।

## বিঃ গোৰেশ্বৰ ৰাজহ চক্ৰ

**শ্ৰীমথুৰা ডেকাই, সুধিছে ঃ**

* ১৩৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে--

গোৰেশ্বৰ ৰাজহ চক্ৰ গঠন কৰাৰ সময়ত পাতিদৰং মৌজাৰ অধিবাসীক গোৰেশ্বৰ চক্ৰত চামিলকৰণৰ বিষয়ে আগধৰি জনোৱা হৈছিলনে ?

**শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( ৰাজহ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

১৩৪। নাই ।

শ্ৰীমথুৰা ডেকাঃ—অধ্যক্ষ মহোদয়, মই ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰোঁ যে এই ৰাজহ চক্ৰবোৰ গঠন কৰোতে ৰাইজৰ মতামত লব নালাগেনেকি ? আমি যেতিয়া ইয়ালৈ আহিছোঁ ৰাইজৰ ভোটৰ দ্বাৰাই আহিছোঁ আৰু ৰাইজৰ ভোটেৰেই চৰকাৰ গঠন কৰা হৈছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ- অধ্যক্ষ মহোদয়, এই ৰাজহ চক্ৰ গঠন কৰিবৰ কাৰণে এখন ন্বই পাৰাৰ কমিটী গঠন কৰি দিয়া হৈছে। এই কমিটীত লৱাৰ আচাম কমিচনাৰ চেয়াৰমেন, কমিচনাৰ আপাৰ আচম মেম্বাৰ, ডি, এল, আৰ মেম্বাৰ, চেক্ৰেটাৰী ফাইনেন্স বা তেওঁৰ নমিনী মেম্বাৰ, ডেপুটী চেক্ৰেটাৰী ৰেভিনিউ মেম্বাৰ চেক্ৰেটাৰী। এই কমিটীয়ে সকলোবোৰ দিশ পৰীক্ষা কৰি ৰাজহ চক্ৰ পুনৰ গঠনৰ পৰামৰ্শ দিয়ে এই বিলাক গঠন কৰোঁতে জনসংখ্যা, প্ৰশাসনীয় ব্যৱস্থা আৰু ৰাস্তা ঘাট আদিক ভিত্তি কৰি কৰা হয়। ৰাইজৰ মতামত লোৱা নহয়।

শ্রী মথুৰা ডেকা ঃ- অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যি হাই পাৱাৰ কমিটীৰ কথা কলে তেখেতসকলৰ ভোট নাই। যি ৰাইজে ভোট দিয়ে তেখেতসকলৰ মতামত নিশ্চয় আছে। অকল হাই পাৱাৰ কমিটী এটা ৰূমত আৱদ্ধ ৰাখিলে তেখেতসকলে ৰাইজৰ মতামত চলাব পাৰেনে ?

শ্রীকেশৱ চন্দ্র গগৈ (মন্ত্রী)ঃ- মই কৈছোৱেই যে ৰাজহ চৰ্কোল বিলাক বৃটিছৰ দিনতে গঠন কৰা। এতিয়া যিকেইটা চাৰ্কোল গঠন কৰা হৈছে সেইবিলাক প্রশাসনীয় দিশ ৰাস্তা ঘাট আদি সকলো বিলাক পৰীক্ষা কৰিয়েই কৰা হৈছে। মাননীয় সদস্য গৰাকীয়ে যদি তথাপিতো ৰাইজৰ মতামত লবলাগে বুলি কয় তেতিয়াহলে নিশ্চয় লম।

শ্রীহৰেন্দ্র নাথ আলুকদাৰঃ- অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কিছুমান কথা দাঙি ধৰিছে, যে কি কি কাৰণত ৰাজহ চক্র গঠন কৰা হয়। আৰু এই চক্র বিলাক যিহেতু বৃটিছৰ দিনত গঠন কৰা এতিয়া আৰু নতুনকৈ গঠন কৰাৰ কিবা প্রস্তাৱ আছে নেকি ?

শ্রীকেশৱ চন্দ্র গগৈ (মন্ত্রী)ঃ- ১৯৬৭-৭৭ লৈকে ৰাজহ চক্র আছিল ৭৪ খন। ১৯৭৪ ৰ পৰা এতিয়ালৈকে ৩১ খন বঢ়োৱা হৈছে। আৰু পৰ্যায়ক্রমে বঢ়াই থকা হব। আমি ইতিমধ্যে চৰকাৰৰ ওচৰত প্রস্তাৱ দিছোঁৱেই।

শ্রীহৰেন্দ্র নাথ তালুকদাৰ ঃ—অধ্যক্ষ মহোদয়, গুৱাহাটীৰ ৬ নং চাৰ্কোলৰ অন্তৰ্গত থকা মাইনৰিটী জনসংখ্যাৰ মানুহ খিনিৰ বাহিৰলৈ অহাত অসুবিধা ভৌগলিক দৃষ্টিকোনৰ পৰাও বহু অসুবিধা কাৰণে তেখেতসকলৰ সুবিধাৰ কাৰণে গৰৈমাৰীত এটা নতুন চাৰ্কোল গঠন কৰাৰ প্রস্তাৱ লবনে ?

শ্রীকেশৱ চন্দ্র গগৈ (মন্ত্রী) মই আগতে কৈছোঁৱেই যে এই চক্র বিলাক বৃটিছৰ দিনতে গঠন কৰা এতিয়া আকৌ নতুনকৈ চাৰ্কোল পুনৰ গঠন কৰাৰ সময়ত এই বিষয়টো চাবলৈ মই কমিটীক পৰামৰ্শ দিম।

শ্রীহৰেন্দ্র নাথ তালুকদাৰঃ— ইতিমধ্যে মুখ্য মন্ত্রী মহোদয়ে আশ্বাস দিছিল যে ৰাইজৰ অসুবিধা দূৰ কৰিবৰ কাৰণে নতুনকৈ চাৰ্কোল গঠন কৰা হব। তেনে ধৰণৰ কিবাসংখ্যা চৰকাৰে ধৰি লৈছেনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— ধৰি লোৱা নাই। ইতিমধ্যে ৩১ খন চাৰ্কেল বঢ়োৱা হৈছে। আৰু এটা কথা মই কবলৈ পাহৰিছিলো সেইটো হৈছে বিত্ত বিভাগৰ অনুমোদনৰ কথা। নতুন চাৰ্কেল গঠন কৰিবলৈ হলে বিত্ত বিভাগৰ অনুমোদন সাপেক্ষেহে কৰিব পৰা হব।

শ্ৰীমথুৰা ডেকা – অধ্যক্ষ মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ে কৈছে যে এই গাওঁ বিলাক বৃটিছৰ দিনতে গঠন কৰা। তেতিয়া সেই সময়ৰ ৰাস্তা ঘাট আদি চাইহে এই বিলাকৰ সীমা নিৰ্দ্ধাৰণ কৰা হৈছে। কিন্তু এতিয়া ৰাস্তা ঘাট আদি বহুত তেৰা বেকা হ'ল। সেয়ে এতিয়া নতুন চাৰ্কেল আদি কৰোতে এই বিলাক সকলো দিশ চাই চিতি কৰিব লাগে এই ধৰণৰ পৰামৰ্শ মন্ত্ৰী মহোদয়ে কমিটিক দিব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ– বিবেচনা কৰা হব।

শ্ৰীচিৰাজুদ্দিন আহমেদ ঃ-- অধ্যক্ষ মহোদয়, অসমত এনে কিছুমান চাৰ্কোল আছে যিবোৰ বছৰৰ পিচত বছৰ ধৰি ভাৰা ঘৰত চলি আছে আৰু এইঘৰৰ চালবোৰ উৰলি পানী পৰাত তাৰ বহু ৰেকৰ্ড পাতি আদি নষ্ট হৈ গৈছে এই বিষয়ে মন্ত্ৰী মহোদয়ে জানানে ? আৰু ঘৰবোৰ নতুনকৈ নিৰ্ম্মান কৰাৰ আচনি কিবা লবনে ? মই মোৰ সমষ্টিৰ বিলাসীপাৰা ৰেভিনিউ চাৰ্কোলৰ কথা কৈছোঁ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ– অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কথা কৈছে সেইটো সঁচা। এই বিলাক নতুনকৈ কৰিবলৈ টকা পইচাৰ প্ৰয়োজন। আমি এই বিলাক প্লেনওৱেত কৰিবলৈ লৈছোঁ, টকা পইচা পালেই সকলোবোৰ কৰিব পৰা হব।

## বিঃ কৃষ্ণাইৰ নতুন ব্লক

শ্ৰীজগত পাটগিৰিয়ে সুধিছে ঃ

* ১৩৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বালিজান, মাটিয়া আৰু দুধনৈ ব্লকৰ মাজত থকা জনজাতি অঞ্চলক সামৰি কৃষ্ণাইত এটা নতুন ব্লক খোলাৰ ৰাজহুৱা দাবীৰ আবেদন চৰকাৰৰ হাতত আছেনে ?

(খ) যদি আছে, চৰকাৰে নতুন ব্লক খোলা প্ৰয়োজন বুলি ভাবেনে ?

(গ) যদি ভাবে, এই কৃষ্ণাইৰ ব্লক কেতিয়া খোলা হব ?

**শ্ৰীউপেন দাস ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

১৩৫। [ক]— নিৰ্দ্ধাৰিত ভাৱে কৃষ্ণাইতে সেই অঞ্চলৰ জনজাতিক সামৰি ব্লক খোলাৰ প্ৰস্তাৱ চৰকাৰৰ হাতত নাই ।

[খ] —প্ৰয়োজন বুলি ভবাৰ প্ৰশ্ন উঠা নাই ।

[গ] --কোৱা টান ।

শ্ৰীজগত পাটগিৰীঃ— অধ্যক্ষ মহোদয়, বালিজান অঞ্চলত নতুনকৈ ব্লক কৰাৰ কাৰণে দিয়া দৰখাস্ত মন্ত্ৰী মহোদয়ে পাইছেনে জনাবনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী)ঃ-- তেনে দৰখাস্ত মোৰ হাতত পৰা নাই ।

শ্ৰীজগত পাটগিৰীঃ-- মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে কিমান খন গাওঁ পঞ্চায়ত লৈ একো একোটা ব্লক হয় ?

শ্ৰীউপেন দাস (মন্ত্ৰী)ঃ- সাধাৰণতে ৫-৬ খন আৰু মোৰ যিমানদূৰ মনত পৰে ৮-৯ খনলৈকে গাওঁ লৈ একো একোটা ব্লক গঠন কৰা হৈছে ।

শ্ৰীচিৰাজুদ্দিন আহমেদঃ-- অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক কব বিচাৰিছোঁ যে বিলাসীপাৰাত এনেকুৱা এখন ব্লক আছে যত মাত্ৰ ৩ খন গাওঁ পঞ্চায়ত লৈ গঠিত হৈছে ? এতিয়া নতুনকৈ ডেভেলাপমেণ্ট ব্লক গঠন কৰাৰ কিবা আঁচনি লৈছে নে ?

শ্ৰীউপেন দাস [মন্ত্ৰী] ঃ-- অধ্যক্ষ মহোদয়, ১৩৫ খন ব্লক ইতিমধ্যে আগৰে পৰাই আছে । এই বিলাক জনসংখ্যা ভিত্তিতে কৰা । আকৌ এতিয়া নতুন জনসংখ্যাৰ ভিত্তিত নতুনকৈ ব্লক গঠন কৰিব পৰা হবনে নহয় চৰকাৰে বিবেচনা কৰি চোৱা নাই । এই সম্পৰ্কে যিহেতু আগতে প্ৰশ্ন উঠিছিল তেতিয়া দেখা গল যে বহু টকা পইচা খৰছ হয়, আৰু আগৰ ব্লক কিছুমান

ভাঙি নতুন কৰিবলগীয়া হয় । এই বিলাক কৰিবলৈ অলপ অসুবিধা হয়। সেই বিলাক কাৰণতে নতুনকৈ ব্লক গঠন কৰাৰ বিবেচনা কৰা হোৱা নাই ।

শ্ৰীজগত পাটগিৰী :— অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে আমাৰ পিচপৰা অঞ্চলৰ উন্নয়নৰ কাৰণে বহু আঁচনি লৈছে । ২০ দফীয়া আঁচনিও কৰিছে । ৰাস্তা ঘাট আদিৰ অসুবিধাৰ কাৰণে দূৰ-দূৰনিৰ পৰা ৰাইজ অহাত অসুবিধা হয় সেয়ে কৃষ্ণাইত এটা নতুত ব্লক কৰিবৰ কাৰণে ৰাইজৰ ফালৰ পৰা বহু আবেদন নিবেদন কৰা হৈছিল । কিন্তু মন্ত্ৰী মহোদয়ে এই দৰ্খাস্ত আদি পোৱা নাই বুলি কৈছে যদিও এই বিষয়ে কিবা কৰিবনে ?

শ্ৰীউপেন দাস :-- ৰাইজৰ অসুবিধা আদি দূৰ কৰিবৰ কাৰণে চৰকাৰে সদায়ে চিন্তা কৰি আছে। আৰু জনজাতীয় ৰাইজৰ আৰ্থিক সামাজিক উন্নয়নৰ কাৰণে এই ২০ দফীয়া আঁচনিও লোৱা হৈছে । এই আঁচনিৰ জৰিয়তে যি বিলাক ৰাস্তা ঘাট আদিত অসুবিধা আছে সেই বিলাক দূৰ কৰিবলৈ চেষ্টা কৰা হব আৰু লগতে অন্যান্য উন্নয়ন মূলক কামবোৰো এই আঁচনিৰ যোগেদি ব্লক সমূহ কৰা হব । নতুনকৈ ব্লক সৃষ্টি কৰাত অলপ অসুবিধা আছে ।

শ্ৰীজগত পাটগিৰীঃ-- অধ্যক্ষ মহোদয়, মই জানিব খুজিছোঁ কৃষ্ণাইত এটা নতুন ব্লক কৰিব পৰা হব নে নহয় ?

শ্ৰীউপেন দাস (মন্ত্ৰী) :-- ৰাইজৰ অসুবিধাবোৰ দূৰ কৰাৰ চেষ্টা কৰা হব ।

***

## বিঃ হাইস্কুল হায়াৰচেকেণ্ডাৰীলৈ উন্নিতকৰণ

**শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ**

*১৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সঁচানেকি যে অসমৰ সকলোবোৰ হাইস্কুল হায়াৰচেকেণ্ডাৰীলৈ উন্নিত কৰা হব ?

(খ) যদি সঁচা এই আৰ্থিক বছৰৰ ভিতৰত মুঠ কিমানখন স্কুল হায়াৰচেকেণ্ডাৰী পৰ্য্যায়লৈ নিয়া হব ?

[গ] ৰঙিয়া মহকুমাৰ কে, বি, দেউলকুছি আৰু গোৰেশ্বৰ হাইস্কুল এই আৰ্থিক বছৰত হায়াৰচেকেণ্ডাৰীলৈ উন্নিত কৰা হব নেকি ?

**শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

১৩৬। [ক]--সঁচা নহয় । কিন্তু পৰ্য্যায় ক্ৰমে কিছু হাইস্কুল প্ৰকৃত আৱশ্যকতাৰ ভিত্তিত উচ্চতৰ মাধ্যমিকলৈ উন্নিত কৰা হব ।

[খ]--এই বছৰত ১৬ খন নতুন উচ্চতৰ মাধ্যমিক পৰ্য্যায়লৈ উন্নিত কৰিবলৈ বিচৰা হৈছে । ইয়াৰ ওপৰিও ১ খন হাই মাদ্ৰাছা স্কুল উচ্চতৰ মাধ্যমিকলৈ উন্নিত কৰিবলৈ বিচৰা হৈছে ।

(গ)---এই বিষয়ে একো সিদ্ধান্ত লোৱা হোৱা নাই ।

শ্ৰীপূৰ্ণ বড়ো ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কলে যে এই আৰ্থিক বছৰৰ ভিতৰতে মুঠতে ১৬ খন হাইস্কুল আৰু এখন হাই মাদ্ৰাছা উচ্চতৰ মাধ্যমিক স্কুললৈ ৰূপান্তৰিত কৰা হব । এই ১৬ খন স্কুলৰ ভিতৰত কেইখনত চায়েন্স ফেকাল্টি আৰু কেইখনত আৰ্টচ ফেকাল্টি দিয়া হব জনাব নেকি ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী ) ঃ— ১০ খনত কলা আৰু বিজ্ঞান শাখা আৰু ৬ খনত বাণিজ্য আৰু কলা শাখা খোলা হব ।

শ্ৰীপূৰ্ণ বড়ো ঃ-- অধ্যক্ষ মহোদয় মোৰ প্ৰশ্ন আছিল, দেউলকুছি আৰু গোৰেশ্বৰ হাইস্কুল দুখনক লৈ । এই দুয়োখন স্কুল টি-এচ-পি এৰিয়াত পৰে মন্ত্ৰী মহোদয়ে এটা কথা জনাবনে এই নতুনকৈ লব ধৰা স্কুলৰ ভিতৰত কেইখন টি-এচ-পি অঞ্চলত থকা স্কুল উন্নীত কৰা হব ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ--অধ্যক্ষ মহোদয় আমি এই স্কুলবোৰ লওতে সাধাৰণতে পিচ পৰা অঞ্চলৰ স্কুলবোৰকেই উন্নীত কৰিবলৈ বিচাৰিছো । গতিকে টি-এচ-পি এৰিয়াৰো ২-১ খন স্কুল ইয়াৰ ভিতৰত পৰিব ।

শ্ৰীপূৰ্ণ বড়ো ঃ-- অধ্যক্ষ মহোদয়, টি-এচ-পি এৰিয়াত উচ্চতৰ মাধ্যমিক স্কুল কৰাৰ কথা মন্ত্ৰী মহোদয়ে কৈছে । মই বিশেষকৈ দেউলকুছি হাইস্কুলখনৰ কথা কে কওঁ যে এই স্কুলখন টি-এচ-পি এৰিয়াত পৰিছে গতিকে সেই স্কুলখন

উচ্চতৰ মাধ্যমিক স্কুললৈ ৰূপান্তৰিত কৰা হবনে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয় মই আগতেই কৈছো যে কিছুমান পিচপৰা অঞ্চলত যিবোৰত বিশেষকৈ কলেজৰ সা-সুবিধা নাই সেইবোৰ অঞ্চলত হাইস্কুলৈকে উচ্চতৰ মাধ্যমিকলৈ ৰূপান্তৰিত কৰা হব। মাননীয় সদস্য গৰাকীয়ে যি খন স্কুলৰ কথা কৈছে সেইখন স্কুলৰ কথাটো বিবেচনা কৰি চোৱা হব।

শ্ৰীপূৰ্ণ বড়ো ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে যি ১৬ খন হাইস্কুল উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা হব তাত কিমান জন চাবজেক্ট টিচাৰ নিয়োগ কৰা হব ? আৰু ইয়াৰ ফলত আমাৰ যি সকল লৰা-ছোৱালীয়ে হাইস্কুল পাছ কৰি কলেজত চিট নেপায় তেনে কিমান লৰা-ছোৱালীক এইবোৰ স্কুলত ভৰ্ত্তি কৰিব পৰা হব ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, প্ৰথম প্ৰশ্নটোৰ উত্তৰত মই কব খোজো যে কলা আৰু বিজ্ঞান শাখাৰ যি বিলাক থাকিব তাত অধ্যক্ষ উপাধ্যক্ষৰ বাহিৰেও ১৩ জন ঐশ্চিক শিক্ষক, ৫ জন লবৰেটৰী টেক্‌নিচিয়ান, ৩ জন বিয়েৰাৰ আৰু এজন উচ্চ বৰ্গৰ সহায়ক থাকিব।

শ্ৰীপ্ৰসাদ দলেঃ— অধ্যক্ষ মহোদয়, কোন কোন জিলাত এই ১৬ খন স্কুল লোৱা হব নাম কেইটা কবনে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয় এই গোটেই কথাটো বিবেচনাধীন হৈ আছে। কোন কোন জিলাত স্কুল লোৱা হব সেই আটাই বোৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। এই কাম পৰ্য্যায় ক্ৰমে কৰিবলৈ লোৱা হৈছে আৰু প্ৰতিখন জিলাতে যাতে একোখনকৈ লব পৰা যায় তাৰ কথা চিন্তা কৰা হৈছে।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে যি ১৬ খন স্কুল প্ৰতি জিলাতে লোৱাৰ চিন্তা কৰিছে সেই স্কুলৰ সংখ্যাটো বঢ়াই প্ৰতি সমষ্টিতে একোখনকৈ লোৱাৰ ব্যৱস্থা কৰিব নোৱাৰিনে ?

শ্ৰীমুকুট শৰ্ম্মা, (শিক্ষা মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, প্ৰতিটো সমষ্টিতে একোখনকৈ স্কুল লব পৰা হলে ভালেই আছিল কিন্তু আমাৰ ধনৰ ভড়ালৈ

চাই এইটো সম্ভৱ নহয় । এখন হাইস্কুল উচ্চতৰ মাধ্যমিকলৈ ৰূপান্তৰিত কৰোতেই ১ লাখ ৮০ হেজাৰ টকা খৰচ হয় ।

শ্ৰীছিৰাজুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে পিচপৰা অঞ্চলৰ অৱস্থালৈ চাই এই হাইস্কুলবোৰ হায়াৰচেকেণ্ডাৰীলৈ ৰূপান্তৰিত কৰা হব । মই মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে অসমত যিবোৰ চৰ অঞ্চল আছে সেইবোৰ আটাইতকৈ পিচ পৰা অঞ্চল গতিকে এনে চৰ অঞ্চলত এনে ধৰণৰ স্কুল পতাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ— সেইটো বিবেচনা কৰা হব ।

শ্ৰী প্ৰসাদ দলে ঃ— অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে অসমৰ যি বিলাক অনুসূচীত আৰু জনজাতীয় লোক আছে তেওঁলোক শিক্ষাত অতি পিচপৰা আৰ্থিক অৱস্থাৰ কাৰণে বাহিৰলৈ গৈ তেওঁলোকে শিক্ষা লাভ কৰিব নোৱাৰে, গতিকে এইবোৰ কথা লক্ষ কৰি যি ১৬ খন স্কুল উন্নিত কৰিবলৈ বিচৰা হৈছে তাৰে কেইখনমান অনুসূচীত আৰু জনজাতীয় অঞ্চলত স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী মুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ—এই সকলো দিশ আমি বিবেচনা কৰিম ।

*****

## Re : Chaki Mills at Dolgoma

Shri MOHAMMAD ALI asked :

*138. Will the Minister, Supply be pleased to State—

[a] The number of Chaki Mills operating at Dolgoma in Goalpara District ?

[b] Whether it is a fact that these mills are getting allotment of wheat regularly from the Supply Department of Goalpara District ?

[c] If so, whether the mill owners submit accounts to the Supply Department regularly ?

Shri TILOK GOGOI [Minister Food and Civil Supplies] replied :

138. (a]-2 [two]

[b]- Yes.

(c)- One mill has submitted the accounts. Suitable action has been taken against the other Mill for non-submission of the accounts.

শ্ৰীমহম্মদ আলি ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই মিল বিলাকত আটা আদি এলটমেণ্ট দিয়াৰ ক্ষেত্ৰত তেওঁলোকে নিয়মিয়া ভাবে একাউণ্টচ্ চাবমিট কৰিব লাগে। মই যিটো মিলৰ প্ৰশ্ন কৰিছো সেই মিলৰ মালিক জনৰ নাম কি মন্ত্ৰী মহোদয়ে জানেনে ?

Shri Tilok Chandra Gogoi (Minister) :–Out of the two Chaki Mills in Dolgoma area of Goalpara district one mill is owned by Shri Makbul Hussain and the other is owned by Sri Premjit Das. Sri Hussain has maintained the upto-date accounts as found by the Sub–Inspector of Food & Civil Supplies. But Shri Das failed to produce accounts on earlier occasion and prayed for time. Subsequently when Food and Civil Supply Department's officer again visited the mill recently the employee of the mill could not produce the accounts and thereafter alloment of wheat to thə mill of Sri Das has been stopped by the District Authority.

শ্ৰীমহম্মদ আলি ঃ– অধ্যক্ষ মহোদয়, এই প্ৰসেনজিত দাস নামৰ মানুহ জনে সেই মিলটো কেতিয়া স্থাপন কৰছিল মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ— সেইটো বৰ্ত্তমান মোৰ হাতত নাই ।

শ্ৰীমহম্মদ আলিঃ– শ্ৰীপ্ৰসেনজিত দাসৰ দেউতাৰ নামটো কি আছিল সেইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ– সেই কথাটোৰ উত্তৰ দিবলৈ মই এতিয়া সক্ষম নহয় । আগতে প্ৰশ্ন কৰা হলে উত্তৰ দিব পৰা গলহেতেন ।

শ্ৰীমহম্মদ আলি ঃ– অধ্যক্ষ মহোদয়, এই মিলে নিয়মিয়া ভাবে আটা আদি নিদিয়াৰ সম্পৰ্কত মোৰ হাতত তথ্য-পাতি আছে । ১৯৮২ চনৰ মাৰ্চ মাহৰ পৰা হিচাব আদি নিদিয়াৰ কাৰণে এই মিলটো বন্ধ ৰখা হৈছিল । আৰু সমবায় সমিতিৰ জৰিয়তে আটা আদি বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল । কিন্তু উপায়ুক্ত আৰু মহকুমাধিপতিয়ে কি চক্ৰান্ত কৰি এই মিলটো পুনৰ চলায় । মই এই মিলটোৰ বৰ্ত্তমান মালিকৰ দেউতাকৰ নামটোও জানো । তেওঁৰ নাম–– ৰত্নেশ্বৰ দাস ।

Mr. Speaker, For the benefit of the hon'ble members let me read out Rule 34 (1). This states–"any member may put supplementary questions to a starred question after it is called by the Speaker for the purpose of further elucidating any matter of fact regarding which any Answer has been given. Such supplementary question should not exceed normally six in member".

শ্ৰীমহম্মদ আলি ঃ– অধ্যক্ষ মহোদয়, মই দেউতাকৰ প্ৰসঙ্গটো উল্লেখ নকৰো কিন্তু এই মিলটোৰ যিবোৰ খেলিমেলিৰ সৃষ্টি হৈছে সেইবোৰ তদন্ত কৰি ব্যৱস্থা নোলোৱা পৰ্য্যান্ত গম আদি এলোটমেণ্ট দিয়া বন্ধ কৰিব লাগে । সেইটো মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে ।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ– এই মিলটোৰ যিটো এলটমেণ্ট কোটা আছিল সেইটো ইতিমধ্যে বন্ধ কৰা হৈছে ।

## Re: B. C. P. P. Research Laboratory

Shri LEKHAN LAHON asked :

* 139. Will the Minister, Veterinary be pleased to state—

(a) Whether the Government is aware of the fact that the B. C. P. P. Research Laboratory located at North Lakhimpur, Azad has been shifted to Gauhati ?

(b) If so, thc reasons there of and what level the decision was taken ?

Shri PADAM BAHADUR CHOUHAN (Minister of State Veterinary) replied :

139. (a)—It is not a fact that the B. C. P. P. Research Laboratory located at Azad has been shifted to Gauhati.

(b)—No decision has been taken at any level to shift the Laboratory from Azad.

শ্রীলেখন লাহনঃ-মাননীয় অধ্যক্ষ, অসমৰ লক্ষীমপুৰ জিলাত, শিৱসাগৰ জিলাৰ মাজুলীত আৰু অৰুনাচলৰ নামনি অংশত গৰু মহৰ এটা অতি জটিল বেমাৰ আছে। সেই বেমাৰটো নাইকীয়া কৰিবৰ কাৰণে বি, চি, পি, পি লেবৰেটৰীটো লক্ষীমপুৰত পতা হৈছিল। এই লেবৰেটৰীটো পৰিচালনা কৰিবৰ কাৰণে তাত এজন ডেপুটি ডাইৰেক্টৰ নিযোগ কৰা হৈছিল। সেই বিষয়া জন এতিয়া তাত আছেনে ?

শ্রীপদম বাহাদুৰ চৌহান (মন্ত্রী)ঃ–মাননীয় অধ্যক্ষ মহোদয়, এই লেবৰেটৰীটো ১৯৭৭ চনতেই আৰম্ভ কৰা হৈছিল। মাননীয় সদস্য জনে কোৱাৰ দৰে সেই ঠাই তিনিখনত হোৱা এই জটিল ধৰণৰ ৰোগঠো নিৰ্ম্মুল কৰিবৰ কাৰণেই এই লেবৰেটৰীটো প্ৰতিষ্ঠা কৰা হৈছিল। এই লেবৰেটৰীটো খানাপাৰাত থকা 'বাইয়লজিকেল ৰিচাছ'–লেবৰেটৰী'টোৰ এটা অংশ বিশেষহে আৰু তাত কোনো উপ-সঞ্চালক নাই। এজন 'এচিষ্টেন্ট ডাইৰেক্টৰ' হে তাত আছে।

শ্ৰীলেখন লাহন ঃ– মাননীয় অধ্যক্ষ মহোদয়, তাত যিটো লেবৰেটৰীৰ কথা কোৱা হৈছে সেইটো দুটা অংশত বিভক্ত। ইয়াৰ ইন্টাৰনেল লেবৰেটৰীটোৰ কাম হল এই দূৰাৰোগ্য ৰোগ বিলাক নিৰ্ম্মূল কৰাৰ কাৰণে পৰীক্ষা নিৰীক্ষা চলাই সেইমতে বিহিত ব্যৱস্থা দিয়া। ইতিমধ্যে এই বেমাৰত কৃষকৰ হালুৱা গৰু পৰ্য্যন্ত মৰিছে। মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত তাত থকা গৱেষণাগাৰটো খানাপাৰাৰ 'বাইয়লজিকেল ৰিচাৰ্ছ লেবৰেটৰীৰ' অংশ বুলি কৈছে। কিন্তু প্ৰকৃত পক্ষ্যে এই গৱেষণাগাৰটো এটা স্বয়ংসম্পূৰ্ণ গৱেষণাগাৰ। ১০ বিঘা মাটিত প্ৰয়োজনীয় সকলো সা-সুবিধাৰ সৈতে সজা এই গৱেষণাগাৰটো প্ৰায় ১২ লাখ মান টকাৰে নিৰ্ম্মাণ কৰা হৈছে।

Mr. Speaker :— I request the hon'ble member that he need not describe, but only he should put the supplementary question.

শ্ৰীলেখন লাহন ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই লেবৰেটৰীটো তাৰ পৰা স্থানান্তৰিত কৰা হৈছেনেকি ?

শ্ৰীপদম বাহাদুৰ চৌহান (মন্ত্ৰী) ঃ– মাননীয় অধ্যক্ষ মহোদয়, তাৰ পৰা 'চিফট্' কৰা নাই আৰু 'পোষ্ট'ৰ সম্পৰ্কত কও যে,—

The post of the Deputy Director, B. C. P. P. was created vide Government letter No. VFV. 539/75/261, dated 19. 6. 78 by keeping in abeyance the post of O/C B. C. P. P., Khanapara. Hence the newly created post of Deputy Director, B. C. P. P., Khanapara was the post in lieu of the post of O/C B. C. P, P., Khanapara. Thus there was no question of any change of headquarters from Azad to Khanapara.

শ্ৰীবৰ্গৰাম দেউৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, পহিলা আমি শুনিলো, ভুলকৈয়ে শুনিলো নেকি কব নোৱাৰো, এই লেবৰেটৰীটো তাৰ পৰা 'চিফট' কৰা বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল। যাহওক, তাত কিমান জন 'ষ্টাফ' আছে আৰু তেখেত সকলে কি কি ৰিচাৰ্ছ কৰিছে জনাবনে ?

শ্ৰীপদম বাহাদুৰ চৌহান ঃ— মাননীয় অধ্যক্ষ মহোদয়, তাত কিমান জন নিম্নশ্ৰেণীৰ কৰ্ম্মচাৰী আছে তাৰ হিচাব মোৰ হাতত নাই। তেখেতে যি বিলাক বেমাৰত গৰু মহ আদিয়ে ভোগা বুলি কৈছে সেই বিলাক বেমাৰৰ তথ্য-পাতি আদি সংগ্ৰহ কৰি অনা হয় আৰু এই বিলাক পৰীক্ষা নিৰীক্ষা কৰিবৰ কাৰণে যি বিলাক যন্ত্ৰপাতিৰ প্ৰয়োজন সেই সকলো বিলাক খানাপাৰাত থকা লেবৰেটৰীটোত আছে। ইয়াত এই বিলাক পৰীক্ষা নিৰীক্ষা কৰি চোৱা হয়।

## বিঃ বৰনৈৰ মঠাউৰীৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ

**শ্ৰীমথুৰা ডেকাই সুধিছে ঃ**

* ১৪০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামৰূপ জিলাৰ কমলপূৰ চক্ৰৰ বৰনৈৰ মঠাউৰী সাজোতে যি মাটি অধিগ্ৰহণ কৰা হৈছিল তাৰ ক্ষতিপূৰণ দিয়া হৈছেনে ?

(খ) যদি ক্ষতিপূৰণ দিয়া নাই তেনেহলে ক্ষতিপূৰণ দিয়াৰ কিবা ব্যৱস্থা লৈছে নেকি ?

**শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

১৪০। (ক)— হৈছে।

(খ)— প্ৰশ্ন নুঠে।

শ্ৰীমথুৰা ডেকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, বৰনদীৰ মঠাউৰীৰ কাৰণে যি বিলাক মানুহৰ মাটি অধিগ্ৰহণ কৰা হৈছিল সেই বিলাক মানুহে ক্ষতি পূৰণ পোৱাৰ কাৰণে আঞ্চলিক পঞ্চায়ত আদিৰ যোগেদি দৰ্খাস্ত আদি দি দিয়া স্বত্বেও আজি কোপতি সেই অধিগ্ৰহণ কৰা মাটি বিলাকৰ কাৰণে পাবলগীয়া ক্ষতিপূৰণ পোৱা নাই। চৰকাৰে এই বিলাক কথা অনুসন্ধান কৰি তেওঁবিলাকক দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই বৰনদীৰ মঠাউৰীৰ কাৰণে দিবলগীয়া ক্ষতিপূৰণৰ সংক্ৰান্তত দুটা কেছ ৰুজু কৰা হৈছিল, ৭৪/৬৯ আৰু ৭৫/৬৯ আৰু এই দুটা গোচৰৰ দ্বাৰা ৩৯ বিঘা ১ কঠা ৮ লোচা আৰু ৮৩ বিঘা ১ কঠা ৭ লোচা মাটি অধিগ্ৰহণ কৰা হয়। তথ্যমতে মাটিৰ টকা দিয়া হল। মুঠ ১২ জন মানুহে টকা পাইছে। বাকী কেইজন মানৰো পাবলগীয়া আছে। তেওঁবিলাকৰ কেছ পৰি আছে, পাব।

শ্ৰীমথুৰা ডেকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলৰ নাম মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, তেওঁবিলাকৰ নাম বিলাক হৈছে,—

১। শ্ৰীঅভয় চৰণ কলিতা,
২। শ্ৰীকবিন্দ্ৰ কলিতা,
৩। শ্ৰীবালিৰাম কলিতা,
৪। শ্ৰীবাপধন দাস,
৫। জেনেৰেল এড-মিনিষ্ট্ৰেশ্বন, অসম,
৬। শ্ৰীদেবৰাম চুটিয়া,
৭। শ্ৰীতৰণি ৰাম চুটিয়া,
৮। শ্ৰীগগেন ৰাম চুটিয়া,

— ৭৪।৬৯ কেছত

আৰু

১। শ্ৰীমনিয়া কলিতা,
২। শ্ৰীদীন কলিতা,
৩। শ্ৰীসুন্দৰ কলিতা,
৪। শ্ৰীসবি ৰাম কলিতা।

— ৭৫।৬৯ কেছত।

শ্ৰীমথুৰা ডেকা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখন লিষ্ট ডাঙি ধৰিছে সেইখন কেৱল হিন্দু মানুহৰহে। মাটি গৈছে মুছলমান মানুহৰ। তেখেতসকলৰ এজনৰ নামো নগল। আমি মন্ত্ৰী মহোদয়ৰ ওচৰত নামো দাখিল কৰিছিলো। তেখেত সকলৰ কি হব ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) ঃ-- মাননীয় অধ্যক্ষ মহোদয়, বাকী যিখিনিয়ে টকা পাবলৈ বাকী আছে তেওঁলোকৰ নাম বিলাক চাম ।

## বিঃ গোৱালপাৰা জিলাৰ হাট, ঘাট আৰু মীনমহলৰ পত্তন

**শ্ৰীমহম্মদ আলিয়ে সুধিছে ঃ**

* ১৪১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে--

(ক) গোৱালপাৰা মহকুমা পৰিষদে কিমান সংখ্যক হাট, ঘাট আৰু মীনমহল উচ্চতম নিবিদা দাঁতাক ১৯৮৩-৮৪ চনৰ বাবে পত্তন দিছে ?

(খ) উক্ত মহকুমা পৰিষদে কিমান হাট, ঘাট আৰু মীনমহল নিম্ন নিবিদা দাঁতাক ১৯৮৩-৮৪ চনৰ বাবে পত্তন দিছে ?

**শ্ৰীউপেন দাস ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

১৪১। (ক)--হাট-১১৩, ঘাট-৪৩, মীনমহল-২৫ ।

(খ)--হাট ১২, ঘাট-৩, মীনমহল-নাই ।

শ্ৰীমহম্মদ আলী ঃ- মাননীয় অধ্যক্ষ মহোদয়, যি ১২ খন হাট আৰু ৩ খন ঘাটৰ নিম্ন নিবিদা দাতাক পত্তন দিছে সেই বিলাকৰ নাম মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, নাম বিলাক মোৰ হাতত নাই ।

শ্ৰীমহম্মদ আলি ঃ— মাননীয় অধ্যক্ষ মহোদয়, কি কাৰণত নিম্ন নিবিদা দাতাক দিয়া হৈছিল মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, হাট-বজাৰ আদি পত্তন দিবৰ কাৰণে নিবিদা আহ্বান কৰা হয় আৰু সেই নিবিদা বোৰ 'স্কুটিনি'

কৰি চোৰাৰ পিছত যেতিয়া "চুইটেবিলিটি" খিনি পূৰণ হয় সেইমতেই দিয়া হয়। 'চুইটিবিলিটি' খিনি পূৰণ কৰিলে 'হাইয়েষ্ট' বিদাৰ'ক পত্তন দিয়া হয়। কি কাৰণে দিয়া নহল চাব লাগিব।

শ্ৰীমহম্মদ আলি ঃ– মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক পত্তন দিয়াৰ ক্ষেত্ৰত মহকুমা পৰিষদ আদিৰ প্ৰস্তাৱ আদি নিবিদা বিলাকৰ লগত আছেনেকি মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ– মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে, নিম্ন ৰেটত দিলে সেইটো 'আপীল' কৰিব পাৰে আৰু তেতিয়া আমি সেইটো বিবেচনা কৰো।

※※※

## বিঃ বোকাখাট Wild Life Division ৰ কাকচাং আৰু শিলভেটা শিলৰ কুৱেৰী

শ্ৰীহেম প্ৰকাশ নাৰায়ণে সুধিছে ঃ

* ১৪২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে–

(ক) ১৯৭৯-৮২ সময়ছোৱাৰ ভিতৰত বোকাখাট Wild Life Division ৰ কাকচাং আৰু শিলভেটা শিলৰ কুৱেৰী দুটা কাৰ আৰু কিমান টকাত বন্দবস্তী দিয়া হৈছিল ?

(খ) উক্ত দুটা শিলৰ কুৱেৰীৰ পৰা চৰকাৰে পাবলগা ৰাজহ আদায় দিবলৈ কিমান বাকী থাকিল ?

(গ) এই বাকী থকা ৰাজহ আদায় কৰাৰ কিবা ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীধনীৰাম ৰংপী ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১৪২। (ক) পূব অসম বন্য প্ৰাণী সংমণ্ডলৰ অধীনত থকা শিলৰ কুৱেৰী কাকচাং আৰু শিলভেটা দুটাৰ ১৯৭৯-৮২ সময়ছোৱাৰ ভিতৰত শ্ৰীবাবুলাল কলিতা

আৰু শ্ৰীভোলাই ৰাজবংশীৰ নামত টকা ৩৩৭৯৫·২০ পইচা আৰু টকা ৯৯৯·৯৯ পইচা বন্দবস্তী দিয়া হৈছিল ।

(খ) উক্ত শিলৰ কুৰেৰী দুটাৰ পৰা চৰকাৰে পাবলগা ৰাজহৰ পৰিমান হল—কাকচাং টকা ২৫৩৪৪·০০ শিলভেটা টকা ৪৯৯৫·০০ । দুটা কুৰেৰীৰ মুঠ পাবলগা ৰাজহৰ পৰিমাণ হল— টকা ৩০৩৩৯·০০ ।

(গ)— শিলভেটা কুৰেৰীৰ বাবদ পাব লগা ৰাজহ আদায় দিবৰ কাৰণে সময়ে সময়ে নটিচ জাৰি কৰি থকা হৈছে । এতিয়া বাকীজাই কেছ দিবলৈ প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে ।

কাকচাং কুৰেৰীৰ বাবে পাবলগা ৰাজহ আদায় দিবলৈ নটিচ জাৰি কৰা সত্বেও শ্ৰীবাহুলাল কলিতাই উক্ত টকা পৰিশোধ কৰা নাই। শ্ৰীলৈ চিংহাৰ বোলা লোক এজনৰ আবেদন ক্ৰমে উচ্চ ন্যায়ালয়ে কুৰেৰীৰ কাম বন্ধ ৰাখে আৰু উৰ্চ্চ ন্যায়ালৰ নিৰ্দ্দেশ মতে উক্ত কুৰেৰী শ্ৰীচিংহাৰৰ নামত ১-৯-৮৩ ৰ পৰা ৩১-৮-৮৬ লৈ বন্দবস্তী দিয়া হয় ।

শ্ৰীহেম প্ৰকাশ নাৰায়ন ঃ— মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী ললিত সিংহা আৰু শ্ৰী বাহুলাল এই নাম দুটা ইয়াত ভুলকৈ দিয়াৰ কিবা কাৰণ আছেনেকি ? এই দুজন মানুহৰ লগত সিংহা বোলা মানুহ জনে টেণ্ডাৰ দিছিল । এইটো জানেনে ?

শ্ৰী ধনীৰাম ৰংপী (মন্ত্ৰী) ঃ— সেইটো কথা মই নাজানো ।

শ্ৰী হেম প্ৰকাশ নাৰায়ন ঃ—উত্তৰত কোৱা হৈছে যে শ্ৰীবাহুলালে ৩৩৭৯৫·২০ টকা আৰু শ্ৰীভোলাই ৰাজবংশীয়ে ৯৯৯·৯৯ টকাত চেটলমেণ্ট পাইছে । এখেত সকলে প্ৰথম কিস্তিত দিয়ে। ৩০৩৩৯·০০ টকা বাকী থাকিল । এখেত সকল ইমান টকা ডিফলটাৰ হৈ থকাটো পুনৰ টেণ্ডাৰ পালে। শ্ৰীসিংহাও ডিফলটাৰ হৈছিলনেকি ?

শ্ৰী ধনীৰাম ৰংপী (মন্ত্ৰী) ঃ— শ্ৰী ৰাজবংশী আৰু শ্ৰী কলিতা ডিফলটাৰ হৈ থকা কথাটো জানো । শ্ৰী সিংহা ডিফলটাৰ হোৱাৰ কথাটো নাজানো।

## Re : Buraburi Lift Irrigation.

Shri DURGESWAR PATIR asked :

* 143. Will the Minister, Irrigation be pleased to State–

(a) Is it a fact that although the estimated cost for Buraburi Lift Irrigation Projcct was Rs. 28 lacs, the tender for Rs. 80·00 lacs by M/S Subhas Trading was accepted denying many reputed firms who are ready to complete the works with Rs. 40·00 lacs only.

(b) Whether it is also a fact that the public made allegations against the above settlement of work ?

(c) If so, what actions have been taken by Govt. in this regard ?

Shri ZAHIRUL ISLAM (Minister, Irrigation) replied :

143. (a)–It is not a fact that estimated cost of Buraburi Irrigation schemes was for Rs. 28·00 lacs. The original estimate was sanctioned for Rs. 100·00 lacs. But revised estimated cost at present is likely to be 142 lacs. As regards mechanical & electrical component, tender of M/S Subhas Project & Marketing (P) Ltd. , at Rs. 69·89 lacs were lowest though no allotment of the work so far made to any body. It is not correct to say that another firm has offered to work at Rs. 40·00 lacs.

(b)– The contract has not yet been settled. However two allegations have been received against settlement of works against the lowest tenderer M/S Subhas Project and Marketing (P) Ltd.

(c)—It is often found that there are group rivalries amongst different tendering parties who furnish materials for allegation against each other Govt. would advise the officers in the various tender Selection Committee to formulate thier recommendation without any fear or favour.

শ্ৰী দূৰ্গেশ্বৰ পাটিৰ ঃ— মেচাৰ্চ সুভাচ ট্ৰেডিঙে টেকনিকেল ডাটা নিদিয়াকৈ টেণ্ডাৰ একচেপ্ত কৰা কথাটো সঁচানে ?

শ্ৰী জেহিৰুল ইচলাম (মন্ত্ৰী) ঃ– চিলেকচন কমিটিয়ে ৰিকমেণ্ড কৰিছে যদিও এতিয়াও ফাইনেল হোৱা নাই ।

শ্ৰী দূৰ্গেশ্বৰ পাটিৰ ঃ— টেণ্ডাৰ দিওতে টেকনিকেল ডাটা দিব লাগেনে নালাগে ?

শ্ৰী জেহিৰুল ইচলাম (মন্ত্ৰী ঃ– দিব লাগে ।

শ্ৰী দূৰ্গেশ্বৰ পাটিৰ ঃ– টেকনিকেল ডাটা নিদিয়াকৈ সুভাচ ট্ৰেডিঙৰ টেণ্ডাৰ কেনেকৈ ৰিকমেণ্ড কৰিলে ?

শ্ৰী জেহিৰুল ইচলাম (মন্ত্ৰী) ঃ– এইটো বৰ্ত্তমান মোৰ লগত নাই ।

শ্ৰী দূৰ্গেশ্বৰ পাটিৰ ঃ– সুপাৰিনটেণ্ডিং ইঞ্জিনিয়াৰে টেকনিকেল ডাটা নোহোৱাকৈ কেনেকৈ ৰিকমেণ্ড কৰিবলৈ পৰামৰ্শ দিব পাৰিলে ?

শ্ৰী জেহিৰুল ইচলাম (মন্ত্ৰী) ঃ– এইটো ৰিপৰ্ট মোৰ লগত নাই ।

শ্ৰী দূৰ্গেশ্বৰ পাটিৰ ঃ– মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত তদন্ত কৰি চাবনে ?

শ্ৰী জেহিৰুল ইচলাম (মন্ত্ৰী) ঃ– টেণ্ডাৰ কল কৰা হৈছে । সকলো বিলাক টেণ্ডাৰ পৰীক্ষা কৰি চাইহে সিদ্ধান্ত গ্ৰহণ কৰা হব ।

*****

## বিঃ বিজনী জুইশলা কাৰখানাৰ শ্ৰমিক সন্থা

শ্ৰী চন্দ্ৰধৰ কলিতাই সুধিছে ঃ

* ১৪৭। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বিজনী জুইশলা কাৰখানাৰ শ্ৰমিক সন্থাৰ সাধাৰণ সম্পাদক আৰু সন্থাটোৰ কাৰ্য্যনিৰ্বাহকৰ সদস্য এজনক ইউনিয়ন কৰাৰ অপৰাধত চাকৰিৰ পৰা বৰ্খাস্ত কৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত শ্ৰমিক দুজনে ১৯৮১ চনৰ ফেব্ৰুৱাৰী মাহত বৰ্খাস্ত কৰণৰ বিৰুদ্ধে ধুবুৰীৰ সহকাৰী শ্ৰম বিষয়াৰ জৰিয়তে চৰকাৰৰ ওচৰত আপীল কৰা বিষয়ে চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

(গ) উক্ত আপীল সংক্ৰান্তীয় ফাইলটো চৰকাৰৰ শ্ৰম দপ্তৰৰ পৰা হেৰাইছে বুলি উঠা অভিযোগটো সচানে ?

**ৰামেশ্বৰ ধ্ৰানোৱাৰ (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

১৪৭। (ক) হয়, বৰখাস্ত কৰাটো জানে; কিন্তু ট্ৰেড্ ইউনিয়ন কৰাৰ অপৰাধত বৰ্খাস্ত কৰা কথাটো সঁচা নহয়।

(খ) হয়, সহকাৰী শ্ৰম আয়ুক্ত (Asstt. Labour Commissioner) ৰ জৰিয়তে পৰিচালন সঞ্চালক (Managing Director) অসম ক্ষুদ্ৰ উদ্যোগ নিগম (Assam Small Industries Development Corporation) ক তেওঁলোকৰ বৰখাস্তকৰণৰ পুনৰ বিবেচনাৰ কাৰণে অনুৰোধ জনোৱা হৈছিল কিন্তু পৰিচালন সঞ্চালকৰ পৰা এতিয়ালৈকে কোনো সহাৰি পোৱা নাই।

(গ)—এই কথা সঁচা নহয়।

শ্ৰীচন্দ্ৰধৰ কলিতা ঃ— সাধাৰণ সম্পাদক আৰু এজন কাৰ্যনিৰ্বাহক সদস্যক বৰখাস্ত কৰা হৈছে বুলি কৈছে। মই জানিব বিচাৰিছো যে এই লোক কেইজন তাৰ বিষয়া আছিলনেকি ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী)ঃ- হয়, আছিল।

শ্ৰীহেমেন দাস ঃ— কি অপৰাধৰ কাৰণে বৰখাস্ত কৰা হৈছে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী)ঃ- তেওঁলোকে নিয়মৰ বাহিৰত কাম কৰাৰ কাৰণে বিভাগীয় অনুসন্ধান কৰি বৰখাস্ত কৰা হৈছে ।

শ্ৰীহেমেন দাস ঃ- এখন ইউনিয়নৰ কাম কৰিলে তাৰ কাৰণে অকল সম্পাদক জন দায়ী হব নোৱাৰে ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী)ঃ- তেখেত সন্থাৰ সাধাৰণ সম্পাদক হলেও এই ক্ষেত্ৰত আইনৰ যি বিধি ব্যৱস্থা সেই মতেহে বৰখাস্ত কৰা হৈছে ।

Undisposed starred Questions dated 22-9-89

RE : MURDER OF KASEM ALI

Shri AMIR HAMCHA TALUKDER. asked :

*148. Will the Chief Minister be pleased to state —

(a) Whether the Government is aware that one Kashem Ali of village Chatla, P.S. Barpeta, while going from Baniakuchi to Barpeta on bus was killed by some unsocial elements on 22nd July, 1983 ?

(b) whether any criminal case has been registered to that effect ?

(c) If so, what is the number of the case and how many persons have been arrested in connection with the case ?

(d) Whether any ex-gratia grant has been sanctioned in favour of the heirs of the deceased Kashem Ali ?

(e) If not the reasons thereof ?

Shri HITESWAR SAIKIA, (Chief Minister) replied :

148. (a)-Yes.

(b)- Yes.

(c)-Case No. 392/83 U/S 147/341/302/201/120(B) IPC has been registered at Barpeta P.S 33 persons have so far been arrested in this case.

(d)-Ex-gratia grant of Rs. 5000 has been paid to Smti Safia Begum wife of the deceased Kashem Ali.

(e)-Does not arise.

RE : UDALGURI SUBDIVISION.

Shri BINOY KUMAR BASUMATARI asked :

*149. Will the Chief Minister be pleased to state—

(a) Whcther it is a fact that Udalguri Subdivision was inauguranted on 15 August 1983 within Darrang District ?

(b) If so Whether the Subdivisional headquarter is now functioning ?

(c) If so, from where.

(d) Whether the office premises are rented or requisitioned ?

(e) Whether it is a fact that the District Administration had to use force to aquire the premises.

Shri HITESWAR SAIKIA (Chief Minister ) replied :

149. (a)-Yes.

(b),(c)- The Subdivisional head quarter is now functioning from Udalguri.

(d)- The office premises are taken on requisition.

(e)- Does not arise in view of the reply to the Question. 'd'

# SHORT NOTICE QUESTIONS AND ANSWERS

Date : 22nd September, 1983

---

## RE : AD-HOC GAON PANCHAYAT

Shri BINOY KUMAR BASUMATARY asked :

3. Will the Minister, Panchayat be pleased to state-

(a) Whether it is a fact that the Ad-hoc Gaon Panchayats have been constituted all over the state ?

(b) If so, whether it is also a fact that Gaon panchayat won by members with the support of the P.T.C,A. in Darrang District have been left out ?

(c) If so, why ?

(d) Who will administer such Gaon Panchayats ?

Shri UPENDRA DAS (Minister, Panchayat) replied :

3. (a)- Yes, Except 9(nine) G. Ps.

(b)- No

(c)- Does not arise.

(d)- Does not arise.

Shri Benoy Kumar Basumatari :-Sir, the Hon. Minister, Panchayat has admitted that nine Gaon Panchayats have not yet been reconstituted. Now with reference to these 9 G. Ps. , who will administer them ?

Shri Upendra Das (Minister) :— Sir wherever Ad-hoc Committees for Gaon Panchayats have not yet been formed, Secretaries of those Gaon Panchayats will have to administer the day to day routine works until further arrangements.

Shri Benoy Kumar Basumatari :- Sir, will the Hon. Minister inform the House as to why the Adhoc Committees in respect of these nine Gaon Panchayats could not be formed ?

Shri Upendra Das (Minister) :— Sir, suggestions for constitution of the various Ad hoc Committees of Gaon Panchayats were invited from the Hon. Members and other organisations. Wherever full information were received these were considered and Ad-hoc Committee were formed; but these nine Ad hoc Committees could not be constituted either due to non-receipt of any suggestions or due to non-receipt of complete lists.

Shri Benoy Kumar Basumatari :— But Sir, I had submitted the list to the Hon. Minister about 3 months back so far as the G. Ps. in my constituency are concerned.

Shri Upendra Das (Minister) :— Sir, the list submitted by the Hon. Member had already been considered and the G. P. Adhoc Committees had already been formed along with other Gaon Panchayat Adhoc Committees.

শ্ৰী হৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, কিও ৯ খন গাওঁ পঞ্চায়তত তদাৰ্থ কমিটি কৰিব পৰা নাই কিয় ?

Shri Upendra Das (Minister) :... Sir, Adhoc Committees in respect of nine G. Ps. could not be formed yet. These are— under Gauhati Mahkuma Parishad, Madhukuchi Gaon Panchayat for reason of incomplete suggestions ; under Nalbari Mahkuma Parishad-Tihu G. P.-no suggestion received, Barama G. P. , Nambarbhag G. P. & Paschim Baska G. P. for reason of incomplete suggestions; then under Nowgaon Mahkuma Parishad-Raidingia G. P. and Barapujia G. P. for reason of having no suggestions received; next under Barpeta Mahkuma Parished for Manikpur Gaon Panchayat, no suggestion received; and under Mangaldoi Mahkuma Parishad for Sarabari Gaon Panchayat for reason of incomplete suggestion.

Shri Benoy Kumar Basumatari :— Sir, what is the reason for including teachers in the Adhoc Committee for Barsilaghat Gaon Panchayat which had P. T. C. A. members earlier ? That is one question.

Shri Upendra Das (Minister) :- Sir, it was not known whether a member of the Adhoc Committee was a teacher or not. I have no such information. His name might have been suggested for inclusion in the Adhoc Committee.

Shri Benoy Kumar Basumatari :- Sir, my second question is-in Barsilaghat Gaon Panchayat which used to be always formed by members belonging to tribals, has now included non-tribals. What is the reason of putting immigrant Muslims in place of tribals in this Gaon Panchayat Ad-hoc Committee ?

Shri Upendra Das (Minister) :- Sir, there is no bar for a member belonging to minority commity to become a member of the Gaon Panchayat. There is an enunciated policy of the Government to effect proportional representation of different Communities in every Gaon Panchayat and Mahkuma Parishad.

Shri Benoy Kumar Basumatari :- Sir, where is the proportional representation here ? There are tribals majority in the G. P. area. Now there are 50 per cent non-tribal members in the G. P. Adhoc Committee and rest 50 per cent tribals members whereas 80 per cent of the population in the area are tribals. What is the reason of putting 50% people from the minority Commities in this G. P. at Barsilaghat ?

Shri Upendra Das (Minister) :- Sir, I have already said, there is no bar for any person to become a member of the Gaon Panchayat if he resides in the same village. There is no election and according to Hon. Member's suggestions, the various Ad-hoc Committees of G. Ps. have been constituted.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ– অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে বিধায়ক সকলে দিয়া লিষ্টৰ ওপৰত ভিত্তি কৰিহে এড-হক গাওঁ পঞ্চায়তবোৰ গঠন কৰা হৈছে। কিন্তু এই বিধায়কে দিয়া লিষ্টৰ পৰিবৰ্ত্তন কৰি তদৰ্থ গাওঁ পঞ্চায়ত কমিটি গঠন কৰা হৈছে নেকি ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ– বিধায়কে যি লিষ্ট দিছে তাৰ বাহিৰেও আমাৰ পাৰ্টিৰ সংগঠনৰ ফালৰ পৰাও কিছুমান মেম্বাৰ, চেক্ৰেটৰীয়ে সমাজ কৰ্ম্মীৰ লিষ্ট পঠাইছে। সেই অটাইবোৰ চাই মেলি গঠন কৰা হৈছে।

শ্ৰীহেমেন দাস ঃ–অধ্যক্ষ মহোদয়, এই তদৰ্থ গাওঁ পঞ্চায়ত কমিটি গঠন কৰাত বহুতো জনজাতীয় লোক বাদ পৰিল বুলি অভিযোগ উঠিছে। যিবোৰ কমিটিত জনজাতীয় লোক বাদ পৰিছে তেওঁলোকক পুনৰ লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰথমে কলে যে বিধায়কসকলে দিয়া তালিকাৰ ওপৰত ভিত্তি কৰিয়েই এই কমিটি গঠন কৰিছে। তাৰ পিচত আকৌ কলে যে পাৰ্টিৰ বিভিন্ন বিষয় ববীয়া সকলে পঠোৱা তালিকাৰ পৰাও কমিটিত মানুহ লোৱা হৈছে। গতিকে তেখেতৰ কথাৰ কোনটো সত্য বুলি ধৰিব পাৰি।

Shri Upendra Das (Minister) :– Mr Speaker sir, I have already told not only the suggestions of the Hon. Members but also the suggestions made by other organisations in this regard, have been taken into consideration while constituting Adhoc Committees of G. Ps., I have already mentioned that.

শ্ৰীমোহন বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, বিধায়কসকলে দিয়া লিষ্টৰ পিচতো এতিয়ালৈকে কিমানখন গাওঁ পঞ্চায়ত গঠন কৰা হোৱা নাই।

শ্ৰীচন্দ্ৰধৰ কলিতা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে বিধায়ক সকলে বাচি দিয়া বা বাচি দিয়াৰ পিচতহে সেই সদস্য

সকলক লৈ গাওঁপঞ্চায়তৰ এধক কমিটি গঠন কৰা হৈছে। কিন্তু মই নিজে নলবাৰী সমষ্টিৰ বিধায়ক হৈ কোনো লিষ্ট চাবমিট কৰা নাই। তেনে ক্ষেত্রত মন্ত্রী মহোদয়ে কেনেকৈ এধক কমিটি গঠন কৰিলে ?

শ্রীউপেন দাস (মন্ত্রী) ঃ– যিহেতু মাননীয় সদস্য গৰাকীৰ পৰা কোনো লিষ্ট নাহিল তাত থকা বিভিন্ন অনুষ্ঠান আৰু পাৰ্টিয়ে যি লিষ্ট দিছে সেই লিষ্টৰ পৰাই এধক কমিটি গঠন কৰা হৈছে।

শ্রীবৰ্গৰাম দেউৰী ঃ– অধ্যক্ষ মহোদয়, যিহেতু মন্ত্রী মহোদয়ে কৈছে যে ৯খন গাওঁপঞ্চায়ত কৰি দিয়া হোৱা নাই। কিন্তু আমাৰ তাতেই এতিয়া– লৈকে ৩খন কৰি দিয়া নাই। তেনে ক্ষেত্রত এই লিষ্টখন কিমানদূৰ সঁচা এই কথাটো মন্ত্রী মহোদয়ে জনাবনে ?

শ্রীউপেন দাস (মন্ত্রী) ঃ– এইটো ৰেকৰ্ড চাই দিয়া হৈছে। যদি কৰবাত ভুলতে ৰৈ গৈছে সেইটো চাব লাগিব।

***

# UNSTARRED

# QUESTIONS AND ANSWERS

Date : 22nd September, 1983.

## RE : VEHICLES UNDER ASRTC

Shri SIRAJ UDDIN asked :

9. Will the Minister, Transport be pleased to state–

(a) The number of vehicles plying under ASRTC ?

(b) Whether these vehicles are properly checked, supervised before plying ?

Shri JAGANNATH SINHA (Minister, Transport) replied :

9. (a)- About 500 vehicles ASTC now run daily on an average.

(b)- Each vehicle is checked by the maintenance staff before sending out on a day's trip,

Mr. Speaker - Now item No. 2.

Shri Binoy Kumar Basumatary :- Sir, under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the 'Alok' dated 1-7 August, 1983 under the caption "Naba gathita Mongoldoi Zila ৪ Bharatar Dwitiya Chambal."

Sir, there are lot of reactions regarding the creation of Udalguri subdivision. The reason is Kalaigaon Tribal Belt and Block which is the largest Tribal Belt and Block has allowed encroachment by people from south of the district, particularly from Mongaldai and Sipajhar areas and these people have formed some sort of colony in the tribal areas and they have developed some vested interest. Therefore, they are trying to discredit the new Udalguri subdivision as the second 'Chambal' of the country. Sir, this opinion that is expressed by this Paper has been widely accepted even by the Government. For instance, Sir, here is a written appeal by the students' union that tribal girls are mostly stolen from cinemas and puja pandals during the pujas there;-

* Speech not Corrected

fore, Tangla Regional Rabha Students' Union and Bodo Regional Students' Union have widely circulated through appeals that tribal girls should not be allowed in the towns after 4 O' clock. Sir, but the police particularly Abu Laise has arrested leaders of the students and he openly said that these tribal boys and girls are supporters of PTCA and PTCA itself is a gang of dacoits. Sir, not only that, the paper says that I have personally arranged arrest of one murderer named Rameswar Sarma and this Rameswar Sarma had murdered one teen-aged girl named Anima Medhi. Sir, again on the 'Alok' of 22-28 August, this paper has again misrepresented the facts of this murder. Actually, Sir,this Rameswar Sarma is an agitationist and he had murdered this girl belonging to Koch community and there is now a sort of underground movement conducted by this vested interest that the Uqalguri subdivision should not be maintained as it is or should not be allowed to remain as it is and it has to be bifurcated and even the ruling party is visiting our tribal people at night and collecting signatures that this Udalguri subdivision should be further divided. Sir, I read before the House thc Medical certificate about the injuries meted out to the boys who were arrested on the 18th of this month. Here is the report : Haematoma in the left side of black situated 8cm below the lower angle of (Lt) scapula, tranverse in direction, skin is dusky red, tenderness present . I have two reports. Sir, I cannot go through

this medical terminologies with which I am not familiar but, Sir, a concerted action is going on that these areas where PTCA has large supporters, these people–the vested interested people have tried to brand these tribal people as dacoits. So we wish to know the Govt.'s position. The situation in Udalguri subdivision is not at all peaceful because election in two constituencies are yet to be completed- one is Sipajhar and the other is kalaigaon. Sir, in Sipajhar and Kalaigaon constituencies the problem is about election. In Sipajhar and Kalaigaon constituencies till the night of 17th February no murder or arson took place but even then elections were not held. But the members of the rulling party who were contesting candidates have been given full authority. For instance there were four candidates in Kalaigaon constituency but the Congress (I) candidate is made member of the Land Advisory Committee, Elementary Education Board and all sorts of commitees, thus giving him advantage which is violative of election rules. Similarly, in Sipajhar also the Congress (I) candidate is given preference over others. Therefore Sir, due to this advantage given to the Ruling Party candidates, a feeling of revolt is there in the area and there is undercurrent of tension prevailing. The people feel that even the unelected partymen are also getting the same facilities as the elected members which is the main reason for the tension going on in my area and it is this group which is trying to

say that the tribals are decoits and in fact our party candidate of Kalaigaon and his young boys have all been arrested under charge of decoity. So, this is a very sad situation and we wished to be informed about it by the Govt. And we wish to know whether the tribals will be declared as decoits as propagated by these papers.

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, Hon, member Shri Basumatari is to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the 'Alok' dated 1-7th August, 1983 unner the caption 'Nava Gathita Mongoldoi Zila Bharatar Dwitiya Sambal' but he has raised someother points published in someothers papers. He also raised some points published in the paper of 20th August and someother leaflets and therefore Sir, it may not be possible for me to reply to those points, but I will look into these matters. However, Sir, I shall confine myself to the matter raised by him under Rule 301 of the Rules of Procedure and conduct of Business in Assam Lagislative Assembly. Mr. Speaker Sir,

The Govt. is aware that there has been an increase of dacoity cases in the newly created Darrang (Mangaldoi), District during the current year.

Darrang District consists of two Police Circles viz. Udalguri and Mangaldoi. The Mangaldoi Circle consists of Mangaldoi, Kalaigaon and Dalgaon Police stations where

as Udalguri Circle consists of Udalguri, Mazbat and Paneri Police Station.

The community- wise break-up of families in whose houses dacoity was committed from the 1st January, 1983 to 16th September, 1983 in Udalguri circle are as follows:-

| Name of Community | | Number of Houses. |
|---|---|---|
| 1. Assamese | ... | 8 |
| 2. Bengales Hindu | ... | 6 |
| 3. Tribal | ... | 5 |
| 4, Napales | ... | 5 |
| 5. Rajasthani | ... | 2 |
| 6. Others | ... | 2 |
| | Total : | 28 |

In connection with these 28 cases, the police has so far arrested 100 suspected persons. Out of these, 3 cases have already been charge-sheeted and other cases are pending for completion of investigation.

Similarly the community-wise break-up of houses in which dacoity took place in the Mangaldoi Circle are given below :-

| Name of Community | | No. of Houses. |
|---|---|---|
| 1. Assamese Hindu | ... | 14 |
| 2. Assamese Muslim | ... | 2 |
| 3. Bengalee Hindu | ... | 5 |
| 4. Bengalee Muslim | ... | 8 |
| 5. Bihari | ... | 1 |
| | Total : | 30 |

Police have so far arrested 45 suspected persons in these cases and investigation is proceding.

Although dacoity cases have been increased in the District of Darrang particularly in Mangoldoi and Paneri Police Stations in 1983, it is not a fact that 4/5 dacoities are being committed every day. In Mangoldoi Police Station area most of dacoity cases have taken place in the areas which are involved in the current agitation and extremist activities. In this connection west Mangoldoi area including part of Kalaigaon Police Station may be mentioned.

The investigation of the dacoity cases reveals that two types of gangs are operating namely (1) Old and veteran criminals collided with young gangs mostly drop-outs and unemployed youths and (2) New gang formed by young persons who are involved in current agitational and extremists activities. The second group is Suspected to be committing dacoity for (a) collection of funds for extremist activities and (b) for personal gains and pleasures. A number of such young persons like Mohendra Mohan Choudhury and Pankaj Goswami (extrimists) have been arrested by Police recently. In Panery Police eleka the old criminals and had characters (Mostly Bodo Kachari ) are involved. Here the Assemese Hindu people are--Mostly the target of dacoity though people belonging to other communities are also not;

Regarding murder of Sahiuddin.

(1) Sahiuddin of vilage Kaikara was murdered on 11.7.83 by shooting from a sten gun by Hari Charan Sarma (BSF Havildar). The stengun was seized and the accused arrested subsequently in case of Bezera Bank Robbery. The case is under investigation.

Sahiuddin was a criminal. He used to put up resistance to the extremists of the area.

2. Nausad Ali :- Nausad Ali is a veteran Dacoit of village Alikhapara. He was involved in Mangoldoi Police Station case No. 175/83 U/S 395/397 IPC. At the time of his arrest he tried to run away and Police had no other alternative but to fire upon him and arrest him.

(3) Dacoities from 1st April to 2nd June : It is not a fact that 42 dacoities took place within these 62 days. 12 dacoities were committed during this period in this district.

As regards the paragraph of the news item alleging that the Hon'ble Member Shri Binoy Kr. Basumatari led a police party in the matter of arrest of Shri Rameshwar Sharma on 28th June, 1983, and non-registration of dacoity case filed by Shri Kanak Sharma of Mougaon by Kalaigaon Police Station, Government have no such information.

In conclusion, I would like to assure the House that all out efforts are being made to curb the dacoity menace in the Darrang District and to being the

culprits responsible for such crime to book. I also seek the co-operation and suggestion from the Hon'ble Members for tackling this problem.

Sir, it is not the intention of the Govt. to declear the tribals as decoits or criminals. Sir, decoits are decoits and criminals are criminals. I can assure the House that all out efforts are being made to curve the decoity business. I seek the co-operation and suggestions from the hon.members in tacking this problem.

শ্ৰীহেমেন দাস ঃ- অধ্যক্ষ মহোদয়, মই অলপ স্পষ্টিকৰণ বিচাৰিছো। আন্দোলনৰ সন্তান কিছুমান ডকাইত হৈ গ'ল। মঙ্গলদৈ নব গঠিত জিলাত এই বিশেষ পৰিস্থিতিক মোকাবিলা কৰাৰ ক্ষেত্ৰত পুলিচৰ ফালৰ পৰা কি কি ব্যৱস্থা কৰিব বিচাৰিছে মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ- অধ্যক্ষ মহোদয়, পুলিচৰ ফালৰ পৰা ডকাইট বিলাকক ধৰি কেচ বিলাক ইনভেষ্টিগেচন কৰি গোচৰ আৰম্ভ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীহেমেন দাস ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ বক্তব্য সামৰণি মৰাৰ বাবে আজি আকৌ উঠিছো। কালি কথা প্ৰসঙ্গত কৈছিলা যে মাজ ৰাতি পুলিছে কষ্ট কৰি অপৰাধীক এৰেষ্ট কৰে আৰু ১২টাৰ পিচত পুলিচৰ সন্মুখেদি বুকু ফিণ্ডাই গুচি যায়। সেই কথাটো চৰকাৰৰ কাৰণে সমস্যা হৈছিল আৰু মাননীয় মুখ্যমন্ত্ৰীৰ বিবৃতিটো এই কথাটো ইয়াত উল্লেই কৰিছে— the context of present law and order situation in the State, it is essential that the existing provisions regarding grant of bail should be made stringent so that the miscreants or offenders are not set at large summarily to intimidate persons or the sufferers affected by the disturbances"

* Speech not Corrected

কথাটো নহোৱা নহয়, অপৰাধী সোমায় আৰু ওলাই যায় তেনেহলে অপৰাধ নিয়ন্ত্রণ কৰাৰ কাৰণে বা শান্তি শৃংখলা স্থাপন কৰাৰ কাৰণে চৰকাৰে চেষ্টা নকৰে। এইটো এটা সমস্যা হৈ পৰিছে। অপৰাধ বিলাক অহা যোৱা কৰা নাই- অহা যোৱা কৰিবলৈহে দিয়া হৈছে। এইটো এজন বিশেষ ব্যক্তিয়ে দিছে নেকি ? এজন বিশেষ ব্যক্তিয়ে দিয়া নাই। যি ধৰণৰ মানুহেই নহওঁক জুদিছিয়েল বা এক্সজিকিউটিভ মেজিষ্ট্ৰেতে হওঁক সেই মানুহক দিয়া নাই। কিন্তু দিছে—আইনে দিছে - সেই বিচাৰক জন আইনৰ মানুহে, গতিকে তেওঁক জামিনত এৰি দিছে। তাৰ বাবে আমি এটা বিশেষ ব্যৱস্থাৰ ওপৰত চাব লাগিব যে আইনে আমাক কেনে ধৰণে সহায় কৰিছে। এই আইনে অপৰাধ নিয়ন্ত্রণ কৰিব পাৰিছে নেকি ? এই আইন অপৰাধ নিয়ন্ত্রণৰ কাৰণে যথেষ্ট নহয়। আজি যিজন মানুহে সেই আসনত নবহক লাগিলে তেওঁ যদি আইন মতে কাম কৰে, চি,পি,চি আৰু আই,পি,চি আদি আইন মতে যদি জামিন দিব পৰাৰ ব্যৱস্থা থাকে তেনেহলে তাক জামিনত দিব। জামিন দিব পৰা এটা ব্যৱস্থা ৰখা হৈছে। কিন্তু যাৰ মাটি ভেটি নাই তাৰ কাৰণে এই ব্যৱস্থাটো নাই। এই আইন শ্ৰেণী স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণেহে হৈছে। কাৰণ সেই জামিনদাৰ জন যদি মাটিহীন মানুহ হয় তেতিয়া তেওঁ সেই দিনৰ পৰা ১০ মাহ পিচতো জামিন নেপায়। প্ৰশ্ন সেইখিনিতে। আইন যে শ্ৰেণী স্বাৰ্থৰ কাৰণে সেই বিষয়ে মই কব খুজিছো। যি সকলৰ মাটি ভেটি নাই সেই সকল জামিন হব নোৱাৰে। ভাৰতৰ কোনো নাগৰিকৰ জামিন হোৱাৰ অধিকাৰ নাই। গতিকে তেনে শ্ৰেণীৰ মানুহ যদি গ্ৰেপ্তাৰ হয় আৰু যদি তেওঁক জামিন দিব খোজে তেতিয়াও তেওঁ পুলিচৰ পৰা যাব নোৱাৰে। এই আইন গণ্ডীৰ ভিতৰত আইন শৃংখলা ৰক্ষা কৰাৰ কাৰণে এটাৰ পিচত এটা চেষ্টা কৰি থাকিব পাৰি কিন্তু সাফল্য ক'ত ? যদি ইয়াক চোৱা যায় তেতিয়া দেখা যায় ইয়াৰ সংশোধন আনিছে। জামিন দিব নালাগে। ইয়াত কি কি কেচ পৰিছে তাৰ ধাৰা বিলাক ইয়াত দিয়া আছে। কিন্তু লগতে আৰু এটা দিয়া আছে that such person is under the age of sixteen years or a woman or a sick or an infirm person.

গতিকে চৰকাৰে ভাবিছে যে এই সো-সোকৈ অহা যোৱা কৰাটো বন্ধ কৰাৰ কাৰণে আমি আইন আনিছো, সংশোধন আনিছো। কিন্তু এইটো

* Speech not Corrected

নহয়, কিছুমান মানুহক সোনকালে জামিন দিয়ে কাৰণ সংশোধনৰ শুৰুঙা আছে। এই সংশোধন অনাতও চৰকাৰ ব্যৰ্থ হব । কিছুমানে বেমাৰ বুলি কৈ চিকনেচ চাৰটিফিকেট আদায় কৰে আৰু জামিনত আহে । এনেকুৱা আইন আছে।

এই আইনৰ সুযোগ সুবিধাবিলাক আজিও আছে, আগতেও আছিল আৰু সংশোধনো আছে। মই বহুবাৰ কেচত পৰিছো বিৰাট বিৰাট কেচ-বহুতো অপৰাধৰ কাৰণে । মই বহুতো হাৰাশাস্তি খাই কেচ বিলাকত উপস্থিত হৈছিলো । এইবিলাক মোৰ নিজৰ অভিজ্ঞা আছে ।

মই ১৯৭১ চনত এটা কেচত পৰিছিলো । আমাৰ ঘৰৰ পৰা ১০ মাইল দূৰত জুই লাগিছে । তেতিয়া মোক আৰচন কেচত এৰেষ্ট কৰিলে । তেতিয়া মই এজন বন্ধুৰ পৰামৰ্শ মতে এখন মেডিকেল চাৰ্টিফিকেট প্ৰডিউচ কৰিলো । তাৰ পিচত দ্বিতীয় দিনা মই জেইলৰ পৰা ওলাই আহিলো । জেইলত ৰাখিব মোক নোৱাৰিলে । আজি চৰকাৰে সংশোধন অনাই নহয় বহুতো চেকশ্বন আনিছে জামিন দিবৰ কাৰণে নহয়, জামিন দিব নোৱাৰে । মোৰ এবাৰ বেমাৰ হৈছিল--শৌচ কৰাত তেজ ওলায় । কিবা বেমাৰ বোলে । তেতিয়া যদি কোনোবা এজন ডাক্তৰে এখন চাৰ্টিফিকেট দিলেই ( আমাৰ পুলিচ ডাক্তৰে কৰিব ) সব কৰা আছে । এই বিলাক যাতে চিচমেটিক হয় তাৰ বাবে নজৰ ৰাখিব লাগে । এই আইন কঠোৰতকৈ কঠোৰতম কৰিলে দেশত আইন শৃঙ্খলা আনিব পাৰিব--কিন্তু ভবিষ্যতে এটা সমস্যাই দেখা দিব । সেই সমস্যাটো কি মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ বিবৃতিত স্তৰে স্তৰে সেই কথা কৈছে । আজি ছাত্ৰ সকলে আন্দোলন কৰিছে । এই আন্দোলনত ভিত্তি কৰিয়েই সকলোবোৰ সমস্যাৰ সৃষ্টি হৈছে ।

টিহু অঞ্চলৰ সন্ধেৰী আৰু হাড়ীভঙাত দুটা দকাইটি হল । প্ৰথমতে এচ, এফ আইৰ দেউতাকৰ ঘৰত হল বিভিন্ন কায়দা কৰি আমি এই খবৰ পালো । অধ্যক্ষ মহোদয়, আমাৰ অসমীয়াত এটা কথা আছে--"পালে ভূতনী পৰৰ খায় নেপালে ভূতনী ঘৰৰ খায় ।" তেওঁলোকেও পালে পৰৰ ঘৰত দকাইটি কৰে আৰু নাপালে নিজৰ মানুহৰ ঘৰতে কৰে । এজন মানুহে নিজৰ লৰাৰ অন্নপ্ৰসানৰ বাবে কেইটামান টকা আনিছিল তাকো দকাইটি কৰি নিলে। এই

দকাইটি কৰা লৰাবোৰ কোন ? এইবোৰ নৱম-দশম মান শ্ৰেণীত পঢ়া সৰু সৰু লৰা তেওঁলোকে মুখত কাপোৰ বান্ধি লয়। অৰুল বজালী আৰু টিহুতেই নহয়। বাইহাটা চাৰি আলিৰ এজন শিক্ষকৰ ঘৰতো দকাইটি হল। এই দকাইতবোৰ কোন ? এই বিলাক স্বৰ্গৰ পৰা অহা নাই ! যি সকল লৰাক দকাইটিৰ পথলৈ ঠেলি দিয়া হৈছে দৰকাৰ হলে মই সেই সকলক ক্ষমা কৰিম, কিন্তু যি সকলে দেশপ্ৰেমীৰ নামত লাখ লাখ যুৱকৰ জীৱন ধ্বংসৰ পথলৈ ঠেলি দিছে সেই সকলক মই কেতিয়াও ক্ষমা নকৰিম। আজি গাৱেঁ গাৱেঁ সৰু সৰু লৰাই দকাইটি কৰে। অলপতে সৰভোগ টাউনতে এগৰাকী আন্দোলনৰ নেত্ৰীৰ হাতৰ এডাল হাড়েই নে এটা ঘড়ী লৈ গৈছে। অথচ সেই সকলেই দেশপ্ৰেমৰ ঝান্দা তুলি আন্দোলন কৰে।

মই আগতেই কৈছিলো যে অসমৰ দৰে এখন কৃষি প্ৰধান দেশত গাৱঁৰ লৰা বোৰক স্কুলৰ পৰা একুৱাই আনি তেওঁলোকে কি কৰিব খুজিছে ? যিটো বহু দিনৰ আগতে ইটালীত হৈ গৈছে। অধ্যক্ষ মহোদয়, আপুনি জানে ইটালীৰ বাইচাইকেলৰ কাহিনী। সেই তেনেকুৱাই আজি আমাৰ পাৰাই পাৰাই হব ধৰিছে। আজি কব লগা হৈছে মঙলদৈক অসমৰ অভিশপ্ত চম্বল বুলি। বজালি, টিহুৰ বহুতো মানুহে দকাইটি কি নাজানিছিল, কিন্তু এতিয়া সেই-বিলাক ঠাইৰ ঘৰে ঘৰে দকাইটি। আজি শিক্ষানুষ্ঠানত পুলিচ প্ৰৱেশ কৰি শিক্ষানুষ্ঠানৰ পবিত্ৰতা ধ্বংশ কৰা বুলি কোৱা হৈছে, কিন্তু এই শিক্ষানুষ্টানবোৰতে নানান হত্যাকাণ্ড হব ধৰিছে। মেডিকেল কলেজত অঞ্জন চক্ৰৱতীক হত্যা কৰা হল। চৰকাৰে আজিও তাৰ বিচাৰ নকৰিলে। আন্দোলনকাৰীয়ে বাটে ঘাটে কৈ ফুৰিছিল যে কমিনিউষ্ট নিধন কৰিম আৰু আমিও কৈছিলোঁ যে কমিনিউষ্ট নিধন নহয়। সিদিনা লক্ষীমপুৰত পাঁচজন যুৱক নিহত হল। আজি শুনিছোঁ গুৱাহাটী বিশ্ববিদ্যালয়ত জেহাদ ঘোষণা কৰি (পুলিচৰ বিৰুদ্ধে) তেওঁলোকে আকৌ পুলিচ মাতি নিছে। হোষ্টেলত আজি ছাত্ৰৰ নিৰাপত্তা নাই। দমন নীতিৰ ক্ষেত্ৰত আজি যিবিলাক আইন কৰা হৈছে সেই-বিলাকৰ দ্বাৰাজানো আজি নিয়ন্ত্ৰণ কৰিব পৰা হৈছে ? জামিনৰ ক্ষেত্ৰত যিটো কৰা হৈছে সেইটো কোনোমতে ফলপ্ৰসু হোৱা নাই। মই নিজেই তাৰ সাক্ষী কেনেকৈ জামিন লৈ ওলাই আহিছোঁ।

আমাৰ ডেকা ডাঙৰীয়াই এটা ঠিক কথাকে কৈছে। ৰাজনৈতিক মোকা-মিলা কৰাৰ লগে লগে নতুনকৈ হত্যা আৰম্ভ হল। সিদিনা আমাৰ মুখ্য মন্ত্ৰী মহোদয় লক্ষীমপুৰলৈ সেইদিনা সেই অঞ্চলত প্ৰায় এক হাজাৰ মানুহ ওলাই আহিছিল। আমাৰ লৰা-ছোৱালীক হত্যা কৰিলে কোনোবা খেতিয়-কৰ লৰাই হব, কাৰণ অকঁৰা খেতিয়ক সকল এবাৰ মৈত উঠিলে আৰু নামিব নোখোজাৰ দৰে। কোনোৱাই যদি তেওঁলোকক এবাৰ আন্দোলনৰ কথা কৈছে তেন্তে তেওঁলোক আন্দোলনতে লাগি থাকিব আৰু ইয়াৰ বাবে যি কোনো কাম কৰিবলৈ বাধ্য থাকিব। বাকী যি সকলে তেজ দিম তেল নিদিওঁ বুলি সেই সকল থকা মহানগৰীতে নিৰ্ব্বাচন হবলৈ পালে আৰু তেলো নিলে, কিন্তু তেজ হলে নিদিলে। এই সকলবেই ডাঙৰ ডাঙৰ বিবৃতি বাতৰি কাকতত ওলায়। গতিকে এনেবোৰ ঘটনাৰ পৰা তেওঁলোকক আতঁৰাই আনিবলৈ হলে তেওঁলোকক বুজাব লাগিব, কোনো ৰাজনৈতিক দলৰ প্ৰভাব নেদেখুৱাই আৰু কঢ়া প্ৰসাশনৰ ব্যৱস্থা নকৰি তেওঁলোকক বুজাব লাগিব। সেই বুলি পুলিচ আৰু প্ৰশাসন নিস্ক্ৰিয় হওক এনে কথাও মই কোৱা নাই।

শ্ৰীডেকা ডাঙৰীয়াই কৈছে যে চৰকাৰৰ গাড়ী আছে আৰু তাৰে তেওঁলোকৰ মিটিঙলৈ মানুহ অনাৰ ব্যৱস্থা কৰে বাবে তেওঁলোকৰ মিটিঙত মানুহ হয়, আৰু বাকীবিলাক মিটিঙলৈ কিহেৰে মানুহ আহে? ছাত্ৰ সন্থা বা গণ সংগ্ৰাম পৰিষদে যিবিলাক মিটিং কৰে সেইবিলাকলৈও গাড়ীৰেই মানুহ আনে। পেট্ৰল ডিপুলৈ গৈ তেওঁলোকে পেট্ৰল দিবলৈ কয় আৰু সেইমতে তেল দিয়ে।

কালি আমাৰ ডেকা ডাঙৰীয়াই এই বিলাক কথা কৈছে। আমি এতিয়া জনসাধাৰণক কব লাগিব। যোৱা ১৯ তাৰিখে এখন মিটিঙলৈ গৈছিলো। সৰভোগ থানাৰ ওচিয়ে কলে যে চাইকেল মাৰি যাব নালাগে। মই কোনো ভয় নাই বুলি জানো কাৰণেই গৈছিলো। মিটিঙত তিনি চাৰি হাজাৰ মানুহ আহিল। অসমীয়া, নেপালী, বুঢ়া তিৰোতা সকলো আহিছিল। তেওঁ আচৰিত হৈছে যে এটাও পুলিচ নোহোৱাকৈ শান্তি শৃংখলা চলি আছিল। তাত চৰকাৰ নাই, আইন শংৃখলা ৰক্ষাৰো কোনো অসুবিধা নাই। গ্ৰাম সেৱক এজনৰ বাহিৰে আন চৰকাৰী প্ৰতিনিধিও নাই। কোনো গোল-

মাল নাই। আইন এনেয়েই ৰক্ষা হৈ আছে। হাতত ঝাণ্ডা লৈ লৈ মানুহ বিলাক আহিছিল। মানুহৰ আস্থা আছে দেখি চৰকাৰে অফিচাৰে একো কৰিবলগীয়া হোৱা নাই। আমিও বুজাইছো মানুহ বিলাকক। আপোনা-লোকেও বুজাব লাগে। ৰাজহুৱা ভাৱে আলাপ আলোচনা মিটিং আদি কৰি মানুহক বুজাব লাগে। এজনে মোক মাতিছে তেওঁৰ ঘৰলৈ। আন্দো-লনৰ সময়ত তেওঁৰ হাতত বন্দুক আছিল। এতিয়া প্ৰত্যেকজনেই মাতে ঘৰলৈ। মই ৰাজহুৱা ভাৱে আন্দোলন কৰি কি হৈছে কৈছো। বন্দুক ঘৰত পোৱা গৈছে। মিঞা কাটিবলৈ যাওঁতে মিঞাই কটা লৰা এজনে চাপ্লাই কৰিছিল ঘৰত তৈয়াৰী বন্দুক। কেনেকৈ কিনিছিল সুধিছিলো বোলে কেবাজনো বাগৰি এশ টকাত কিনিছিল। দৰ্জীৰ দোকান এখনত নিৰ্ব্বাচনৰ সময়ত মই মিটিঙৰ পৰা আহি থাকোতে গুলী কৰিবলৈ বৈ আছিল খাপ পাতি। খেতিয়কৰ সৰু সৰু লৰা। কথা বতৰা বিলাক বদলি গৈছিল। এতিয়া লাহে লাহে আহিব ধৰিছে। মানুহৰ দুটা দিশ আছে। এটা হিংস্ৰ, ধ্বংসাত্মক আৰু আনটো মানৱতাবাদী, ক্ৰিয়েটিভ। মানৱ বাদী মনটো এক্সজাৰ্ট কৰি উলিয়াব পাৰিব লাগিব। সামাজিক ভাবে সকলোৰে পৰা এনেকৈ উলিয়াই লব পাৰিলেই প্ৰকৃত সমস্যাৰ সমাধান আহি পৰিব। কেৱল কেইজনমানক চাকৰি দি বা ঠিকাৰ কাম দি আন্দোলন শেষ কৰিব বুলি ইতিমধ্যে কিছুমানে যদি ভাবিছে সেইটো সঠিক নহয়। এতিয়া বানপানী হৈছে। ঠায়ে ঠায়ে সাহায্য দিয়া হৈছে। তাত যদি ৰাজনৈতিক নেতা সকলে গৈ মানুহ গোট খুৱাই ৰাজহুৱা ভাৱে আপোনালোকক অমুক অমুক দিয়া হৈছে ইত্যাদি কোৱা হয় তেতিয়াহলে মানুহখিনিয়ে বুজিব পাৰিব। প্ৰকৃত ভাৱে ৰিলিফ পাইছে নে নাই সেইবিলাক খবৰো লব পাৰিব। এই বিষয়টোত গুৰুত্ব দিব লাগে। এতিয়া আকৌ জুডিচিয়েলক নিদি এক্সিকিউটিভ মেজিষ্টেত সকলক বেছি ক্ষমতা দিয়াৰ ব্যৱস্থা উত্থাপন কৰা হৈছে। মাননীয় সদস্য মথুৰা ডেকা ডাঙৰীয়াই ঠিকেই কৈছিল। মাণিকপুৰ সমষ্টিৰ মেজিষ্ট্ৰেটে চাৰ্জ কৰিছিল নিৰ্ব্বাচনৰ সময়ত যে অসমীয়া মানুহ হৈ কিয় নিৰ্ব্বাচনত প্ৰতিদ্বন্দীতা কৰি-বলৈ ওলাইছো আৰু অসমীয়া মানুহে কিয় ভোট দিয়াৰ ব্যৱস্থা কৰিছে।

কিন্তু তেওঁক সোধা হ'ল যে তেওঁ চাকৰিটো এৰিব নে ? তেওঁ যদি চাকৰি নেৰে তেন্তে আমি বাৰু কিয় পাৰ্টি এৰিম ? গতিকে মেজিষ্ট্ৰেটৰ হাতত ক্ষমতা দিলে আকৌ অৱস্থা 'যেই সে থে' হব ।

অধ্যক্ষ মহোদয়, আন এটা কথা হ'ল চেকান ৪,১৯৭ অব দি কোৰ্ট। চৰকাৰী কৰ্ম্মচাৰীৰ ওপৰত যধে মধে কেচ কৰিব নোৱাৰিব । চৰকাৰী- নীতি নিৰ্দ্দেশ মতে চলা কৰ্ম্মচাৰীক ৰক্ষা কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা লব লাগিব ঠিকেই কিন্তু তেনে ক্ষেত্ৰত বহুত দেখা গৈছে বিৰুদ্ধ সকলে সঁচাই মিছাই অভিযোগ আনিছে । আনকি পানীত পৰি মৰা লবাৰ ক্ষেত্ৰতো চৰকাৰৰ পুলিচৰ বিৰুদ্ধে কেচ দিছে । যিহেতু চৰকাৰী দায়িত্ব পালিবলৈ যাওঁতে আচামী হৈছে গতিকে চৰকাৰে ৰক্ষণা-বেক্ষণ দিব লাগিব । কিন্তু এনে কিছু কৰ্ম্মচাৰীও ওলাব থাৰ্ড গ্ৰেড ফোৰ্থ গ্ৰেডৰ কথা নাই এনেকুৱা লাইচেন্স পালে একো কৰিব পৰা নহব । কিন্তু দেখা যায় বহুত সত আৰু বহুত অসত আছে। ৰেপ কেচৰ কাৰণে জেল খটাও আছে, দূৰ্নীতিৰ কাৰণে সিদিনা মঙ্গলদৈত গ্ৰেপ্তাৰ কৰিছে । গতিকে তেনে বিলাক ক্ষেত্ৰত পুলিচৰ একচন নিস্প্ৰভ হব। একচন লব নোৱাৰিব আৰু ফলত বছৰ বছৰ ধৰি অৰাজকতাৰ সৃষ্টি হৈ যাব ।

গতিকে এই সংশোধনীৰ দ্বাৰা আপোনালোকে যিটো কৰিব বিছাৰিছে সেইটো হোৱাৰ ওপৰিওঁ অন্যান্য ঘটনা হৈ যাব । বিশেষকৈ মই কৈছো- চেকচন–৪ত । এই গোটেইখিনি সম্পৰ্কে যিটো আছে ইয়াত সকলো শ্ৰেণীৰ কৰ্ম্মচাৰীৰে বিচাৰ কৰি চাব লাগে এটা অংশৰ কাৰণে সমস্ত অংশৰে সুযোগ সুবিধা লোৱাৰ ৰাষ্টা মুকলি হৈ যাব । তেতিয়া এই খনৰ দ্বাৰা ভবামতে কাম নহব। সেই কাৰণে এই বিলখনক সমৰ্থন কৰাৰ যুক্তি নেদেখো । তাকে নকৰি এই আইনৰ ভিতৰতে যিখিনি সুযোগ আছিল লোৱাৰ কোৰ্টত বেল দিলে আপাৰ কোৰ্টলৈ যোৱা সেইখিনি নকৰে কিয় ? আমি জনাত অসমত তেনে কোনো উদাহৰণ নাই য'ত এটা কেচত লোৱাৰ কোৰ্টে বেল দিয়াৰ পাছত হায়াৰ কোৰ্টত চৰকাৰে আপিল কৰিছে। তেনে কাম কৰা নাই। সেই কামৰ কাৰণে এই আইনৰ গণ্ডীতে পাৰে নতুন ব্যৱস্থাৰে লাভবান নহব । মই আৰম্ভণিতে কৈছো যে চিষ্টেমৰ বেমাৰ কিছুমান কঠোৰ কঠোৰ আইনৰে

শেষ কৰিব বিছাৰিছে যিটো এতিয়ালৈকে সম্ভৱপৰ হোৱা নাই। আগলৈ হব আশা নকৰি অৰাজকতাৰ দিশ এটা চপাই লব নালাগে। আইন ইতি-মধ্যে আমাৰ আছে সেই আইন বিলাকৰ মাধ্যমেৰে আমাৰ জনসাধাৰণক নিৰাপত্তা দিয়াৰ চিন্তা কৰিব লাগিব। জুদিচিয়াৰী আৰু একজিকিউটিভক ইতিমধ্যে পৃথক কৰা হ'ল আৰু সেই মতে ক্ষমতাওঁ দিয়া হ'ল গতিকে এতিয়া আকৌ নতুন আইন কৰি নিয়ন্ত্ৰণ কৰিব আমি বুজি পোৱা নাই। যিটো চিষ্টেমেৰে বিচাৰ বিভাগক পৃথক কৰা হৈছে সেই বিচাৰ বিভাগক সঠিক কৰিব লাগিব। চৰকাৰৰ ক্ষমতা নাই সেই কথা হব নোৱাৰে। সংসদৰ ক্ষমতা নাই ? ভাৰতবৰ্ষৰ সকলোৱে সংসদৰ অধিনত। ভাৰতৰ পাৰ্লিয়ামেণ্ট বা বিধান সভাই সকলো আইন প্ৰণয়ন কৰিব পাৰে। হাইকোৰ্ট বা অন্যান্য কোৰ্টত বিছাৰৰ কিবা অসুবিধাই দেখা দিছে সেই সম্পৰ্কে আমি চিন্তা ভাবনা কৰি সংসদত আইন প্ৰণয়ন কৰি হলেও জনসাধাৰণৰ কল্যাণৰ কামৰ চেষ্টা কৰিব লাগিব।

মই বেছি নকওঁ এইখিনিকে কৈ আপোনাক ধন্যবাদ জনায় আৰু বিল-খনৰ বিৰোধিতা কৰি বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীচন্দ্ৰধৰ কলিতাঃ- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যিখন বিল উত্থাপনকৰিছে সেইখন বিল মূলত অসমত চলি থকা শেষৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই বিল উত্থাপন কৰা হৈছে। ইয়াৰ মূল উদ্দেশ্যত দেখুওৱা হৈছে এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ এই বিলৰ উদ্ভাবন। ন্যায়পা-লিকা বা কাৰ্য্যবাহী বিষয়াক বা পুলিচক এই বিলৰ যোগেদি ক্ষমতা দিয়া হব আৰু সেই বিষয়ে ইয়াত আলোচনা কৰা হৈছে। আমি আজি এটা কথা উপলব্ধি কৰিছো যি পৰিস্থিতিত প্ৰশাসনে এই বিল বিছাৰিছে বা উত্থাপন কৰিছে মোকাবিলা হব বুলি কিন্তু আমাৰ বোধেৰে এই বিলখনৰ অন্তৰালত এপাহ বিষাক্ত চক্ৰ সোমাই আছে। আমাৰ দেশ গণতান্ত্ৰিক দেশ আৰু সেই হিচাবে ন্যায়পালিকাক ক্ষমতা দিয়া হৈছে আৰু সেই ক্ষমতাৰ আজি আকৌ অৱমাননা কৰিবলৈ ওলাইছো। গতিকে তেওঁলোকৰ নুন্যতম যিখিনি অধি-কাৰ বা ক্ষমতা সেইখিনিক অৱনত কৰা উচিত নহব। এটা কথা মই কব

খুজিছো পুলিচ বিষয়াৰ ক্ষেত্ৰত। এই যে আজি আন্দোলন চলিছে বাস্তৱ ক্ষেত্ৰত যদি এই আন্দোলনক অনুভাৱন কৰা হয় এই আন্দোলন কোনে কৰিছে ? মই নিজে কেইটামান বাস্তৱ অভিজ্ঞতাৰ পৰা কব বিছাৰিছো এই আন্দোলন পুলিচে কৰিছে। কিন্তু কেনেকৈ কৰিছে ? ১৯৮০ চনত আমাৰ কিছুমান সহকৰ্মীয়ে যি সকলে আন্দোলনত অংশ গ্ৰহণ কৰা নাছিল ৰাজনৈতিক সহ–যোগী ধমধমা বজাৰলৈ কেবল গৈছিল। বজাৰৰ ওচৰতে ছাত্ৰ সস্থাৰ নেতা কিছুমানে ক্লাব এটাত আছিল আৰু তেওঁলোকে এই লোকসকলক মাতি আনি সাংঘটিত ধৰণে মাৰধৰ কৰিলে, থানাৰ ওচৰতে থানাত খবৰ দিয়া হ'ল কিন্তু কোনো নগ'ল। তেওঁলোকৰ ওপৰত উৎপাত চলিল তেওঁলোকক আনকি হস্পিটলত ভৰ্ত্তি কৰিব লগীয়া হ'ল। তেওঁলোকৰ খবৰ কৰিবলৈ ৩জন লোক গৈছিল, তেওঁলোকক আকৌ পুলিচেই আবৰ্ণনীয় অত্যাচাৰ চলালে। নৈ এখনৰ ওচৰত ওৰে ৰাতি মাৰি কোবাই অত্যাচাৰ কৰিলে পুলিচে–ভাবি–ছিলে কিজানি মাৰি নৈতে ভহায় দিব। তেওঁলোকক ওলোটাই পুলিছে ৰাতি ৰাতি কোবাই থানালৈ নিলে।

আনকি আমাক গাড়ীত নিওঁতেই মাৰি মাৰি নিছিল। আৰু কৈছিল "অসমৰ হাজাৰ হাজাৰ লৰাই প্ৰাণ দিছে আৰু তহঁতে বাধা দিছ" আমি তাৰ থানাৰ পৰা জামিন নাপালেঁ। এনে আসোঁৱাহৰ আৰু উদাহৰণ আছে। যোৱা ১৯৮১ চনৰ আন্দোলন সংক্ৰান্তৰ কেচ এটাত মই আদালতত আছিলোঁ। চাৰে ন' বজাৰ পৰা আবেলি চাৰি বজালৈ। সেইদিনা ২৯ তাৰিখ আছিল। পিচদিনা ৩০ তাৰিখে মই ২৯ তাৰিখেই ধানকাটা বুলি মোৰ ওপৰত কেচ দিলে। আচলতে মই সিদিনা আদালতত আছিলোঁ কিবা এটা কেচৰ কাৰণে। অৱশ্যে কেচটো প্ৰমাণ নহল বাবে মোৰ একো নহল। আকৌ মই ২৯ তাৰিখে ধানকাটা বুলি দিয়া কেচৰ কাৰণে আমাক এৰেষ্ট কৰিবলৈ গুৱাহাটীৰ পৰাও ফৌজ গৈছে। সেই দিনা স্থানীয় ভাৱে কাৰফিউ ঘোষণা কৰা হৈছিল। আমাক পুলিছে এৰেষ্ট কৰিলে। আৰু ১০ দিন হাজোতত ৰাখিব লাগে ইন্টাৰোগেচনৰ কাৰণে এই বুলি মেজিষ্ট্ৰেটৰ ওচৰত আবেদন জনালে। আৰু বেমাৰ আদি কিবা হলে জেলৰ ডাক্তৰৰ হতুৱাই কৰাব লাগে

বুলি কলে। এই বিলাক হল কাণ্ড। এতিয়া কথা হৈছে নলবাৰীত মেজি-ষ্ট্ৰেত আছে এচ,ডি,চি আছে তেওঁলোকে তদন্ত কৰি কাৰ হাতত কিমান বন্দুক আছে সেইবোৰ চীজ কৰিব লাগে। দ্বিতীয়তে আন্দোলনকাৰী যিবোৰ মানুহক পুলিচে ধৰে সেইবোৰক এৰাতিতে এৰি দিয়ে। কেনেকৈ সেই মানুহ বোৰে জামিন পায় কব নোৱাৰোঁ। মই নিজেই জানো মায়া মেধি নামৰ লৰা জনক পুলিচে ধৰি আনিলে আনি পিচদিনাই জামিনত খালাচ দিলে। আনকি মেজিষ্ট্ৰেতেও সেই কথা গম নাপায়। মই নিজেই যেতিয়া মেজি-ষ্ট্ৰেতক এই কথা কলোঁ। তেতিয়া তেখেতে ফোন কৰি সুধিলে লৰাজনক কেনেকৈ আৰু কিয় এৰি দিলে। তেতিয়া পুলিচৰ পৰা জনালে যে তেওঁলোকেই বেলত খালাচ দিলে। এইটো চেকচনমতে তেওঁলোকে দিব পাৰে। এই ধৰণৰ ঘটনা বহুতো হৈ আছে। আন্দোলন যি সকলে কৰিছে আমি শুনিছোঁ তেওঁলোকৰ মাজত বহুতো ডকাইতো আছে, ব্লেক মাৰ্কেটিয়াৰো আছে আৰু ঠিকাদাৰো আছে। মই এটা ঘটনাৰ কথা কওঁ আমাৰ ওচৰৰ বালিচৰা নামৰ ঠাই এখন আছে, সেইটো সংখ্যালঘু অঞ্চল। তাত এদিন মানুহ বিলাকৰ ঘৰত জুই দিলে। তেতিয়া প্ৰতিহত কৰিবলৈ যিখিনি মানুহ তাত আছিল সেই মানুহ খিনিয়ে বাধা দিবৰ চেষ্টা কৰি থাকোঁতেই পুলিচ আহি পায় আৰু সেই বাধা দিব খোজা মানুনখিনিক গুলীয়াবলৈ ধৰিলে। এনে বহু মানুহ আছে যি সত দেশপ্ৰেমী, বা অসম প্ৰেমী, আৰু অসমৰ প্ৰীতি যাৰ প্ৰেম আছে এনে বহু মানুহ উটি গৈছে। এই উটি যোৱা মানুহ বিলাকি ৰক্ষা কৰিব লাগিব গণতন্ত্ৰৰ দোহাই দি থাকিলেই নহব, এই মানুহ বিলাকক গণতন্ত্ৰৰ দ্বাৰা ৰক্ষণা বেক্ষণ দিব লাগিব। এইটো আমাৰ কৰ্ত্তব্য। বন্দুকেৰে আক্ৰমন কৰিলে সেই আক্ৰমন আমি বন্দুকেৰে প্ৰতিহত কৰিব লাগিব। আন্দোলন দমন কৰিব লাগিব গণতন্ত্ৰৰ ৰক্ষণা বেক্ষণ দিবৰ কাৰণেই।

আজি আমাৰ সংবিধানৰ ৫০ দফা মতে জুডিচিয়েৰীটো একজিকিউ-টিভৰ পৰা পৃথক কৰি ৰখা হৈছে আৰু সেইটো দৰকাৰো। কিন্তু এই বিলৰ দ্বাৰা সেইটোৰ বিলোপ সাধন কৰিব বিচৰা হৈছে। আৰু ইয়াত যদি কিবা কেৰোণ আছে তাক আইনলৈ ৰূপান্তৰ কৰিব লাগে। আমাৰ বিশ্বাস

এসময়ত শাসক শ্ৰেণীটোৱে এই বিল বিলাকৰ বিৰোধীতা কৰিব। আৰু গণতন্ত্ৰৰে বিৰোধীতা কৰিব। আমি বামপন্থী দলেও আন্দোলন ৰোধ কৰাৰ চেষ্টা কৰি আছোঁ। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছিল যে "ভুতুনীয়ে পৰৰ পালে পৰৰখায় নাপালে নিজকে খায়। গতিকে কংগ্ৰেছ দলটো এদিন ফিকচ্‌ন আৰম্ভ হব। তেওঁলোকৰ মাজতেই বহুতে বিৰোধী হৈ যাব আৰু বহু ভাগত বিভক্ত হৈ যাব। সেই কাৰণেই মই কওঁ সকলোৰে এই বিল সংশোধনী খনৰ বিৰোধীতা কৰা উচিত আৰু আমিও এই বিলৰ সংশোধনীৰ বিৰোধীতা কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৮১ চনৰ ৩০ আক্টোবৰ তাৰিখে নল-বাৰীৰ চি, আই শ্ৰী এচ, এন হাজৰিকাৰ নেতৃত্বত মোক এৰেষ্ট কৰিবলৈ গৈছিল। তেতিয়া মোৰ স্ত্ৰীয়ে মোৰ ওপৰত কি অভিযোগ আছে আৰু কি কাৰণত মোক এৰেষ্ট কৰিবলৈ বিচৰা হৈছে সেই কথা সোধাত তেওঁ নানা ধৰণৰ অশালীন ভাষাৰে মোৰ স্ত্ৰীক ককৰ্থনা কৰে। এইখিনিতে মই উল্লেখ কৰিব খোজো যে চি, আই শ্ৰী এচ, এন হাজৰিকা সেই সময়ত আন্দো-লন সমৰ্থক আছিল আৰু আমি যি সকল বিৰোধী দলে আন্দোলন সমৰ্থন কৰা নাছিলো তেওঁলোকৰ ওপৰত কেনেকৈ মিছা অভিযোগ আনি গ্ৰেপ্তাৰ কৰিব পাৰে তাৰ চেষ্টাত আছিল। সেই কৰণে শ্ৰীহাজৰিকাই মোৰ আৰু অন্যান্য কিছুমান লোকৰ বিৰুদ্ধে দিলিপ হুজুৰীৰ মৃত্যুৰ কাৰণে আমাৰ ওপৰত কিছুমান মিছা অভিযোগ আনি আমাক আটক কৰে। ইয়াৰ লগে লগে আমাৰ পৰিয়ালৰ ওপৰতো তেওঁ নানা ধৰণৰ নিৰ্যাতন চলায়। অধ্যক্ষ মহোদয়, এই আটাইবোৰ ঘটনাৰে তথ্য পাতি মোৰ হাতত আছে, প্ৰয়োজন হলে সেইবোৰ মই যথা স্থানত দিব পাৰিম।

অধ্যক্ষ মহোদয়, আজি পুলিচ বাহিনী আৰু অন্যান্য চৰকাৰী বিষয়া সকলক চৰকাৰে যি ধৰণে অতিমাত্ৰা ক্ষমতা প্ৰদান কৰিছে তাৰ পৰাও আমাৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব হোৱা দেখা যায়। আজি একজিকিউটিভ মেজিষ্ট্ৰেত সকলক যি ধৰণে জুডিচিয়েল পাৱাৰ দিয়া হৈছে সেইটো অতিমাত্ৰা হৈছে বুলি মই কব খোজো। কিয়নো তেওঁলোকে এনে ধৰণৰ ক্ষমতা পোৱাৰ

লগে লগে কিছুমান ন্যস্ত স্বার্থ জড়িত লোকৰ লগ হৈ কিছুমান এনে ধৰণৰ কাম কৰিছে যিবোৰে ৰাইজৰ গণতান্ত্রিক অধিকাৰ নাইকিয়া কৰি পেলাইছে। আনহাতে পুলিচ বিভাগৰ বিষয়া সকলকো তেওঁলোকৰ প্রয়োজনতকৈ অতি-মাত্রা পাৱাৰ দিয়া হৈছে যাৰ কাৰণে তেওঁলোকে ৰাইজৰ গণতান্ত্রিক অধিকাৰ ৰক্ষা কৰাত অসমর্থ হৈছে। উদাহৰণ স্বৰূপে যোৱা ২ চেপ্তেম্বৰৰ দিনা আন্দো-লনকাৰী পক্ষৰ পৰা কেইজনমান লোক আহিছিল বিধান সভাৰ সন্মুখলৈ তেওঁলোকৰ উদ্দেশ্য আছিল চৰকাৰক এখন স্মাৰক পত্র দিয়া। কিন্তু তেওঁলোকক স্মাৰক পত্র দিবলৈ দিয়া দূৰৰ কথা।–তেওঁলোকক যি ধৰণে নির্যা-তন কৰা হ'ল সেইটো কোনো গণতান্ত্রিক দেশৰে গণতান্ত্রিক পদ্ধতি নহয়। আজি আমাৰ শাসনত থকা দলে অসমৰ যিটো জীৱন মৰণ সমস্যা সেইটো সমাধান কৰিব বিচৰা নাই। কাৰণ তেওঁলোকে এইটো কথা ভালকৈ জানে যে তেওঁলোকে এই সমস্যাৰ সমাধান কৰিব নোৱাৰে আৰু আন্দোলনকাৰীয়েও তেওঁলোকৰ সমাধান মানি নলয়। কিন্তু এইদৰে আৰু কিমান দিন আমি চলিবলৈ দিম ?

অধ্যক্ষ মহোদয়, এই আটাইবোৰ ঘটনাকে ভালদৰে চিন্তা কৰি চাই আমাৰ শাসনত থকা দলে কেনেকৈ এইবোৰ আহুকাল আটৰাব পাৰি তাৰ যত্ন কৰিব লাগে। সেই কাৰণে মই এটা কথা কওঁ যে আজিও আমি যি দলতেও নাথাকো সকলোৱে আগবাঢ়ি আহি অসমৰ যিটো জলন্ত সমস্যা সেইটো সমাধান কৰাত গুৰুত্ব দিব লাগে আৰু তেতিয়াহে অসমৰ সুস্থ বাতাবৰণ পুনৰ ঘূৰি আহিব। যদি তাকে কৰা নহয়, তেনেহলে আমাৰ যি গণতান্ত্রিক অধিকাৰ সি কোনো দিনেই আৰু ঘূৰি নাহিব আৰু এইবোৰৰ দোষ সদায় বামপন্থী দলৰ ওপৰত জাপি দিয়া হব।

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) :– মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সদনত যি কেইটা সংশোধনী আনিব বিচৰা হৈছে সেই কেইটাৰ ওপৰত আমাৰ ভালেকেইজন মাননীয় সদস্যই তেখেত সকলৰ পৰামর্শ আগবঢ়াইছে। এই সংশোধনীবোৰৰ ওপৰত তেখেত সকলৰ সন্দেহ ওপজিছে আৰু সেইকাৰণে তেখেতসকলে কিছুমান কথা ব্যক্ত কৰিছে। তেখেত সকলৰ ভাষণ প্রসঙ্গত

* Speech not Corrected

অকল এই সংশোধনীৰ কথাই উল্লেখ কৰা নাই, তেখেত সকলে আৰু কিছু-মান কথাৰ কাৰণো আলোচনা সমালোচনা এই পবিত্ৰ সদনৰ জড়িয়তে ডাঙি ধৰিছে আৰু পোনপটিয়াকৈ তেখেতসকলৰ সমৰ্থন আৰু বিৰূপ মনোভাব প্ৰকাশ কৰিছে। তেখেত সকলৰ এই পৰামৰ্শ বৰ সময়োচিত হৈছে আৰু সেই কাৰণে আজিৰ সংশোধনী কেইটাৰ বিষয়ে কোৱাৰ আগতে মই আমাৰ মান-নীয় সদস্য কেইজন মানে ব্যক্ত কৰা কেইটামান কথাৰ বিষয়ে কব খুজিছো।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই পুলিচ বিভাগত থকা দূৰ্নীতি আৰু শ্ৰীকলিতা ডাঙৰীয়াই দূৰ্নীতি আৰু এক ঢেকৰ কথা উল্লেখ কৰিছে। মই এইষাৰ কথা নকও* যে আমাৰ বিভাগ বোৰত দূৰ্নীতি নাই। কিন্তু যি সকল চৰকাৰী বিষয়া কৰ্ম্মচাৰী দূৰ্নীতিত লিপ্ত থকা ধৰা পৰে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হয়। অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো যে আমাৰ ৰাজ্যত দূৰ্নীতিৰ সৃষ্টি কোনে কৰিছে? শ্ৰীডেকাই যি দিনাই তেখেতৰ বক্তৃতা আৰম্ভ কৰে সেইদিনাই গাওঁৰ পৰিবেশৰ কথা কয় আৰু গ্ৰাম্য অঞ্চলত হোৱা দূৰ্নীতিৰ বিষয়ে উল্লেখ কৰে। তেখে-তৰ ভাষণৰ মাধ্যমেৰে আমি সকলোৱে হাহিঁৰ খোৰাক পাওঁ যদিও তেখেতৰ ভাষণৰ মাধ্যমেৰে এটা গভীৰ অন্তৰৰ বেদনা প্ৰকাশ পায়। কিন্তু মই এটা কথা কব খুজিছো যে অকল তেখেতেই গাওঁৰ পৰা অহা নাই, আমাৰ প্ৰায়বিলাক সদস্যই গাওঁৰ পৰা আহিছে আৰু মই নিজেও গাওঁৰ পৰা আহিছো গাওঁৰ পৰিবেশ কি সেই কথা মই নিজেও ভালকৈ জানো। মোৰ দেউতাও খেতিয়ক তেখেতে এতিয়াও হাল বায়। সেই কাৰণে শ্ৰীডেকাই যিবোৰ কথা এই সদনত আলোচনাৰ মাধ্যমেৰে উল্লেখ কৰিছে সেই আটাইবোৰ কথাৰে প্ৰতি মই সজাগ আৰু কেনেকৈ সেইবোৰ নাইকিয়া কৰিব পাৰি তাৰ কাৰণে মোৰ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ।

আমাৰ মাননীয় কেইবাজনো সদস্যই অকল পুলিচ বিভাগকে নহয় আন কেইবাটাও বিভাগত দূৰ্নীতি হোৱাৰ কথা উল্লেখ কৰিছে। সেইবোৰৰ ভিতৰত প্ৰধানকৈ উল্লেখ কৰিছে—জলসিঞ্চন, পৰিবহন, বান নিয়ন্ত্ৰণ, বন, চিকিৎসা আৰু গড়কাপ্তানি বিভাগ। অধ্যক্ষ মহোদয়, আপুনি জানে যে

* Speech not Corrected

আমাৰ ৰাজ্যৰ এই বিভাগবোৰত যি সকল বিষয়াক নিযুক্তি দিয়া হয় তেওঁ– লোকৰ প্ৰায় ভাগকেই অধিক টকা পইচা খৰচ কৰি প্ৰশিক্ষণ দি এনে দায়িত্বপূৰ্ণ কামত নিয়োগ কৰা হয়। এনে বিভাগবোৰত চাকৰি কৰিবৰ কাৰণে যি সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয় তেওলোকক প্ৰবেশিকা পৰীক্ষাত প্ৰথম ডিভিজন আৰু প্ৰি–ইউনিভাৰচিটিত দ্বিতীয় বিভাগ পোৱা হব লাগে। অকল দ্বিতীয় বিভাগ পালেও নহয়- দ্বিতীয় বিভাগত উচ্চ নম্বৰ পোৱা হব লাগে। আজি যদি কোনোবা এজন লৰাই মেডিকেল পঢ়িব মন কৰে তেনেহলে তেওঁৰ প্ৰবেশিকা পৰীক্ষা পাছ কৰোতে কমেও শতকৰা ৬৭ ভাগ নম্বৰ পাব লাগিব। সেইদৰে ইঞ্জিনিয়াৰিং পঢ়িবলৈ হলে তেওঁলোকে এটা অতি উচ্চ খাপৰ পৰীক্ষা লয় আৰু তাত পাছ কৰিব পাৰিলেহে ইঞ্জিনিয়াৰিংত চিট পায়। গতিকে এনেবোৰ কথা যদি আমি লক্ষ্য কৰো তেনেহলে আমি দেখিবলৈ পাম যে এওঁলোক সকলোৱে মেধাবী।

ইঞ্জিনিয়াৰিঙৰটো কথাই নাই। তাৰ ওপৰিও আকৌ পৰিক্ষা আছে। এই মেধাবী ছাত্ৰ ছাত্ৰী সকলক লৈয়েই কৰা হয় যাক ইংৰাজীত–'ক্ৰীম অৱ দি চছাইটি' বুলি কোৱা হয়। 'ক্ৰীম' বুলিলে আমি যাক এটা অতি উচ্চ মানবিশিষ্ট আহাৰ হিচাবে গণ্য কৰো। এই বিভাগ বিলাকৰ দায়িত্ব এই সকল লোকেই অৰ্থাৎ 'ক্ৰীম অৱ দি চছাইটি' বুলি যি সকলক কওঁ, সেই সকলেই চলাইছে। সাধাৰণ মানুহৰ দায়িত্ব বহন কৰা বিভাগ বিলকতেই দূৰ্নীতি। যি সকলক আমি 'ক্ৰীম অৱ দি চছাইটি' বুলি কৈছো সেই সকলেই সমাজত দূৰ্নীতি আৰম্ভ কৰিছে।

Mr Speakcr :- Time is up. Hon'ble Chief Minister will continue his reply after lunch break. The House stands adjourned tilll 2.30 p.m to-day (22.9.83.

(The House rose for lunch at 2. 30 p. m.)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ- অধ্যক্ষ ডাঙৰীয়া মই দূৰ্নীতি সম্পৰ্কত ইয়াৰ আগেয়ে হোৱা আলোচনা কালতেই কিছু আভাষ ডাঙি ধৰিছিলো। মই সদনত কৈছিলো যে আমাৰ ৰাজ্যখনত আমাৰ সমাজ 'নৰ বিভিন্ন স্তৰত

* Speech not Corrected

ব্যাপক ভাৱে দূৰ্নীতি সোমাই পৰিছে। অসমৰ যি সকল মেধাবী ছাত্ৰ সেই সকল বান নিয়ন্ত্ৰন, জলসিঞ্চন, চিকিৎসা, গড়কাপ্তানী বিভাগ, বন বিভাগ আদি বিভিন্ন বিভাগ নিয়ন্ত্ৰন কৰি আহিছে। আমাৰ এই মেধাবী ছাত্ৰ সকলেই যদি আমাৰ এই বিভাগ বিলাকত দূৰ্নীতি চলাই থাকে তেতিয়া হলে সমাজৰ অন্যান্য স্তৰত যিবিলাক দূৰ্নীতি চলি আছে সেই বিলাক ৰোধ কৰাটো সম্ভৱপৰ নহব। এই সদনতে শিক্ষা বিভাগৰ ডি পি আই অফিচত কৰ্ম্মচাৰী সকলৰ দূৰ্নীতিৰ কথা উল্লেখ কৰিছে। আমি বিভিন্ন স্তৰলৈ চালে দূৰ্নীতি বিলাক কেনেকৈ আমিয়েই চলাই আহিছো সেই কথা দেখিবলৈ পাম। আমি যদি চিডৰ ক্ষেত্ৰত চাওঁ তেতিয়াহলে দেখিম যে আমি যি বিলাক ধান বিক্ৰী কৰিবলৈ থওঁ সেইখিনি বাওঁ দি থওঁ আৰু যিখিনি খাবলৈ থওঁ সেইখিনি ভালদৰে জাৰি চালি থওঁ। গাখীৰত পানী মিহলোৱা আদি কৰি বহুত ক্ষেত্ৰত দূৰ্নীতি হব পাৰে। সমাজেই এইবিলাক দূৰ্নীতিৰ কথা আমাক দেখুৱাই আহিছে।

অধ্যক্ষ মহোদয়, এইখিনিতে মই এজন বিষয়াৰ কথা কব খুজিছো। এই বিষয়াজন আছিল এজন উচ্চ পদস্থ বিষয়া। তেখেতে এগৰাকী বৃটিছ মহিলা বিয়া কৰাইছিল। তেখেত সকলৰ লগত লৰা-ছোৱালী লৈ লণ্ডনলৈ গৈছিল। তেতিয়া তেখেতৰ ডাঙৰ ছোৱালীজনীৰ বয়স আছিল ৭ বছৰ লণ্ডনত এদিন তেওঁলোকে চিনেমা চাবলৈ গল। তাৰ চিনেমা হল বিলাকত ওৱেট লয়। তেওঁলোকৰ লগতে ককায়কৰ লৰা দুজনো গৈছিল। তেওঁলোকে ওৱেট ললে। পিচত যেতিয়া ভাৰতৰ পৰা যোৱা জনক ওৱেট লবলৈ কলে তেতিয়া তেওঁ কলে যে মোৰ লগতে তোমালোকৰ এজনো থাকা। তেতিয়াহে মোৰ ওকেট বেচি হব। আমাৰ সমাজখন এনেধৰণেই চলিছে। আমি ব্যৱসায়ী সকলৰ দুখন খাটা থকা কথা কওঁ। অকল এই ব্যৱসায়ী সকলৰে দুখন খাটা আছেনে? আজি কালি তৌজি সকলেও দুখনকৈ খাটা ৰাখে। আনকি চৰকাৰৰ পৰা পইচা পোৱাৰ ক্ষেত্ৰতো অৱস্থা বেচি বেয়া কৰি দেখুৱায়। ইনকাম চাৰটিফিকেটত প্ৰকৃত সংখ্যা কোনেও নিদিয়ে। এই বিলাক দূৰ্নীতি কত নাই? শিক্ষাৰ পৰা আৰম্ভ কৰি বিভিন্ন বিভাগলৈকে

চহৰৰ পৰা আৰম্ভ কৰি নগৰ গাওঁ আদিলৈকে এইবিলাক দুৰ্নীতি চলি আছে। অধ্যক্ষ মহোদয়, আমি যদি আমাৰ জাতীয় চৰিত্ৰ গঠন কৰিব নোৱাৰো তেতিয়াহলে পুলিচ মিলিটাৰি দি আমি কেতিয়াও দুৰ্নীতি দূৰ কৰিব নোৱাৰো। মোৰ দুই চাৰিখন বাহিৰৰ ৰাষ্ট্ৰাত যোৱাৰ সৌভাগ্য ঘটি-ছিল। সেই বিলাকত মই দেখিছো যে দুৰ্নীতি নিবাৰণ কৰিবৰ কাৰণে পুলিচৰ কোনো প্ৰয়োজন নাই, দুৰ্নীতি নিবাৰণ বিভাগৰো দৰকাৰ নাই। আমি আমাৰ জাতীয় চৰিত্ৰ গঠন কৰিব নোৱাৰিলে যিমানেই চেষ্টা নকৰো লাগে আমি সমাজখনক, দেশখনক কেতিয়াও দুৰ্নীতিৰ পৰা ৰক্ষা কৰিব নোৱাৰিম। মই এইখিনি কথা কৈ গা এৰা দিব খোজা নাই। মই মান-নীয় সদস্য সকলক কব খুজিছো যে দুৰ্নীতি দূৰ কৰিবৰ কাৰণে আমি সিদ্ধান্ত কৰিছো। আমি কৰিছো আৰু কৰিম। বিধান সভা হৈ যোৱাৰ পিচত দুৰ্নীতিৰ ক্ষেত্ৰত যি বিলাক কথা উত্থাপন কৰা হৈছে সেই সম্পৰ্কত তদন্ত আৰম্ভ কৰিম। এটা নতুন ভিজিলেন্স চেল গঠন কৰা হব। যি নতুন ভিজিলেন্স চেল গঠন কৰা হব সেই চেলে এই বিলাক কথা চাব। কোনে কিমান উপাৰ্জন কৰিছে আৰু কিমান সম্পত্তি কৰিছে সেই সকলো বিলাক কথা চোৱা হব। কিন্তু এইখিনিতে এটা কথা হৈছে যে আমি যি সা-সম্পতি কৰো সেই সকলো বিলাক কৰো লৰা ছোৱালীৰ নামত। হলেও এই বিলাক কথা চাব লাগিব। আমি কি অৱস্থাত থাকি কি ধৰণৰ দুৰ্নীতি কৰিছো সেই সকলো বিলাক কথা চাব লাগিব আৰু কাৰায়ত্ব কৰিব লাগিব। মই এই ক্ষেত্ৰত মাননীয় সদস্য সকলৰ সহযোগিতা বিচাৰিছো।

শ্ৰীদাস ডাঙৰীয়াই শিক্ষানুস্থান বিলাকত পুলিচ সোমোৱাৰ কথা উল্লেখ কৰিছে। অধ্যক্ষ মহোদয় কেতিয়াবা কিছুমান ক্ষেত্ৰত এনে কাম কৰিবলৈ পৰিস্থিতিয়ে বাধ্য কৰায়। অলপতে দুখন কলেজত, মেডিকেল কলেজ আৰু ভেটেৰ্নাৰী কলেজত পুলিচ সোমোৱাৰ সম্পৰ্কত নানান কথা প্ৰকাশ পাইছে। এই সম্পৰ্কত চৰকাৰৰ কিছুমান গাইড লাইন আছে। আমি সেই বিলাক মানি চলিব লাগিব। মই কেইটামান গাই দিব খুজিছো।

"In case where entry of police X or Magistrate in the

* Speech not Corrected

premises of an institution is necessary according to the best judgement of the seniormost officer present.........it is expected that the head of the institution should be informed as and when it is possible and provided he can be definitely contacted. However, the question of Police or Magistrate of the State Government seeking clearance of the head of the institution concerned ,would not arise and the law eonforcing ageocies has the right to enter when the head of the institution or a responsible officer of the institution cannot be contacted without delay and where such delay or inaction may lead to serious consequcnce or defeat the process of action in this regard."

আজি এইকথা বিলাক তেওঁলোকে মানি লৈছে। অলপতে ভেটেনাৰি কলেজ আৰু মেডিকেল কলেজত লক আপ হৈছিল। আৰু আমাৰ লগত দীঘলীয়া আলোচনা হোৱাৰ পিচত তেওঁলোকে কথাবিলাক মানি লৈছে। এইটো কথা আমি মানো যে শিক্ষা অনুস্থানত পুলিচ সোমোৱাতো উচিত হোৱা নাই আৰু মইও বাঞ্চা নকৰো। সোমাবলৈ হলে মূৰব্বীৰ পৰা পাৰ্মিচন লব লাগিব। কিন্তু কেতিয়াবা মূৰব্বীৰ ভিতৰত সোমাই থাকিও নাই বুলি কয় তেতিয়াতো উপায় নহোৱা হয়। আমাৰ সমাজখনত এনেকুৱা কিছুমান কথাই বিচলিত কৰি আছে। মই দুটামান আভাস দিব বিচাৰিছো। মোৰ অভিজ্ঞতাৰ পৰা কৈছো মই চ চকুৰে দেখা দুটা ঘটনা কব বিচাৰিছো। মই যি অঞ্চলৰ পৰা আহিছো তাত এখন কলেজ আছে। শ্বহীদ পিয়লী ফুকন কলেজ। এই কলেজখনৰ কাষতে এখন ধৰ্মীয় সংখ্যালঘু লোকৰ গাওঁ আছে। নাম চাৰি আলি। তাত এটা মচজিদ আছে। তাৰ আশেপাশে কিছুমান সংখ্যালঘু লোক বাস কৰে। তাৰ কাষতে পূৰণি ৰজাদিনীয়া পুখুৰী এটা আছে। নাম কেচাইখাইটী। মচজিদৰ কাষত থকা পুখুৰীটো অতিকৈ গাড়ী ঘোৰা

অহাযোৱাৰ কাৰণে তাত ময়লা হৈ পুখুৰীটো অপৰিস্কাৰ হৈছে আৰু পুখুৰীটো চাফা কৰি দিলে ৰাইজে পানী খাব পাৰিব বুলি তেওঁলোকে অনুৰোধ জনালে। তেতিয়া তেওঁলোকক সেই পুখুৰীটো পৰিস্কাৰ কৰাই দিলে আৰু ৰাইজে পানী খাবলৈ সুবিধা পালে। আৰু চৰকাৰে তাত টকা খৰচ কৰিলে। তাৰ কাষতে এখন মাদ্ৰাছা স্কুল প্ৰতিষ্ঠা কৰিব বিচাৰিলে। স্কুলতো প্ৰতিষ্ঠা কৰা হ'ল। চৰকাৰে আপত্তি নকৰিলে। কিন্তু তাৰ কিছুমান ৰাইজে তাতে এখন শান্তি সঙ্গ পাতিলে। শান্তি সঙ্গ পাতিবলৈ আৰু ঠাই নাপালে। ৰজাদিনীয়া পুখুৰীৰ কাষতো ঠাই আছিল। তাৰ পাচত তাত এখন চাইন-বোৰ্ড মাৰি দিলে; পূজা মণ্ডপ বুলি। ১৯৮২ চনৰ নিৰ্ব্বাচনৰ সময়ত এজন লৰাই চি, আৰ, পি দলক আক্ৰমণ কৰাৰ কাৰণে চি, আৰ, পিয়ে গুলী মৰাত লৰাজনৰ মৃত্যু হ'ল আৰু লৰাটোক পিচত ৰাইজে সেই পুখুৰীৰ পাৰতে সমাধি দিলে আৰু শ্ৰাদ্ধ কৰিলে। কাৰণ তাত থকা লোক সকলে ভোট দিব আৰু বাকী সকলে নিদিয়ে। সেই কাৰণে তাত সাম্প্ৰদায়িক সংঘৰ্ষ চলাই থাকিব বিচাৰিলে। নহলেনো মচজিদৰ ওচৰতে সেই শ্ৰাদ্ধ কৰাৰ কি কাৰণ থাকিব পাৰে। যাতে তাত সংঘৰ্ষৰ সৃষ্টি হয়। আৰু এখন কলেজ আছে তাত ভালেকেইজনক গ্ৰেপ্তাৰ কৰা হ'ল। তেওঁলোক ১৫।২০ দিন জেইলত আছিল। কিন্তু তেওঁলোকক সেই কেইদিন ৰেজিষ্টাৰ এটেনডেঞ্চ দি থৈছে। পিচত ধৰা পৰাত টকাটো যেনিবা ফিৰাই দিলে। এই সকল শিক্ষিত লোক কেনেধৰণৰ। দুৰ্নীতিৰ সীমা চেৰাই গৈছে। আজি এইসকল লোকে সমাজখনৰ কণ কণ মইনা সকলক কেনি লৈ গৈছে। তাৰ পাচত চাওক চেঙা হাইস্কুলৰ প্ৰধান শিক্ষক জনক লোকেলি বিজ্ঞাপন নিদিয়াকৈ বিধায়কে মনোনীত কৰা বুলি শিক্ষকজনক বৰ্জন কৰিছে। দুৰ্নীতিৰ সীমা পাৰ হৈ গৈছে। আমি নিজকে চাব লাগিব। আমি নিজে কিমান নিকা হব পাৰিছো। আৰু এইখিনি কৰিব পাৰিলে আমি সমাজখনক বহুখিনি অগবঢ়াই নিব পাৰিম আৰু দুৰ্নীতি আতৰ কৰিব পাৰিম। অধ্যক্ষ মহোদয় দাস ডাঙৰীয়াই ৰ্কৰে-নাকচ ট্ৰিবিউনেলৰ কথা কৈছে আৰু এওঁলোকৰ বিদেশী খেদা ইচ্ছা নাই আৰু নেখেদে এই কথাবিলাক চাই আৰু দেখি মুখ্যমন্ত্ৰী হিচাবে দায়িত্বত থাকি

যদিও এই আইন খনত এই কথাবিলাকৰ সম্পৰ্ক নাই তথাপি মই কব বিচাৰিছো বিদেশী খেদাৰ কাৰণে আমাৰ আন্তৰিক প্ৰচেষ্টা আছে। আৰু এইটো ভবা উচিত নহব যে আমি বিদেশী খেদাৰ কাৰণে যিবিলাক প্ৰচেষ্টা চলাইছো সেইবিলাক কেৱল কথাহে কাম নহয় আৰু ছাত্ৰসন্থা আৰু সংগ্ৰাম পৰিষদে আন্দোলন চলোৱাৰ কাৰণে আমি বিদেশী খেদাৰ ব্যৱস্থা কৰিছো সেইটো নহয়। অসমৰ পৰা বিদেশী খেদাৰ কাৰণে পাকিস্থানী খেদাৰ কাৰণে বাংলাদেশী খেদাৰ কাৰণে আমি বহুত আগতেই প্ৰচেষ্টা চলাইছিলো। এই প্ৰস্তাৱ অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে কেতিয়াবাই লৈছিল আৰু প্ৰস্তাৱ অনুসৰি ট্ৰিবিউনেল গঠন হৈছিল। এইটো নতুন কথা নহয়। ১৯৬৪ চনৰ ২৩ চেপ্তেম্বৰত ট্ৰিবিউনেল গঠন হয়।

"It will be recalled that Central Government issued on September, 23rd, 1964 the Foreigners Tribunal Order 1964 in exercise of the power conferred by Section 3 of the Act."

১৯৬৪ চনত অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰস্তাৱ অনুসৰি ট্ৰিবিউনেল গঠন হ'ল আৰু তেতিয়াৰ পৰাই বিদেশী খেদাৰ প্ৰচেষ্টা চলি আছিল আৰু তেতিয়াই বহু লক্ষ্য পাকিস্থানী লোকক অসমৰ পৰা বিতাৰিত কৰা হৈছিল। অকল সেয়ে নহয় ১৯৬৯ চনত –

"These Tribunals were in existence till 1969 to determine whether a suspected Pakistani was a friend or not. In 1968-69 these Tribunals were qound up as the task of detection of foreigners had been completed. The then Chief Minister, Shri B. P. Chaliha himself told the State Assemble that the task had been completed and h: residual can be sorted out by the normal legal machinery. This was told by none other than the Chief minister himself."

বিমলা প্ৰসাদ চলিহাই সদনত কলে যে বিদেশী বিতাৰিত হৈছে আৰু ট্ৰিবিউনেলৰ আৱশ্যক নাই। গতিকে বিদেশী খেদাৰ ক্ষেত্ৰত সন্দেহ কৰাৰ কোনো থল থাকিব নোৱাৰে। ভাৰতবৰ্ষ এখন ধৰ্ম্মনিৰপেক্ষ দেশ। যি সকলে এই ধৰ্ম্মনিৰপেক্ষতাক সমৰ্থন দি আহিছে সেই সকলক আজি সাম্প্ৰদায়িক বুলি ভাবিছে। আজি সংবিধান কোনে সৃষ্টি কৰিলে। আৰু ইয়াৰ চেপ কোনে দিলে–কংগ্ৰেছ। কিন্তু এই সকলোকে আজি ত্ৰাণ কৰিব খুজিছে। মই আৰু এটা বাক্য কব বিচাৰিছো যে অসলতে সংগ্ৰাম পৰিষদৰ নেতা অতুল বৰা প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু ফুকনে এটা প্ৰেছ বিজ্ঞপ্তি দিছে, তেওঁ লোকে আপোছ কৰি কৈছে যে—"Minutes of the combined meeting of representatives of Govt., Leaders of

Opposition in Perliament and AASU/AAGSP, held frmo January 18 to January 20, 1982 in the Conference room (No. 119 ), Ministry of Home Affairs, North Block, New Delhi. Welcoming the participants, Home Minister gave a brief resum of the fourteen rounds of talks held so far on the foreigners issue in Assam. He recounted the various steps taken by the Govt. viz. strengthening of security arrangements along the border; issue of identity cards with photographs to the voters in the North Eastern Region in a phased manner and acceptance of the demand, in principle; that in future citizenship certificates would be issued by the authorities of the Central Govt. Home minister said that the Govt. having announced its decision to detect and deport post 1971 infiltrators and AASU/AAGSP having agreed to the stay of 1951-61 entrants (subject) to a satisfactory solution of 1961-71 entrants ), the Major area of differance was with regard to the treatment to be given to 1961-71 entrants"

তেওঁলোকে কব বিচাৰে যে আমি তেওঁলোকৰ ওপৰতেই চাৰভাইভেল হৈ থকাৰ কাৰণে বিদেশী নেখেদে। এটা কথা মই জানো আৰু কব বিচাৰিছো যে অসম চৰকাৰৰ সমৰ্থনত যি দলে চৰকাৰ চলাইছে সেই দলৰ বহুতো সদস্য সংখ্যালঘু ধৰ্মীয় অনুগ্ৰহত চৰকাৰ চলি আছে আৰু তেখেত সকলে কব বিচাৰিছে তেওঁলোকে বাধা দিয়াৰ কাৰণে আৰু ক্ষমতাত আমি থাকি ক্ষমতাৰ আতৰাৰ ভয়ত আমি বিদেশী খেদা নাই। অধ্যক্ষ মহোদয়, এনে দৃষ্টান্ত কংগ্ৰেছৰ ইতিহাসত নাই। কংগ্ৰেছে কোনো দিনে কেতিয়াও নিজৰ কাৰণে দেশক ত্যাগ কৰা নাই। মই কেইটামান উদাহৰণ দিব বিচাৰিছো-দূৰ্ভাগ্যজনক কথা যে এজন ধৰ্মীয় সংখ্যালঘু হলেই যে পুলিচত চাকৰি দিব নালাগিব আৰু ধৰ্মীয় সংখ্যালঘু হলেই যে বিশেষ বিশেষ দায়িত্ব থাকিব নালাগিব আৰু সন্দেহ কৰিব লাগিব যে তেওঁ বাংলাদেশী বা পাকিস্থানী বুলি ভাবিব লাগিব। এইটো ভুল বা ভাল কথা নহয়। সেই সকল লোকে ভাৰতবৰ্ষক নিজৰ বুলি গ্ৰহন কৰিছে সেই সকল যি জাতিৰেই নহওঁক লাগিলে আজি তেখেত সকলে ভাৰতীয় বুলি নিজকে ঘোষণা কৰিলে তাত সন্দেহ কৰিব নালাগে। স্বাধীনতাৰ পিচত আমাৰ এই ৰাজ্যখনত এই সকল লোকে যি বৰঙণি আগবঢ়ালে সেই বৰঙণি আজি যিসকল লোকে ইন্দিয়ানাইজেচন বুলি কৈ ফুৰিছে আৰু কৰিব লাগে বুলি কৈছে সেই সকলতকৈ বৰঙণি বহুত বেছি। মই উদাহৰণ দিব বিচাৰিছো ১৯৪৭ চনত যেতিয়া পাকিস্থানে কাশ্মীৰ আক্ৰমণ কৰিছিল। সেই সময়ত

বিগ্ৰদিয়াৰ, উচমান ধৰ্মীয় সম্প্ৰদায়ৰ লোক তেওঁৰ নেতৃত্বতেই কাশ্মীৰ ৰক্ষা পৰিল। সেইদৰে ১৯৭১ চনত বাংলাদেশ সৃষ্টি হ'ল। সেইসময়ত দায়িত্বত আছিল জেনেৰেল মানেক শ্ব পার্চিয়ান। ১৯৪৪ চনত যেতিয়া অসমক গুপিঙত দিবলৈ বিচাৰিছিল তেতিয়া মহম্মদ তৈবুল্লাৰ নেতৃত্বত গুপিঙৰ পৰা অসম ৰক্ষা কৰিলে আৰু স্বৰ্গীয় গোপীনাথ বৰদলৈক মহাত্মা গান্ধীক অসমক গুপিঙৰ পৰা বিৰোধীতা কৰিবলৈ আলোচনা বিলোচনা কৰাৰ ক্ষেত্ৰত কতৃত্ব দিছিল। ঠিক তেনেকৈ আমিও বিদেশী খেদাৰ ক্ষেত্ৰত একেই ষ্ট্ৰেণ্ড লম। ১৯৫৫ চনত এচ, আৰ, চি হৈছিল আৰু তেতিয়া অসম কংগ্ৰেছৰ প্ৰস্তাৱ আছিল যে ভাষাৰ ভিত্তিতেই ৰাজ্য হব লাগে আৰু মহাত্মা গান্ধী, জৱাহৰলাল নেহৰুৰ নেতৃত্বত ভাষাৰ ভিত্তিত ৰাজ্য গঠিত হব লাগে এই আছিল অসম কংগ্ৰেছৰ ভাষাৰ ক্ষেত্ৰত প্ৰস্তাৱ। অসমৰ ভাষা সংস্কৃতিৰ প্ৰতি কংগ্ৰেছৰ যথেষ্ট সহাৰি আছে। আৰু তেতিয়াৰ পৰাই অসমৰ ভাষা কৃষ্টিৰ কাৰণে চিন্তা কৰি থকা হৈছে। সেইদৰে গোৱালপাৰা জিলাখন পশ্চিম বঙ্গলৈ ধুবুৰী মহকুমাটো পশ্চিম বঙ্গৰ লগত চামিল কৰাৰ কাৰণে আৰ, কে বসুৰ নেতৃত্বত প্ৰচেষ্টা চলিছিল। কিন্তু আচৰিত কথা একেৰাতিৰ ভিতৰতে বহুত বঙ্গালী মানুহ অসমীয়া হৈ গ'ল। আজি সংখ্যালঘু সকলে স্বাধীনতাৰ পিচত বহুখিনি বৰঙণি আগবঢ়াইছে। ১৯৫১ চনত বঙালী ভাষা কোৱা লোকৰ সংখ্যা আছিল ১,৯৩,৩৭৯ আৰু ১৯৬১ চনত ১,৮৫,০২০ সেইদৰে অসমীয়া কোৱা লোকৰ সংখ্যা আছিল ১৯৫১ চনত ৬,৮৭,০২৭ আৰু ১৯৬১ চনত ১০,২১, ১৪৫ জন হ'ল। এতিয়া চাওক কিমানখিনি মানুহে অসমীয়া ভাষা কোৱা হ'ল আৰু কিমানখিনি বঙালী মানুহে অসমীয়া ভাষাক আদৰি ললে। অসমীয়া জাতি আৰু অসমীয়া ভাষাটোৰ সৃষ্টি হ'ল এচিমিলেচনৰ দ্বাৰা। কিৰাট সকলে শাসন কৰিছিল, তাৰ পিচত আহিল বড়ো, কছাৰী টাই, আহোম, ডিমাচা সকল আহি কামৰূপ হ'ল। ইয়াৰ লগে লগে দেউৰী আৰু অন্যান্য উপজাতি সমূহ আহি অসমত এচিমিলেট হৈ গ'ল। আৰু এইসকলে আজি অসমীয়া হৈ গল। কিন্তু এইসকল লোকক আজি বিদেশী বুলি কোৱা হৈছে। এইসকল লোকক অভাৰতীয় বুলি কোৱা হৈছিল। নিৰ্ব্বাচন অবৈধ

বুলি কৈছে। আৰু বিধান সভা ভাঙি পেলাবলৈ বিচাৰিছে। কিয়নো তেওঁলোৰ স্বাৰ্থ সিদ্ধি হোৱা নাই। আজি আমি বিদেশী খেদাৰ ক্ষেত্ৰত একমত। আৰু আমি দৃঢ় যি ধৰণৰ লোকেই নহওক লাগিলে যি সকলে অসমক মাতৃ হিচাবে গ্ৰহণ কৰিছে সেই সকলে নিজেই বিদেশী খেদি পঠিয়াব। আমি উচমানী বা তৈবুল্লাৰ নিচিনা দৃঢ় বিদেশী খেদাৰ ক্ষেত্ৰত। দাস ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ আন্দোলনকাৰীৰ আন্তৰিকতা আছে নে নাই ?

মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি জানো যে, বহুবাৰ আলোচনা বিলোচনা হ'ল। এই আলোচনা বিলোচনা বিলাকত বহুতো কথাত একমত হৈ ঘূৰি আছে। কিন্তু ঘূৰি অহাৰ পিচত ইয়াত দ্বিমত হয়। মই যোৱা কালি এখন বাতৰি কাকত পঢ়িছো। বাতৰিত পাইছো এনে ধৰণে—১৯৭১ চনৰ সময় সীমাৰ তেনে কোনো সাংবিধানিক বৈধতা নাই আৰু অবৈধ অনুপ্ৰৱেশৰ তাৰিখে অভাৰতীয় লোকৰ মৰ্য্যাদাৰ পৰিবৰ্ত্তন নঘটায়। তাৰ পিচত যিবিলাক আলোচনা হৈছে তাত ১৯৬১-৭১ চনৰ কথাখিনিহে আছে। আমি যদি কিবা ত্ৰিবুনেলৰ কথা কওঁ তেওঁলোকে তাৰ বৈধতা নাই বুলি কয়। আৰু আমি যিটোকে নকৰো কিয়, তেওঁলোকে এটাও মানি লব নুখোজে।

অধ্যক্ষ ডাঙৰীয়া, মই জানো যে ২৫ বছৰ বয়স নোহোৱালৈকে এই আন্দোলন চলি থাকিব। অসমত এটা শক্তিশালী আঞ্চলিক ৰাজনৈতিক দল হব লাগে। এইটো পৰামৰ্শ আগবঢ়াইছে। তেতিয়া হলে গোটেইখিনি লগ লাগিব। কোনো আলোচনাতে তেওঁলোক সন্মত হব পৰা নোৱাৰে। চৰকাৰৰ ফালৰ পৰাও কৈছো, কেন্দ্ৰীয় গৃহমন্ত্ৰীয়েও কৈছে আলোচনাৰ কাৰণে প্ৰস্তুত আছো। আলোচনা কৰিব লাগে আৰু আলোচনাৰ মাধ্যমেৰেই দেশৰ অৱস্থা ভাল হব লাগিব। আলোচনা বহুতবাৰ কৰা হৈছে আৰু এবাৰ কৰিবৰ বাবে, আলোচনাৰ মাজেৰে কিবা এটা সিদ্ধান্তত উপনীত হবৰ বাবে চৰকাৰৰ আন্তৰিকতা আছে। কিন্তু যিবিলাক কথা এবাৰ তেওঁলোকে লৈ আহে এইখিনি পাইয়েই তেওঁলোকে নিজকে নিজে প্ৰশ্ন কৰে আৰু বিপৰীত মন্তব্য দিয়ে। এনেহলে আলোচনা শেষ হব কত ?

অধ্যক্ষ ডাঙৰীয়া, মই এতিয়া মূল কথালৈ আহো, যি কেইটাৰ কাৰণে সংবিধান সংশোধনী বিচৰা হৈছে। শ্ৰীবিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই কৈছে যে ভাৰতীয় সংবিধানৰ ২৩৭ নং ধাৰা মতে ৰাজ্যপালে নিজে এই আইনখন কাৰ্য্যকৰী কৰিব পাৰে। তেখেতৰ মতে এই বিলখন বিধান সভালৈ অনাটো অবান্তৰ। কিন্তু চি, আৰ, পি, চি আইনখন পাৰ্লিয়ামেণ্টত পাছ কৰিছে আৰু এই আইনৰ বিষয়টো কংকাৰেণ্ট লিষ্টত পৰে। সেয়েহে এই সংশোধনীৰ কথা আহিছে আৰু বিধান সভাত এই সংশোধনী বিল ৰাষ্ট্ৰপতিৰ অনুমোদন সাপেক্ষে আনিবলগীয়া হৈছে। মূল আইনৰ এনে সংশোধনৰ পিচতহে ৰাজ্যপালে উপৰোক্ত ধাৰা মতে ক্ষমতা প্ৰদান কৰিব পাৰে।

সদনত ডাঙি ধৰা বিবৃতিত মই কৈছোৱে যে ৰাজ্যখনত সংঘটিত হোৱা অশান্তি, হত্যাকাণ্ড ব্যাপক ধৰণৰ আইন শৃংখলাৰ পৰিস্থিতি বহু লোক আক্ৰান্ত হৈছে আৰু বহু গোচৰ তৰা হৈছে। আইন বিচাৰ কৰাত যাতে জনসাধাৰণৰ মনলৈ বিশ্বাস যাতে ঘূৰি আহে তাৰ বাবে "জাচটিচ দি লেটড, জাচটিচ দিনাইড" এই উদ্দেশ্য আগত ৰাখি খৰতকীয়াকৈ এই গোচৰবোৰৰ বিচাৰ সমাপ্তি কৰিবৰ কাৰণে এই আইন খন সংশোধন কৰিবলগীয়া হৈছে।

মাননীয় সদস্যগৰাকীয়ে ১৯৭ নং ধাৰাটো সংশোধন কৰাৰ ও কথা কৈছে। মাননীয় সদস্যসকলে জানে যে এই সময়চোৱাৰ ভিতৰত বহু পুলিচ আৰু দণ্ডাধীশৰ বৈধ কাৰ্য্য সম্বন্ধে আইন আদালতৰ আশ্ৰয় লৈ, আইন শৃংখলা ৰক্ষাৰ বাবে কাম কৰি থকা পুলিচ আৰু দণ্ডাধীশ সকল আৰু অন্যান্য বিষয়া সকলৰ বিৰুদ্ধে ৰহস্যমূলক, বিদ্বেষপূৰ্ণ গোচৰ তৰা হৈছে যিবিলাক কাৰণত বহুত একনিষ্ঠ কৰ্মচাৰীৰ মনোবল হেৰাই গৈছে। তেনে বিষয়া সকলক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে এনে ধৰণৰ সংশোধন বিচৰা হৈছে।

তেখেতে একজিকিউটিভ মেজিষ্ট্ৰেত কম হোৱাৰ কথা কৈছে। একজিকিউটিভ মেজিষ্ট্ৰেতৰ খালিপদ বিলাক পূৰণ কৰাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্যগৰাকীয়ে সংশোধিত কৰিব খোজা ৩নং ধাৰাৰ (ক)-(খ) উপধাৰাৰ কথা উল্লেখ কৰিছে। এই উপধাৰা কেইটাৰ জৰিয়তে চি, আৰ, পি, চি আইনৰ ১৬৭ নং ধাৰা সংশোধিত কৰি ৰিমেণ্ডৰ ক্ষমতা

একজিকিউটিভ মেজিষ্ট্রেটৰতকো দিয়াৰ ব্যৱস্থা কৰা হৈছে। জুদিছিয়েল মেজিষ্ট্রেতৰ পৰা এই ক্ষমতা উঠাই লোৱা নাই।

মাননীয় সদস্য শ্রীহেমেন দাস ডাঙৰীয়াই ইয়াৰ উত্তৰ নিজে দিছে। ইয়াৰ উদ্দেশ্য হ'ল বেইল দিয়াৰ ক্ষেত্ৰতো একজিকিউটিভ মেজিষ্ট্রেতৰ ক্ষমতা প্ৰদান কৰা যাতে পুলিচ গ্ৰেপ্তাৰৰ ওপৰত বিহিত ব্যৱস্থা লব পৰা যায়। ৪৩৯ (ক) নতুন ধাৰাৰ সংযোজন কৰাৰ উদ্দেশ্য হৈছে যাতে হাই-কোর্ট বা ছেচন কোৰ্টে কোনো লোকক এনটি চিপেট'টেৰি বেইল দিবলৈ হলে কাৰণ সম্পৰ্কত সন্তুষ্ট হব পাৰিব। ইয়াৰ দ্বাৰা যাতে প্ৰকৃত দোষী বুলি সন্দেহ কৰা বোৰে সময়মতে বেইল নেপায় তাৰ ব্যৱস্থা কৰা হৈছে।

ভাৰতীয় সংবিধানৰ ৫০ ধাৰা মতে জুদিছিয়াৰী আৰু একজিকিউটিভ পৃথক কৰিছে। বিশেষ বিশেষ পৰিস্থিতিত ভাৰতৰ অন্যান্য ৰাজ্যত বিশেষ আদালত কৰিছে আৰু ভালেমান ৰাজ্যত আমি কৰা ধৰণৰ সংশোধনী আনিছে। গতিকে সৰ্ব্বভাৰতীয় পৰিস্থিতি অধ্যয়ন কৰি এইখন বিল কৰা হৈছে।

এছ, ডি, চিক বিচাৰৰ কোনো দায়িত্ব দিয়া হোৱা নাই। মাত্ৰ অভিজ্ঞ মেজিষ্ট্রেত সকলকহে এই দায়িত্ব দিয়া হৈছে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীহেমেন দাস ডাঙৰীয়াই যিখিনি বক্তৃতা দিছে সেই খিনি মই গভীৰ মনোযোগেৰে শুনিছোঁ। মই তেখেতৰ ওচৰত কৃতজ্ঞ যে অতি সুক্ষ্ম ভাৱে তেখেতে বিষয়টোৰ ওপৰত চিন্তা কৰিছে আৰু সেই বিশ্লেষণ তেখেতে সদনত সদৰি কৰিছে।

তেখেতৰ বক্তব্যত এটা গভীৰ হতাশাৰ ভাৱ ফুটি উঠিছে। এই হতাশাই মোক ব্যথিত কৰিছে কিন্তু হতাশ কৰা নাই। তাৰ গভীৰ প্ৰত্যয় আছে যে তুলনামূলক ভাৱে আমাৰ সমাজৰ মানুহখিনি বহুততকৈ সত আৰু পোণপতীয়া। মই ভাৰতবৰ্ষ আৰু বিদেশৰ বহুতো ঠাইত ফুৰিছোঁ, বিভিন্ন গোষ্ঠীৰ মানুহক লগ পোৱাৰ সৌভাগ্য মোৰ হৈছে।

আইনৰ সুকঙাৰ বিষয়ে দাস ডাঙৰীয়াই কৈছে যে আইন সংশোধন কৰাটো অৰ্থহীন। উদাহৰণ স্বৰূপে তেখেতে মিছা মেডিকেল চাৰ্টিফিকেট

দেখুৱাই আচামিয়ে জামিনত খালাচ হোৱাৰ কথা কৈছে। অধ্যক্ষ মহোদয়, আইন প্ৰণয়ণ কৰি জানো এটা জাতিৰ চৰিত্ৰৰ পৰিবৰ্ত্তন কৰিব পাৰি? যদি প্ৰকৃততে অসুখ নহয়, আৰু তত্ৰাচ মিছা মেডিকেল চাৰ্টিফিকেট দেখুৱাই হাকিমৰ পৰা আচামীয়ে খালাচ লয় তাৰ প্ৰতিকাৰ কি? যেতিয়ালৈকে মানুহৰ চৰিত্ৰৰ এটা আমোল পৰিবৰ্ত্তন নহয়, তেতিয়ালৈকে পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ শাসন যন্ত্ৰয়ো এনেবোৰ সুৰুঙা বন্ধ কৰিব নোৱাৰে। আৰু এটা কথা এনে সুৰুঙা পৃথিবীৰ সকলো দেশৰে আইন ব্যৱস্থাতে থাকে। আন ফালেদি এনেবোৰ আইনৰ মূলগত ভিত্তি সৰ্বভাৰতীয়। ৰাজ্যবোৰে কেতবোৰ বিশেষ ক্ষেত্ৰত স্থানীয় সংশোধন ঘটাব পাৰে। কিন্তু মূলগত পৰিবৰ্ত্তন কৰিব নোৱাৰে। এই ফান্দামেণ্টেল মই মাননীয় সদস্য সকলক মনত ৰাখিবলৈ অনুৰোধ কৰিছোঁ।

আপোনাৰ জৰিয়তে অধ্যক্ষ মহোদয়, মই ৰাজনৈতিক দল নিৰ্বিশেষে সকলো মাননীয় সদস্যক অনুৰোধ কৰিছোঁ—" আহক, আমি মুঠ বান্ধি এই ব্ৰততব্ৰতী হওঁ যাতে জাতি–বৰ্ণ ভাষা নিৰ্বিশেষে সমগ্ৰ ৰাজ্যৰ মানুহখিনি নিজৰ নৈতিক দায়িত্ব বন্ধৰ প্ৰতি সজাগ হয় যাতে আইনৰ ষ্টীম ৰোলাৰ চলাই দেশলৈ শান্তি আনিব লগীয়া নহয় যাতে শান্তি আৰু সম্প্ৰতী পুণৰ তলৰ পৰাই ঠণ ধৰি উঠে। তেহে আৰক্ষী বিভাগত কৰিবলগীয়া হোৱা খৰচৰ কিয়দাংশ আমি দেশখনত নিয়োগ কৰিব পাৰো।

শ্ৰীদাস ডাঙৰীয়াই এটা গোচৰৰ কথা উল্লেখ কৰিছে। ১৯৭৯ চনৰ ডিচেম্বৰ মাহত অঞ্জন চক্ৰবৰ্তী নামৰ এজন ভাষ্টৰী ছাত্ৰৰ মৃত্যু হৈছিল। গুৱাহাটী মেডিকেল কলেজৰ ছাত্ৰাবাসত। মাননীয় সদস্যই অভিযোগ কৰিছে যে এই গোচৰৰ তদন্ত এতিয়াও হোৱা নাই। অধ্যক্ষ মহোদয়, তেখেতৰ কথা সম্পূৰ্ণ সত্য নহয়। এই হত্যা কাণ্ডত অভিযুক্ত ১০ জন মেডিকেলৰ ছাত্ৰৰ ওপৰত ইতিমধ্যে চাৰ্জ চিট প্ৰস্তুত কৰা হৈছে। তাৰে পাঁচজনক পুলিচে গেপ্তাৰ কৰিছে। এই গোচৰ এতিয়া আদালতত চলি আছে। গতিকে এই চাবজুদিচ অৱস্থাত মই এই বিষয়ে আজি বেছি কোৱা উচিত নহব।

মাননীয় সদস্য শ্ৰী চন্দ্ৰধৰ কলিতাই ১৯৮০ চনত তেখেতক পুলিচে গেপ্তাৰ কৰাৰ কথা কৈছে। আৰু এই প্ৰসঙ্গতে এজন বিশেষ আৰক্ষী পৰিদৰ্শকৰ অশালীন ব্যৱহাৰৰ কথাওৰ কৈছে। সেই বিষয়াৰ নামো তেখেতে কৈছে। মই এই বিষয়ে তদন্ত কৰি তাতকালীন ভাবে মোক এটা ৰিপৰ্ট দিবলৈ আদেশ আজি দিছোঁ, যদি তদন্ত অনুযায়ী সেই পৰিদৰ্শকক দোষী পোৱা যায়, মই প্ৰতিশ্ৰুতি দিছোঁ, চৰকাৰে তেওঁৰ ওপৰত কঠোওৰ ব্যৱস্থা লব।

কি পৰিস্থিতিত আজিৰ এই বিলখন আনিব লগা হৈছে সেই বিষয়ে মাননীয় সদস্যজনে নিশ্চয় উপলব্ধি কৰিব। দেশখনলৈ শান্তি-শৃংখলা ঘুৰি আহক, সমাজখন নিকা হওক, কোনো ধৰণৰ অসুয়া-অশান্তি নাথাকক আৰু সকলোৱে জাতি-ধৰ্ম নিৰ্বিশেষে একেলগে বসবাস কৰক তাৰ কাৰণে প্ৰচেষ্টা চলাই থকা হৈছে।

মই মাননীয় বিৰোধী দলৰ সদস্য সকলক কব খুজিছোঁ যে দেশখনৰ শান্তি-সম্প্ৰতী ঘুৰাই আনিবলৈ হলে এই বিলখনৰ প্ৰয়োজন নিশ্চয় হব, গতিকে এই বিলখনৰ প্ৰতি সমৰ্থন জনাবলৈ মই তেখেত সকলক নিবেদন জনালোঁ।

**Mr. Speaker** : I put the Motion before the House that the Code of Criminal Procedure (Assam Amendment) Bill 1983 be taken into consideration.

(The motion was put as a question and adopted)

Now item No. 3 (b). There is no amendment to the Bill. I put clauses 2 to 5 and Schedule of the Bill. Clauses 2 to 5 and Schedule of the Bill do form part of the Bill.

Clauses 2 to 5 and Schedule of the Bill form part of the Bill.

Now I put preamble, enacting formula and Short Title of the Bill.

Clause 1, preamble, enacting formula, and Short Title of the Bill form part of the Bill.

Now item No. 3 (c)

Shri Hiteswar Saikia (Chief Minister) :- Sir, I beg to move that the Code of Criminal Procedure (Assam Amendment ) Bill, 1983 be passed.

Mr. Speaker : Now I put the Motion that the Code of Criminal Procedure (Assam Amendment) Bill, 1983 be passed.

(The motion was put as a question and adopted)

Now item No. 4 (a)

Shri Keshab Chandra Gogoi (Minister, Revenue) : Sir, I beg to move that the Maternity Benefit (Assam Amendment) Bill, 1983 be taken into consideration.

Mr. Speaker. Now I put the Motion before the House that the Maternity Benefit (Assam Amendment) Bill, 1983 be taken into consideration.

(The motion was put as a question and adopted )

Now, Item No 4 (b) . There is no amendment to the Bill. So, I put Clause 2, does form part of the Bill.

Clause 2, forms part of the Bill.

Clause 1, preamble, enacting formula and short title of the Bill do form part of the Bill,

Clause 1, preamble, enacting formula and short title of the Bill form part of the Bill.

Now item No. 4 (c)

Shri Keshab Chandra Gogoi (Minister) :- Sir, I beg

to move that the Maternity Benefit (Assam Amendment) Bill 1983, be passed.

Mr. Speaker. I now put the Motion before the House that the Maternity Benefit (Assam Amendment) Bill 1983 be passed.

(The motion was put as a question and adopted)

Now item No. 5 (a).

Shri Keshab Chandra Gogoi (Minister) : Sir, I beg to move the Assam Shops and Establishments (Amendment) Bill 1983 be taken into consideration.

Shri Binoy Kumar Basumatary ঃ— It seeks to amend Section 2 of the Principal Act and it clarifies that the term 'shop' does not include workshop, automobile/repairing garages, accountants 'establishments, drawing & designing firms, solicitors' establishments etc. Sir, this has also left out some important industrial units of the State. I happen to be a Chairman of a Trade Union with establishment at Charduar. This Year, we had a situation at Charduar when the owner of the Mill refused to grant salaries to its workers on 1st May–the May Day. Sir, by this amendment Bill workshop, solicitors firms, drawing & designing firms and other establishments will be covered. But Sir, what about the erring industrialists and other establishments who have failed to pay salaries on May Day, that is the day of the celebration of the trade unionist or the labourers of any industrial units. So, if this Govt. wishes to fulfill its welfare measures for the

* Speech not Corrected

working people of the country or the State, this Bill should have included or it should have directcd other industrial establishments also to grant salaries as per amendment of Sec II that is, Clause 3 of this Bill here. Now, these 4 days salaries will be granted to the workers on the 26th January, 1st May, 15th August and 2nd October. These 4 days should also be enjoyed by every one concerned in India as paid holidays. But now it is seen that these 4 days were not granted as holidays by all establishments. With this it becomes more glaring that the industrial establishments of the State will not be able to get these 4 days as paid holidays as stipulated in this Act. Therefore Sir, we desire that if the Govt wishes to enact welfare measures for a section of the people, it shall also ensure that such welfare measures be available to other people, other groups of people and other groups of workers in the State. Therefore, Sir, we hope the Govt. will arrange to include the industrial establishments also under the provision of this Act. With these few words, I wish to request the Govt that suitable measures be taken so that we can jointly enjoy the holidays.

শ্ৰী হেমেন দাস ঃ- চাৰ, বিলখনৰ সমৰ্থন কৰি মই দুআষাৰ কথা কব খুজিছো। ইয়াত নতুন বিভাগ সামৰি লোৱা হৈছে এইটো ঠিক হৈছে, আৰু লগতে চাৰিদিন বন্ধ দৰমহাসহ দিয়া এইটো ঠিক হৈছে। কিন্তু এনে আচনি বিলাক কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত ভয়ানক হয়। ভাল ভাল বিল পাচ কৰা হয় কিন্তু কাৰ্য্যকৰী কৰণৰ অসম ঠিক নহয়। ১৯৭১ চনতে কিছু-মান বিল পাচ হৈছে কিন্তু প্ৰয়োগৰ ক্ষেত্ৰত কি হৈছে সেইটোৱে ভাল

* Speech not Corrected

কথা। ইয়াত চপ এণ্ড এষ্টাব্লিচমেণ্ট এক্ট যদি কাৰ্য্যকৰী কৰণ কৰিবলৈ যোৱা যায় তেতিয়া হলে দোকানত থকা লৰা বিলাকৰ চাকৰি যাব। কিন্তু চাকৰি কাৰণে কোনো আইন নাই। আইন আছে কিন্তু কাৰ্য্যকৰী হোৱা কতো দেখা নাই। চাৰিদিন বন্ধ দিবলৈ ওলাইছে সেইটো ভাল কথা। ইয়াৰ ভিতৰত আৰু কিছুমান নতুন নতুন বিভাগ সোমাইছে সেইটোও ভাল কথা। কিন্তু আইখন আন্তৰিকতাৰে কাৰ্য্যকৰী কৰণ কৰাটোহে আচল কথা।

Amendment of Sec 25 (2) The State Govt may, by notification in the official Gazette, appoint either the labour Commissioner or Additional Labour Commissioner of Assam as a Chief Inspector for the purposes of this Act.

এইটো কাৰ্য্যকৰী কৰা হৈছিল নে নাই আমি এতিয়াও নাজানো। এইবাৰ যি হওক এটা নতুন পদবীৰ সৃষ্টি কৰিছে। এটা ডাঙৰ চাকৰি ওলাইছে, এইটো ভাল কথা। আমাৰ আপত্তি কৰিবলগীয়া নাই। কিন্তু আইনখন কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা চেষ্টা কৰিব লাগিব। পেনাল্টি আছে মাত্ৰ পঞ্চাশ টকা। পেনাল্টি কৰি মাত্ৰ পঞ্চাশ টকা ফাইন দিবলৈ কোনেও কুণ্ঠবোধ নকৰিব কিয়নো এটা চাকৰি স্থায়ীকৰণ কৰাৰ কাৰণে তাতকৈ বহুত বেছি খৰচ ভৰিব লাগিব। যি সকলে এই আইন কাৰ্য্যকৰী নকৰে তেওঁলোকৰ বিৰুদ্ধে লবলৈ কোনো কঠোৰ বিধান এই আইনত নাই। এই আইনৰ যিছুটা বিষয়লৈ সংশোধনী আনিছে সেইটো সমৰ্থন কৰিছো আৰু আশা ৰাখিছো নিজেই কৰা আইন বিলাক কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত আপোনালোকে আন্তৰিকতাৰে চেষ্টা কৰিব।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ, (উদ্যোগ মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই বসুমতাৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতে বহুখিনি বহুমূলীয়া পৰামৰ্শ আগবঢ়াইছে। লগতে এইটো কথা কব খোজো যে তেখেতে বোধকৰো চাৰদুৱাৰ কটন মিলৰ কথা কৈছে। সেইটো ফেক্টৰি এক্ট মতে হয়। অল ইণ্ডিয়া এক্ট মতে হয়। আমি আনিব নোৱাৰো। আমি আশা ৰাখিছো চাৰদুৱাৰ ফেক্টৰি এক্টখনতো হলিডে বিলাক সেই হিচাবে দিব। তাৰ কাৰণে আমাৰ ফালৰ পৰা প্ৰয়োজনীয় ব্যৱস্থা নিশ্চয় লম। বৰ্ত্তমান আমাৰ এই আইনখন আমাৰ

গণ্ডীৰ ভিতৰত । ইয়াৰ ভিতৰতে যিখিনি পাৰো কৰিবলৈ চেষ্টা কৰিছো। মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াকো তেখেতে আগবঢ়োৱা পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো আৰু তেখেতৰ কথা বিলাক মনত ৰাখিম । কেৱল আইন কৰিয়েই নহয় বাস্তৱ ক্ষেত্ৰত তাক পৰিণত কৰাৰ কাৰণে আমাৰ ফালৰ পৰা চেষ্টাৰ অকনো ত্ৰুটি নকৰা বুলি এই পবিত্ৰ সদনত মই আশ্বাস দিব বিচাৰিছো ।

Mr. Speaker I put the motion and the motion is that the Assam Shops and Establishments (Amendment) Bill. 1983 be taken into consideration.

(The motion was put as a question and adopted)

Now item No. 5 (b) : There is no amendment to clause 2 and 3 of the Bill. So, I put clauses 2 and 3 of the Bill. Clause 2 and 3 do form part of the Bill.

Clauses 2 and 3 form part of the Bill. There is an amendment to clause 4 of the Bill in the name of Shri Hemen Das.

Shri Hemen Das : Sir, I insist on this. I beg to move that in clause 4 in the preceding sub-section 2 to Sec. 25, the word 'may' in line Ist shall be substituted by the word-'shall'.

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ৰাজহ মন্ত্ৰী) ঃ- সাধাৰণতে বিল বিলাকত এটা কথা আছে 'চেলৰ সলনি 'মে' ব্যৱহাৰ কৰা হয় । আমাৰ উদ্দেশ্য হল এটা পোষ্ট দিয়া সেইটোত চেল নহয় মে হলেওঁ সেইজন বিষয়া লোৱা হব । মই আশ্বাস দিছো নিয়োগ কৰা হব সেয়ে মই মাননীয় সদস্য গৰাকীক এই শব্দ-টোৰ সংশোধনী উঠাই লবলৈ অনুৰোধ জনাইছো ।

শ্ৰীহেমেন দাস ঃ-চেলৰ সলনি যদি মে ব্যৱহাৰ কৰা হয় তেনেহলে চেল শব্দটো গ্ৰহণ কৰক । তাতটো একো অসুবিধা নহয় ।

* Speech not Corrected

Mr. Speaker : I put the motion before the House and the motion is that in Clause 4 in the preceding Sub-section 2 of Sec-25 the word 'may' occurring in line 1st shall be substituted by the word 'shall'.

(The amendment was put and lost)

Now I put clause 4 ; the Clause 4 does form part of the Bill.

(The motion was adopted)

There is no amendment to Clause 5 of the Bill. I put clause 5, the clause 5 does form part of the Bill.

(The motion was adopted)

Now, I put clause1, preamble, enacting formula and the short title of the Bill. Clause I, preamble, enacting and short title of the Bill.

formula / do form part of the Bill.

(The motion was adopted)

Now item No. 5 (c)

Shri Keshab Chandra Gogoi (Minister)- Sir, I beg to move that the Assam Shops and Establishments (Amendment) Bill, 1983 be passed.

Mr. Speaker : I put the motion and the motion is that the Assam Shops and Establishments (Amendment) Bill, 1983 be passed.

(The motion was put as a question and adopted)

Now item No. 6 (a)

Shri Upendra Das (Minister ) :- Sir, I beg to move that the Assam Panchayati Raj ( Eight Amendment )

Bill, 1983 be taken into consideration.

Shri Binoy Kumar Basumatari :- Sir, this amendment seeks the approval of the House. In the statement of objects and reasons, it says-'it was not possible to constitute the Mahkuma Parishad in the following subdivisions viz, Jonai, Majuli and Sadiya as the population of these subdivisions do not justify constitution of adequate number of G.Ps to elect councillors to form Mahkuma Parishads. Mahkuma Parishad has an Executive Committee which has 8 members and besides a Chairman of Mahkuma Parishad is to be elected to meet the requirment of law. To meet this, atleast 9 G. Ps are required to provide 9 members to Mahkuma Parishads. 'Now Sir, the subdivisions such as Jonai, Majuli and Sadiya are exclusively tribal Subdivisions. Jonai is actually a transferred area from Arunachal and this is a place where even there is no road communication from Dhemaji to Jonai, and the only communication available to Jonai is by Railway and during summer months this railway communication is often disrupted and therefore it is very pertinent that the the Jonai subdivision must have a Mahkuma Parishad. I do not know why the Govt. has not sought the approval of the House to create Mahkuma Parishad for Jonai. Now, Majuli, as is known, is the greatest river island and there is a constituency also for Majuli and it is a scheduled tribe constituency. I do not understand why Majuli does not have enough population to warrant

* Speech not Corrected

the creation of a Mahkuma Parishad there. Since Majuli has a constituency, we are sure that it must have a Mahkuma Parishad. The problem at Majuli is that some of the people there during rainy season go to North Lakhimpur and during winter come to Majuli. So, there is a constant change of population between North Lakhimpur and Majuli. So, the Govt's stand that these areas do not have sufficient population is doubtful. So, we demand that this Bill should provide for a number of Mahkuma Parishads in these places. Again there are many more subdivisions newly created, viz, Udalguri Subdivision Barpeta, Kokrajhar district etc. We hope that the Government Will come up with a clear statement that they are going to create Mahkuma Parishads for the newly created Subdivisions also. And Sir, the de-limitation of the Goan Panchayats require immediate adjustments and the government must take some steps to bifurcate some of the G.ps which have huge number of population. For instance in my district and subdivision there are mouzas and these mouzas are co-terminus and in some of the mouzas there is population over one lakh. It is not possible for all sections of the people in those mouzas to have participation in the Panchayats. It would have been a more welcome feature if the Government would have come up with other amendments that it would bifurcate and reduce the Panchayats having such huge population.

* Speech not Corrected

With these few words Sir, we wish to support the Bill but we want an assurancc that they will create Mahakuma Parishads in all the new subdivisions and also they will take steps to reduce the area and bifurcate the Panc-hayats with such huge population.

শ্ৰীমথুৰা ডেকা ঃ- অধ্যক্ষ মহোদয়, আজি সদনত যি খন পঞ্চায়তীৰাজ বিলৰ সংশোধনী মন্ত্ৰী মহোদয়ে আনিছে সেই সংশোধনীত মোৰ অলপ আপত্তি আছে। এই ক্ষেত্ৰত এটা কথা হৈছে যে এড-হক কমিটী বিলাকত কিমান সময় লাগিব তাৰ সময় নিৰ্দ্ধাৰণ হোৱা নাই। যদি এখন গাওঁ পঞ্চায়ত দীৰ্ঘ-কাল ধৰি এড-হক হৈয়ে থাকে তেতিয়া হলে আমাৰ ৰাইজে কি পাব? আৰু এটা কথা হল যে আমাৰ পঞ্চায়ত মন্ত্ৰী মহোদয়ে আমাৰ আগত এটা কথা কয় আৰু আনৰ আগত আন কিবা এটা কয়। তেখেতে আমাক এদিন কলে পঞ্চায়তৰ মেম্বাৰৰ লিষ্ট এখন লাগে বুলি। আমি সেই মতে দিলোঁ। কিন্তু বৰ দুখৰ কথা সেইমতে একো কাম নহল। আৰু আমি দুখ পাওঁ যেতিয়া গাওঁলৈ যাওঁ তেতিয়া মানুহে সোধে কোন কোন মেম্বাৰ হ'ল? কিন্তু-ৰভিয়াৰ বন বিভাগৰ দৰেই আমাৰ পঞ্চায়তৰ অৱস্থা হল। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে দুৰ্নীতিৰ কথা কৈছে। আচলতে আমাৰ মহাভাৰতৰ দিনৰে পৰাই দুৰ্নীতিৰ জন্ম। মই বিচাৰি বিচাৰি পাইছোঁ যে হিন্দু ধৰ্ম্মৰ জন্মতেই দুৰ্নীতি আছে। পঞ্চায়ত মন্ত্ৰী মহোদয়ে যিয়েই কওক তেখেতে মোতকৈ ৮-১০ বছৰ মানৰহে ডাঙৰ হব। তেখেতে আমাক এনেকৈ লটি ঘটি কৰিব নালাগিছিল। তেখেতে কব লাগিছিল "তোমালোক বিৰোধী মানুহ তোমালোকৰ কথা আমি নামানো"। কিন্তু তেখেতে সেইটো নকলে। তেখেতৰ ওচৰলৈ গলে কয় চাম যাওক। এইটো বৰ বিপদ হল। মানুহ বিলাকে আহি সোধে কাক দিলে সভাপতি বা মেম্বাৰ কাৰণ সকলোৰে আশা থাকে সভাপতি বা মেম্বাৰ হোৱাৰ। গাওঁত মেম্বাৰ এজনৰ আচৰিত ক্ষমতা। মেম্বাৰ নহলে গাওঁত মেল নবহে, সমাজ নচলে। এতিয়া কিন্তু নিৰ্ব্বাচিত মেম্বাৰ নহল এড-হক কমিটীহে হল। এইটো আমি আশা কৰা নাছিলোঁ। আমি নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰা দল কেইটাই ভাবিছিলোঁ যে অন্ততঃ প্ৰতিটো দলৰ পৰাই এজনকৈ হলেও মেম্বাৰ

দিম বা থাকিব। কংগ্ৰেছ আই দলকো মই মুঠেও এৰা নাই। যুৱ কংগ্ৰেছৰ সভাপতি জনকে সভাপতি পাতিবলৈ দিছিলোঁ আৰু আমাক কাউন্সিলৰ দিবলৈ কৈছিলোঁ। আমাক সভাপতি বা কাউন্সিলৰ কিবা এটা দিলেই হব। পিচে মন্ত্ৰী মহোদয়ে আমাক সভাপতিও নিদিলে, কাউন্সিলৰো নিদিলে আনকি আমি বাছি দিয়াৰ কাৰণেই নেকি সেই যুৱ কংগ্ৰেছৰ জনকো সভাপতি নিদিলে। আমাক নিদিলে বাৰু তাৰ এটা কাৰণ আছে। কিন্তু নিজৰ দলৰে এজনক কিয় নিদিলে বুজি নাপালোঁ। কমলপুৰৰ নেপথ্যৰ বিধায়ক এজনো আছে। তেওঁৰেই আগতে এইবোৰ কৰে প্ৰকাশ্য বিধায়ক কিন্তু মইহে। মোৰ এটা সদ্ইচ্ছা আছিল সেই উপযুক্ত মানুহৰ দ্বাৰা যদি গাওঁ পঞ্চায়ত গঠন কৰা হয় তেতিয়া হলে আমি ৰাইজৰ, সমাজৰ কিছু কাম কৰিব পাৰিম।

আজি ইয়াত যিখন বিলৰ সংশোধনী অনা হৈছিল আমি তাৰ বিৰোধীতা কৰিছিলোঁ। এই বিলখনৰ কোনো প্ৰশ্ন নাছিল। সিদিনা মই দেখিছোঁ এখন গাওঁ পঞ্চায়তৰ সভাপতিয়ে মদ খাই আছিল। পিচত তেওঁক কিছুমান মানুহে ধৰি মাৰপিট কৰিলে। পুলিচত কেচ দিলে। কিন্তু পঞ্চায়ত ব্যৱস্থাৰ আইনৰ প্ৰথম দফাতে আছে 'মদ নিবাৰণ'। আগতে যদিও কোনো-বাই খাইছিল মনে মনে খাইছিল কওঁতা নাই। কিন্তু এনেকৈ ৰাজআলীত চকী পাৰি বহি খোৱা আমি কেতিয়াও কোনো মেম্বাৰ বা সভাপতিক দেখা নাছিলোঁ। এতিয়া এওঁলোকেই শিকাই দিছে মানুহক যে মদ খাব লাগে সভাপতি বা মেম্বাৰ হবলগীয়া উপযুক্ত লোক গাওঁত বহুত আছিল। কিন্তু কংগ্ৰেছ আই দল শাসনত আছে যেতিয়া সভাপতি বিলাক তেওঁলোকে কৰক বাকী বিলাক সদস্য আমাক দিয়ক। যিজন সভাপতি বা মেম্বাৰে সমাজৰ কাম কৰিব পাৰে তেনে লোকক দিয়ক। কিন্তু আন্দোলনকাৰী সকলক কিয় মনোনীত কৰা হৈছে ? আমি দেখিছোঁ কমলপুৰ বা ৰঙিয়াত যি সকলে আন্দোলন সময়ত ঘৰ জ্বলাই দিছিল মানুহক হত্যা কৰিবলৈ গৈছিল যিসকলে নিৰ্ব্বাচনত ভোট দিবলৈ অহা মানুহক জোৰ কৰি টানি নিছিল তেনে লোককে পঞ্চয়তৰ সদস্য কৰি দিছে। কৰক আমি বেয়া পোৱা

নাই। কিন্তু মন্ত্ৰী মহোদয়ে যি প্ৰতিশ্ৰুতি দিছিল সেইটো কিয় ৰাখিব নোৱাৰিলে ? তেখেতক আজি সেইখিনি কৰা হলে এনে সমালোচনা নকৰিলোহেতেন। অধ্যক্ষ মহোদয়, দুৰ্ভাগ্যবশতঃ আমি দুখ পাইছোঁ কমলপুৰ সমষ্টিত, কমলপুৰ ব্লকৰ মোৰ ৩ খন গাওঁ পঞ্চায়ত পৰে। কৰবাত ৩খন। সেই ফালৰপৰা কাউন্সিলৰ আৰু সদস্যৰ কাৰণে নাম দিছিলোঁ মই। কংগ্ৰেছৰ মানুহৰো নাম আছিল। কিন্তু যিহেতু মোৰ ফালৰ পৰা দিয়া হল সেই বাবে সেই নাম ৰখা নহল।

অধ্যক্ষ মহোদয়, আজি চৰকাৰে কুৰিদফীয়া আচনিৰ কথা কৈছে, কিন্তু এই কুৰি দফীয়া আচনিৰ যিবোৰ কাম সেই কামবোৰ আমাৰ এই গাওঁপঞ্চায়তৰ জৰিয়তে কৰিব লাগিব। আজি আমাৰ দেশত বানপানী হৈছে – সেই কাৰণে চৰকাৰৰ ফালৰ পৰা যি ৰিলিফ দিয়াৰ ব্যৱস্থা কৰা হৈছে সেইবোৰো আমাৰ গাওঁ পঞ্চায়তৰ সদস্যসকলে বিতৰণ কৰিব লাগিব। তেখেত সকলক এৰি আমি চলিব নোৱাৰো। কিন্তু আজি চৰকাৰে হুৰ মুৰকৈ যিখন এড্ হক পঞ্চায়ত গঠন কৰিলে তাত কিমান উপ-যুক্ত মানুহ আছে সেই কথাটোও লক্ষ্য কৰিব লগীয়া বিষয়। পঞ্চায়তৰ সভাপতি বা অন্যান্য সদস্য সকলৰ যিখিনি গুনৰ প্ৰয়োজন সেইখিনি চাইহে এই পঞ্চায়তবোৰ গঠন কৰা উচিত। কিন্তু মই বহুতো ক্ষেত্ৰত দেখিবলৈ পাইছো যে এনে ধৰণৰ মানুহো এই পঞ্চায়তত অন্তৰ্ভুক্ত কৰা হৈছে যে তেওঁলোকৰ কথা কোনো মানুহে নুশুনে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক আৰু লগতে সন্মানিত সদনক এটা কথা কওঁ যে এনেবোৰ পঞ্চায়তত যিবিলাক লোকক নিযুক্তি দিয়া হৈছে তেওঁলোকৰ উপযুক্ততা অনুসৰিহে সেই পদমৰ্য্যাদা দিব লাগে আৰু তেতিয়াহে আমি যি ৰাইজৰ ভোটেৰে নিৰ্ব্বাচিত হৈ তেওঁলোকৰ মঙ্গলৰ কাৰণে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ, সেই কাম আৰু চৰকাৰৰ আচনিবোৰ কৃতকাৰ্য্যতাৰে ৰূপায়ণ কৰাত সফল কাম হম।

অধ্যক্ষ মহোদয়, মই এইখিনিতে আৰু এটা কথা কবলৈ বাধ্য হলো যে এই এড্ হক পঞ্চায়ত গঠন কৰিবৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰীয়ে এটা কথা কৈছিল আৰু সেইটোত পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়েও সমৰ্থন জনাইছিল।

কথাটো হ'ল আমাৰ বিৰোধী পক্ষৰ সদস্য সকলৰ পৰাও এই কমিটি গঠন কৰাৰ কাৰণে লিষ্ট বিচাৰিব। তাৰ কাৰণে আমাৰ দুই এজনে লিষ্ট দিয়া বুলিও গম পাওঁ। কিন্তু মাজতে কি সিদ্ধান্ত ললে আমাক লিষ্ট দিবলৈ কোৱা নহল আৰু যিকেইজনে দিছিল তেওঁলোকৰো সেই লিষ্টমতে এই কমিটি গঠন কৰা নহল।

সি যি কি নহওক, মই এটা কথা পৰামৰ্শ দিব বিচাৰো যে এই তদৰ্থ পঞ্চায়তবোৰ পাচ বছৰতকৈ বেছি থাকিব দিয়াটো উচিত নহব। আজি বহুতে সময়ৰ সুবিধা লৈ এই পঞ্চায়তত নাম ভৰ্ত্তি কৰি লৈছে। তেওঁলোকৰ মাজত বহুতো আন্দোলন কৰা মানুহো আছে। ইয়াৰোপৰি পদমৰ্য্যদা অনু-সৰি এই লোকসকলৰ বহুতৰে উপযুক্ততা নাই বুলি মই ভাবো। যদি চৰকাৰে এই পঞ্চায়ত এবছৰতকৈ বেছি দিন থাকিব দিয়ে তেনেহলে তেওঁলোকে দুখীয়া জনসাধাৰণৰ মঙ্গল কৰাতকৈ অমঙ্গলহে বেচিকৈ কৰিব। আজি আমাৰ চৰকাৰে এইবোৰ অনুস্থানৰ কাৰণে নিৰ্বাচন পাতিবলৈ ভয় কৰিছে। তেওঁ-লোকে কৈছে যে নিৰ্বাচন পতাৰ সুস্থ বাতাবৰণ নাই। কিন্তু মই এটা কথা কওঁ যে এইবোৰক দোহাই অকল পুলিচৰ দান্দাৰে আন্দোলন দমন কৰিব নোৱাৰি। সেই কাৰণে এইবোৰ অনুস্থানৰ কাৰণে সোনকালে নিৰ্বাচন পতাৰ ব্যৱস্থা কৰিব লাগে আৰু তেতিয়াহে আমি অনুমান কৰিব পাৰিম যে আমাৰ ৰাজ্যলৈ এটা সুস্থ পৰিবেশ ঘুৰি আহিছে নে নাই। সেই কাৰণে মই এই সদনক বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে এই বিল খন গ্ৰহণ নকৰি ঘুৰাই দিব লাগে আৰু তাৰ কাৰণে বেলেগ ব্যৱস্থা হাতত লব লাগে। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীচন্দ্ৰধৰ কলিতা ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি পঞ্চায়তৰ ওপৰত যিখন সংশোধনী বিল আনিছে সেই সংশোধনী দেখি মই আচৰিত হৈছো। আমি যি ভোটৰ দ্বাৰা জনসাধাৰণৰ প্ৰতিনিধি হিচাবে নিৰ্বাচিত হৈ আহিছো সেই জনসাধাৰণৰ মঙ্গলৰ কাৰণে কাম কৰি যাবলৈ প্ৰতিজ্ঞাবদ্ধ আৰু সেই প্ৰতিজ্ঞাৰেই আমি জনসাধাৰণৰ কাম কৰি যাবলৈ প্ৰস্তুত। কিন্তু আজি আমাৰ চৰকাৰে গাওঁপঞ্চায়ত কিম্বা মহকুমা পৰিষদবোৰৰ নিৰ্ব্বাচন পাতিবলৈ

সুস্থ বাতাবৰণ নাই বুলি এইবোৰ এড্‌হক কমিটি পাতি তাৰ সংশোধনী আনিব বিচৰা হৈছে ।

যেতিয়া আমাৰ চলিত নিয়ম অনুসৰি, আইন অনুসৰি নিৰ্বাচন পাতিব নোৱাৰাত কাৰ্য্যকাল বঢ়াই দিব পৰাৰ অৱস্থা আছিল, তেতিয়া নতুন আইন বা অৰ্ডিনেন্স জাৰি কৰাৰ কোনো প্ৰয়োজন নাছিল। ৰাইজৰ প্ৰতিনীধিক আতৰাই শাসনত অধিষ্ঠিত দলৰ লোকক বহুৱাৰ কাৰণে যিটো ব্যৱস্থা চলিছে সেইটো মই ভাবো গণতন্ত্ৰত এটা অতি ঘৃণনীয় নিদৰ্শন হৈছে। এই নিদ–ৰ্শনৰ দ্বাৰা আমি আজি আতঙ্কিত হবলগীয়া হৈছে । এনেকুৱা এক পৰিস্থিতিত নিৰ্ব্বাচন পাতিব নোৱাৰে । মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াও কৈ গৈছে যে, আচল বিষয়টো ঢাকোন দিবৰ কাৰণেই বিৰোধী দলৰ ফালৰ পৰাও দুই এখন লিষ্ট মানি লব পাৰে কিন্তু শাসনৰ দলৰেই প্ৰায় বিলাক বুলি কব পাৰি । নিৰ্ব্বাচনত যে সেই সকলেই নিৰ্ব্বাচিত হৈ আহিব সেইটো খাটং । সেই কাৰণেই মই লিষ্ট চাবমিট কৰা নাই । বাকী সকলেও লিষ্ট চাবমিট কৰি পাবলগীয়া অভিজ্ঞতা পালে । আজি আমি এলপি স্কুলৰ পৰা হাইস্কুললৈকে যি বিলাক কমিটি আদি পতাৰ ব্যৱস্থা কৰিছে সেইবিলাকত আমাৰ বিধায়ক সকলৰ চহী, অনুমোদন আদি নহলে নোহোৱা যিটো প্ৰবণতা দেখা পাইছো সেইটো লালে লাহে ৰাইজৰ প্ৰতিনিধিত্ব কৰাৰ ব্যৱস্থাটোৰ সম্পূৰ্ণ বিৰোধী কথা হৈছে ।

বাতৰি কাকতত মই এটা ‘নিউজ’ দিছিলো আৰু পঞ্চায়ত বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়কো মই এই বিষয়ে জনাইছিলো । কিন্তু গ্ৰাহ্য নহল । ইয়াৰ আগৰ ভাষণতো মই কৈছিলো আৰু মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াইও কৈগৈছে । নলবাৰী সমষ্টিত যি অসনৰ কাৰণে লিষ্ট চাবমিট কৰা নাছিলো তাত দেখা গল যে, কোনো পলম নকৰাকৈয়ে ‘এড্‌হক কমিটি’ তৈয়াৰ হৈ গল । ইয়াৰ পৰাই স্পষ্ট বুজা যায় আচল বস্তুটো কি ? কাৰ্য্যকাল বঢ়োৱাৰ পিছত নিৰ্বাচনৰ পৰিস্থিতি নহলে কাৰ্য্যকাল আকৌ বঢ়োৱাৰ ব্যৱস্থা থাকি–বই লাগিব । কিন্তু তাকে নকৰি ৰাইজৰ প্ৰতিনিধি ভাঙি দি শাসনত অধিস্থিত দলৰ মানুহক তাত প্ৰতিষ্ঠা কৰাটো নিতান্তই স্বৈৰাশ্ছাৰী ব্যৱস্থা ।

* Speech not corrected

ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো ।

শ্ৰীপূৰ্ণ বড়ো ঃ– মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই দুআষাৰ মান কব খুজিছো । আমাৰ সংশোধনী আছে ।

প্ৰয়োজনৰ ক্ষেত্ৰত ইয়াত কোৱা হৈছে যে চৰকাৰে কিছুমান গাওঁ পঞ্চায়ত বৃদ্ধি কৰিব খুজিছে । গাওঁ পঞ্চায়ত বৃদ্ধি কৰাত আমাৰ আপত্তি নাই । মহকুমা পৰিষদ এখনত ন জনলৈকে মেম্বাৰ লাগে । যি মহকুমা পৰিষদত ৮ খন বা তাতকৈ কম গাওঁ পঞ্চায়ত আছে তাত গাওঁপঞ্চায়ত সৃষ্টি কৰাৰ কাৰণে এই সংশোধনী অনা হৈছে । আমি গাওঁপঞ্চায়ত বৃদ্ধি কৰাত বাধা দিবলৈ নেযাও । প্ৰয়োজন হলে বৃদ্ধি কৰিবই লাগিব । কিন্তু কথা হৈছে এই গাওঁ পঞ্চায়ত বিলাক 'এড্‌হক কৰাৰ ব্যৱস্থা চলিছে । চৰকাৰে এইটো চিন্তা কৰিছেনে নাই কব নোৱাৰো । কিন্তু গণতন্ত্ৰৰ বিৰোধী শক্তি সমূহে আজি যি পৰিস্থিতিৰ সৃষ্টি কৰিছে সেই পৰিস্থিতিক বাধা দিবৰ কাৰণে চৰকাৰে বিচাৰেনে নিবিছাৰে ? বৰ্ত্তমান পৰিস্থিতি সাম কটাবৰ কাৰণে যি সুস্থ পৰিবেশৰ দৰ্কাৰ সেই পৰিবেশ তথা বাতাবৰণ সৃষ্টি কৰিবৰ কাৰণে চৰকাৰে কি চিন্তা কৰিছে ? যদি কৰিছে তেতিয়াহলে, এড্‌হক গাওঁপঞ্চাত পতাৰ ব্যৱস্থা চৰকাৰৰ থাকিব নেল্যাগিব । তাতো এটা সীমা থকা উচিত । আগতেও এই ক্ষেত্ৰত বিৰোধীতা কৰিছিলো । জুনাই মাজুলী আৰু শদিয়াত গাওঁপঞ্চায়ত বৃদ্ধি কৰাৰ প্ৰয়োজন হৈছে । কিন্তু কথা হ'ল, আজি যি বিলাক 'এড্‌হক' কমিটি পতা হৈছে সেই কমিটি বিলাক যদি চলি থাকিবলৈ দিয়া হয় তেতিয়াহলে, সেইটো সচাকৈয়ে গণতন্ত্ৰৰ ওপৰত আঘাত হব । মাননীয় সদস্য সকলে এইটো আগতেও কৈছে । চৰকাৰে যদি এই পৰিস্থিতিৰ অৱসান ঘটাব খোজে তেতিয়াহলে, ইয়াৰ এটা সীমা বান্ধি দিয়া দৰ্কাৰ । ৫ বছৰে এইবোৰ চলি থাকিবলৈ দিয়াটো উচিত নহয় । এই ক্ষেত্ৰত চৰকাৰে একো কোৱা নাই । যিবোৰ কমিটি পাতি দিছে সেইবোৰতটো যি হৈছে হৈছেই । যিবোৰ নতুনকৈ পতা হব সেইবোৰ লাগিলে যিয়েই নহওক, তাৰ অৱস্থা কি হব ? এইবিলাক গঠন কৰাটো বৰ ডাঙৰ

* Speech not corrected

কথা নহয়, কিন্তু প্ৰশ্ন হৈছে, এই পৰিস্থিতি চলাই যোৱা হব নেকি ?

শ্ৰীউপেন্দ্ৰ দাস ঃ– মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে জোনাই ধেমাজী আৰু সদিয়া এই তিনিটা মহকুমাত মহকুমা পৰিষদ গঠন কৰিব লাগে। মহকুমা পৰিষদৰ কথা পিচত আহিব। সেই হিচাবে ইয়াত যিমান সদস্য লাগিব সেই হিচাবে গাওঁ পঞ্চায়ত বিলাকতো সদস্য থাকিব লাগিব। আমাৰ যি কেইটা মহকুমা নতুনকৈ হৈছে তাত মহকুমা পৰিষদ গঠন কৰিব পৰা নাই। গতিকে আইন মতে যিখিনি সদস্য লাগে সেইখিনি কৰিবৰ কাৰণেই সংশোধনী আনিবলগীয়া হৈছে। আমাৰ নিয়ম মতে প্ৰত্যেকখন পঞ্চায়তেত ১৫ হাজাৰৰ পৰা ২০ হাজাৰলৈকে জনসংখ্যা থাকিব লাগে। কিন্তু জোনাই, শদিয়া আৰু ধেমাজি মহকুমাত তিমান জনসংখ্যা নাই। গতিকে ইয়াৰ জনসংখ্যা কমাব লাগিব। সেই হিচাবেই বিভিন্ন গাওঁ পঞ্চায়ত গঠন কৰিব লাগিব। গতিকে আমি যি সংশোধনী আনিছো ইয়াত ৫ হাজাৰৰ পৰা ১০ হাজাৰলৈকে জনসংখ্যা ধৰা হৈছে। তেনেকৈ ৯ জনীয়া পঞ্চায়ত কৰিব লাগিব। এতিয়া ধেমাজিত ৬খন আছে, শদিয়াত ২ খন আছে আৰু জোনাইত ৩ খন আছে। তাত মহকুমা পৰিষদ গঠন কৰি কাৰ্যকৰী কমিটি কৰিব লাগিব। সেই উদ্দেশ্যেৰেই এই সংশোধনী অনা হৈছে। যাতে গাওঁ পঞ্চায়ত গঠন কৰি মহকুমা পৰিষদ গঠন কৰিব পৰা যায়।

মাননীয় সদস্য সকলে কৈছে যে যি বিলাকত মহকুমা হৈ আছে সেই বিলাকত নিৰ্ব্বাচিত মহকুমা পৰিষদ হব লাগে। আমি দেখাত যি বিলাক মহকুমা পৰিষদ হৈছে সেই বিলাকত ৯ জনৰ অধিক সদস্য হব। আমাৰ যিবিলাক নতুন মহকুমা হৈছে তাতো মহকুমা পৰিষদ গঠন কৰিব লাগিব। কিন্তু যিবিলাক ঠাইত মহকুমা পৰিষদ হোৱা নাই তাত ৩ খন মহকুমা পৰিষদ গঠন কৰিব লাগিব। এইবিলাক কাৰণতেই সংশোধন কৰিব লগীয়া হৈছে।

ইয়াৰ লগতে মাননীয় সদস্য সকলে কেইটামান কথা কৈছে। শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই কৈছে যে এধক কৰি চিৰকাল ৰাখিব নোৱাৰে। ই

* Speech not corrected

গণতন্ত্ৰ বিৰুধি। অধ্যক্ষ মহোদয়, যেতিয়া নতুন মহকুমা গঠন কৰা হব তেতিয়া নিৰ্বাচন পাতিব লাগিব। নিৰ্বাচন পতাৰ আগে আগে নিৰ্বাচনৰ কাৰণে যি বিলাক বাতাবৰণ লাগে সেই বাতাবৰণ সৃষ্টী কৰিব লাগিব। আৰু যদি তাকে কৰিব পৰা নাযায় তেতিয়াহলে তাৰ কাম কৰিব লাগিব আইনৰ আশ্ৰয় লৈ। তথাপি তেখেতে আসংকা কৰিছে যে এধক বিলাক গঠন কৰি ৰখাটো গণতন্ত্ৰ বিৰুদ্ধি। আমাৰ দেশত এতিয়া যি বাতাবৰণ সৃষ্টি হৈ আছে এইটো নিৰ্ব্বাচনৰ বাতাবৰণ নহয়। আজি আমাৰ মানুহ বাহিৰলৈ ওলাব পৰা নাই। এই সময়ত আমাৰ মাননীয় সদস্য সকল বাহিৰলৈ গলেই নানান ধৰণৰ বিপদৰ সন্মুখীন হবলগীয়া হয়। যিবিলাক ঠাইত এধক কমিটি কৰা হৈছে সেই বিলাক ঠাইত এধক কমিটিৰ সদস্য সকলে শপত লবলৈ যাওতেও গণ্ডগোল হৈছে। এতিয়া নিৰ্ব্বাচন পাতিবলৈ গলে কিমান গণ্ডগোল হব পাৰে সেই কথা মাননীয় সদস্য সকলে নজনা নহয়। তথাপি নিৰ্বাচন পাতিব লাগিব। তেখেত সকলে যিটো সন্দেহ কৰিছে সেই সন্দেহ দূৰ কৰা হব। মই কব খুজিছো যে সকলো শ্ৰেণীৰ লোকক লৈ জনসংখ্যাৰ ভিত্তিত আমি মহকুমা পৰিষদ গঠন কৰিম। এই খিনিকে কৈ মই আশা কৰিলো যে তেখেত সকলে ইয়াত সন্মতি দিব।

Mr. Speaker :— Now I put the Motion and the Motion is that the Assam Panchayati Raj (Eighth Amendment ) Bill, =1983, be taken into consideration.

(The motion was put as a question and adopted)

Now Item No. 6 (b). There is no amendment to Clauses 2 and 3 of the Bill. So I put Clauses 2 and 3. Clauses 2 and 3 do form part of the Bill.

(The motion was adopted)

There is an amendment to Clause 4 of the Bill in the name of Shri Purno Boro.

* Speech not Corrected.

Shri Purno Boro :— Sir, I beg to move that in Clause 4, in the proposed new sub-clause "(c)", delete the punctuations "(.)" and "(")" occuring after the word "Panchayat" at the end of the clause and insert the words "for one year" and punctuations "(.)" and "(")" at the end of the words.

মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনীটো চৰকাৰে গ্ৰহণ কৰাটো মই এই কাৰণেই বিচাৰিছো যে এধক কমিটি সমূহ সদায় চলি থাকিব দিব নালাগে।

আমি জানো নিৰ্ব্বাচন অনুস্থিত হলে, পঞ্চায়ত নিৰ্ববাচন অনুস্থিত হলেই বিভিন্ন জাতি ধৰ্ম্ম ভাষা কোৰা মানুহৰ ৰিপ্ৰেজেণ্ট ঠিকমতে হব। আজি যিবোৰ এধক কমিটি পাতিব বা পতা হব তাত আমাৰ বহুতো আপত্তি আছে আৰু থকাটো স্বাভাৱিক। কাৰণ তাত ঠিকমতে গঠন হোৱা নাই। আমি যি সকলৰ নাম লবলৈ পৰামৰ্শ দিছিলো, মন্ত্ৰী মহোদয়ৰ চিঠিৰ মৰ্ম্মে সেই সকলৰ নাম অন্তৰভূক্ত নোহোৱাটো আপত্তি থকা স্বাভাৱিক। আনহাতেদি কিছুমান অঞ্চলত জনসংখ্যা অনুপাতে ৰিপ্ৰেজেনটেটিভ যে ঠিক মতে হোৱা নাই সেইটো সঁচা কথা। মই পুনৰবাৰ উল্লেখ কৰিছো যে এই গণতান্ত্ৰিক পদ্ধতিৰ বিৰুদ্ধে নিৰ্ববাচন নপতাকৈ এধক কমিটি চলি থাকিবলৈ দিলে ন্যায় সঙ্গত কাম নহব। তাৰ ঠাইত এটা পৰিস্থিতিৰ সৃষ্টি কৰক। আৰু নিৰ্বাচনৰ পৰিবেশ সৃষ্টি কৰক। আৰু এধক কমিটি বিলাক যাতে বেচিদিন চলি থাকিব নালাগে। এবছৰতকৈ যাতে বেচিদিন চলি থাকিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। গতিকে এই সংশোধনীতো চৰকাৰে মানি লোৱাটো আমি বিচাৰিছো।

* শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এধক কমিটি কৰাৰ আগতে পঞ্চায়ত বা এই অনুস্থান বিলাক যি হৈছে সেইটো ক্ৰুটিপূৰ্ণ হোৱা নাই আৰু কণ্ট্ৰডিক্ট নহয়। এনেকুৱা এটা পৰিস্থিতি হ'ল যে এধক কমিটি কিয় পতা হ'ল মাননীয় সদস্য সকলে জানে। সেই পাৰিস্থিতিত নিৰ্ব্বাচন পাতিব নোৱাৰি।

* Speech not Corrected.

কিন্তু কাৰ্য্য পৰিচালনা, যাতে পঞ্চায়ত আইন মতে কাম চলি থাকে সেই কাৰণে এই এধক কমিটি বিলাক গঠন কৰা হ'ল। আৰু আইন মতে সেই হিচাবে কাম কৰা হৈছে। এইটো অনিৰ্দ্দিষ্ট কাললৈ থাকিব নোৱাৰে। আৰু গণতান্ত্ৰিক ৰাজ্য এখনত গণতান্ত্ৰিক পদ্ধতিতহে কাম চলি থাকিব এইটো নীতি। অথচ তেনে স্থলতো কিয় এধক কমিটি কৰিবলগীয়া হ'ল মাননীয় সদস্য সকলে জানেই। এতিয়া প্ৰশ্ন হ'ল কিমান দিন চলি থাকিব। ইতিমধ্যে পূৰ্ব্বৰ দৰেই নিৰ্ব্বাচন পাতি মহকুমা কমিটি বিলাক গঠন কৰিব লাগিব সেইটো আমি বিচাৰো। এবছৰৰ কাৰণেহে যে তেখেতে বিচাৰিছে এইটো নিশ্চয়কৈ কব নোৱাৰি। যদি এবছৰৰ ভিতৰত শান্ত বাতাবৰণ সৃষ্টি হয় তেতিয়াও আমি পাতিব পাৰিম আৰু আৱশ্যক হলে, শান্তি পৰিবেশ সৃষ্টি হলে তাতোকৈ আগতেও পাতিবলৈ চেষ্টা কৰিম। কিন্তু এতিয়াতো শান্ত বাতাবৰণ সৃষ্টি হোৱা নাই। আন্দোলন চলিয়েই আছে। এসময়ত যেতিয়া হব এবছৰৰ পিচতেই হওক বা তাৰ আগতেই হওক আমি গণতান্ত্ৰিক পদ্ধতি মতে কাম কৰিম। কিন্তু এবছৰৰ ভিতৰতে যে কৰি দিয়া হব বা এবছৰ সময় বান্ধি দিব লাগিব সেইটো সমীচীন নহব। গতিকে মই আশা কৰো এই এবছৰ যিটো লিমিট অব টাইম বান্ধি দিছে সেইটো গ্ৰহণযোগ্য নহব। গতিকে প্ৰতিশ্ৰুতি দিছো যেতিয়া শান্ত পৰিবেশ সৃষ্টি হব তেতিয়া আমি নিৰ্ব্বাচন পাতিবলৈ ব্যৱস্থা হাতত লম। এইখিনিকে আশা কৰি মাননীয় সদস্য জনে সংশোধনীটো উঠাই লব বুলি অনুৰোধ জনালো।

Mr. Speaker :— Now, I put the amendment that in Clause 4, in the proposed new sub-clause "(c)", delete the Punctuations "(.)" and "(")" occurring after the word "Panchayat" at the end of the clause and insert the words "for one year" and punctuations "(.)" and "(")" at the end of the words.

(The amendment was put and lost)

* Speech not corrected

Now I put clause 4. Clause 4 does form part of of the Bill.

(The motion was adopted)

There is an amendment to clause 5 of the Bill in the name of Shri Boro.

Shri Purno Boro:— Mr. Speaker, Sir, I beg to move that in clause 5, in the proposed new clause "(d)" delete the punctuations "(.)" and "(")" occuring after the word "Parishad" at the end of the clause and insert the words "for one year" and punctuations "(.)" and "(")" at the the end of the words.

Mr. Speaker :— Now, I put the amendment that in clause 5, in the proposed new clause "(d)" delete the punctuations "(.)" and "(")" occuring after the word "Parishad" at the end of the clause and insert the words "for one year" and punctuations "(.)" and "(")" at the end of the words.

(The amendment was put and lost)

Now I put clause 5. Clause 5 does form part of the Bill.

(The motion was adopted)

............

Now I put clause I, preamble, enacting formula and short title of the Bill do form part of the Bill.

(The motion was adopted)

Now item No. 6 (c)

Shri Upendra Das, Minister :- Mr. Speaker, Sir, I beg move that the Assam Panchayati Raj (Eighth Amendment) Bill, 1983, be passed.

Mr. Speaker : I put the motion before theHo use. The motion is that the Assam Panchayati Raj (Eighth Amendment) Bill, 1983 be passed.

(The motion was put as a question and adopted)

Now item No. 7 (a)

Shri Jagannath Sinha, (Minister) :- Mr. Speaker, Sir I beg to move that the Motor Vehicles (Assam Amendment) Bill, 1983, be taken into consideration.

* Shri Binoy Kumar Basumatari :— Sir, I rise again to oppose this Bill. Sir, if you just go through this provision it says special power of the State Govt. to issue orders and give directions. That is the main purpose of this Bill. But, Sir, if you go into the language and construction of the language of this provision, it gives an impressions that the Deptt. or the Govt. which proposes to bring this amendment is not level headed. It is not level headed amendment. Sir, let us go to the construction of the sentence. The State Govt. may issue orders and directions of general character. Alright, this is acceptable. But what is not acceptable not inconsistent with the provisions of the Act. Sir, there is an Act but the Govt. wants to have an authority which clearly says it is not going to follow the Act.

* Speech not Corrected.

It is not going to act consistently with provisions of the Act. Sir, I do not know why the Govt. requires such provisions to strengthen its hand and when it was considered necessary many new words have been added to arm the Govt. in such a way as to turn the Road Transport Authority and Regional Transport Authority into kitchen authority. Sir, again if we go further, the last sentence of this amendment 'in respect of any matter relating to Road Transport to the State Transport Authority or to a Regional Transport Authority or the Regional Transport authorities and such transport authorities shall give effect to all such orders and directions.'

Now Sir, I do not know if you remember the History. There was a mad king named Md. Bin Tuglok who had suddenly an idea to shift the Capital from Delhi to somewhere in the North in the centre of the country. Supposing Sir, the hon. Minister who has brought it, who is incharge of the Deptt. feels that he is going to give an order not consistent with the provisions of the Act, what will happen to these authorities ? A lot of things are there to discuss with the Authoritiy. The hon. Minister has even today mentioned that State Transport Authority is not a profit making body. Sir, by this he has taken liberty to draw funds from the public coffer in an unlimited way. Sir, we already know this Road Transport Organisation which is directly under the provi-

sions and control of this Bill is running at a loss amounting to several crores of rupees. Sir, why should we make loss through Transport Organisation from the Treasury of the State. If we want to make loss, we can make it in many other ways. If we make an evaluation of people appointed for each buses or vehicles we/will find the appointment itself is very unreasonable. We also know that we have several engineers to construct their stations. We also know that they have mechanical engineers to repair the vehicles, there are at least 2/3 ticket checkers and many people are utilised for selling tickets in various counters etc. It is not reasonable for the Transport Corporation or Authority to employ so much of people. We have found in the Committees Particularly in PAC that the purview of their activities are so large that if these are utilised properly the Organisation should function in a right way- but the officers do not utilise all their provisions and as a result crores of rupees have been lost from the coffers of the State. Now, Sir if the Govt. decides that it is not happy with the working of the Regional Transport Authority and State Transport Authority they can take appropriate against them. In the statement of objects and reasons they have very rightly said, 'Transport is a highly progres-sive subject and the need to review and determine Govt. Policy on various matters relating there to arises very often, and therefore, it has become imperative for the

State Govt. to issue instructions and reasonable directions in general to these transport authorities.' Sir it is true that Transport is highly progressive subject and if transport is a progressive subject the they have atleast expected that the amendment so:ught/should also be progressive. Therefore, when the proposed amendmnnt is not consistent with provisions of the Atc, it is not at all a progressive Bill. I find that this amendment is contrary to the statement made in the statement of object and Reasons Sir, we can do a lot of things to make this organisation profitable and it is not that it should be an organisation which is not profit motivated. That is where it is wrong. When we do any work, it is expected of us that we should get our livelihood from the work and it is more appropriate when transportation is a business through the private organisation used to earn crores of rupees. We fail to reconcile how the Govt. spousord Transport Organisation is running at/a loss of several crores of rupees every year. Therefore Sir, I feel thas this provision is something of very ill conceived character and so oppose the passage of this bill.

Shri Jagannath Sinha (Minister, Transport) :- Sir, the statement of objects and reasons has already been presented before the Assembly along with the Amendment Bill. Section 43 of the Motor Vehicles Atc provides powers to the State Govt. to issue directions to the State Transport Authority by notification in the official Gazette.

However, occasions sometimes arise for the State Govt. to issue directions and orders of general character in respect of matters of road transport to State Transport Authority consistent with the Govt. policy, and that is why this amendment is required.

Mr. Speaker. Now I put the Motion before the House that the Motor Vehicles ( Assam Amendment ) Bill 1983, be taken in to consideration.

(The motion was put as a question and adopted)

Item No. 7 (b). There is no amendment to the Bill So I put clause 2. Clause 2 do form part of the Bill.

(The motion was put and adopted)

Now I put that

Clause 1, preamble, enacting formula, and short title of the Bill do form part of the Bill.

(The motion was put and adopted)

Now item 7 (c).

Shri Jagannath Sinha (Minister Transport) :— I beg to move that the Motor Vehicles (Assam Amendment) Bill, 1983, be passed.

Mr. Speaker :— I put the motion before the House. The motion is that the Motor Vehicles (Assam Amendment) Bill, 1983 be passed.

(The motion was put as a question and adopted)

Now item No. 8

* শ্ৰীবৰ্গৰাম দেউৰী :— অধ্যক্ষ মহোদয়, যোৱা ১৩ চেপ্তেম্বৰ তাৰিখে জল-সিঞ্চন বিভাগৰ কিছুমান অ'াচনিৰ ওপৰত যিটো প্ৰশ্ন উত্থাপন কৰা হৈছিল আৰু তাত মন্ত্ৰী মহোদয়ে যিটো স্পষ্টীকৰণ দিছে আমাৰ কিছুমান স্পষ্টীকৰণ পাবলৈ থাকি গল। সেই প্ৰশ্নটোত আছিল অসম ৰাজ্যৰ দিক্রং নদী আৰু ৰঙা নদীৰ বাওপাৰে থকা লিপ্ত ইৰিগেশ্বন অ'াচনি কৰা হৈছিল যে তাত ৩৩ লাখ টকা খৰছ কৰা হৈছে আৰু আন এটা অ'াচনিত ২৭ লাখ টকা খৰছ কৰিছে। মুঠৰ ওপৰত দুয়োটা অ'াচনিত ৫২ লাখ টকা খৰছ কৰা হৈছে। সেই ৫২ লাখ টকা খৰছ কৰি অ'াচনি বহুত দিন আগতে কৰা হৈছিল। কিন্তু এতিয়ালৈকে শেষ হোৱা নাই। এই অ'াচনি দুটা কেতিয়াবাই সম্পূৰ্ণ কৰা বুলি দায়িত্বত থকা কাৰিকৰী বিষয়া সকলে জনাইছে। কিন্তু আমি দেখিছো অ'াচনি দুটা একে ধৰণে আছে। অথচ তাৰ পৰা পথাৰত কিমান পানী যোগান ধৰা হৈছে এতিয়ালৈকে আমাক জনাব পৰা নাই। বিধায়ক এজনে অ'াচনি শেষ হোৱা নাই বুলি এতিয়াও কৈ আছে। যদি শেষ হোৱা নাই কিমান কাম বাকী আছে জনাবনে ? এই কথাবিলাকৰ স্পষ্টীকৰণৰ প্ৰয়োজন হৈছে। যোৱা কালিও আমাৰ মাননীয় সদস্য বন্ধু এজনে কৈ গৈছে যে কাৰিকৰী লোকসকলৰ ওচৰত আমাক লেমেন বুলি কোৱা হয়। কিন্তু কাৰিকৰী বিশেষজ্ঞ সকলে কৰা অ'াচনি বিলাক যেতিয়া কৃতকাৰ্য্য নহয় তেতিয়া আমি লেমেন বোৰে তেওঁলোকৰ বিৰুদ্ধে অভিযোগ দিব লগা হয়। দুখীয়া মানুহৰ পৰা আদায় কৰা কৰকাতলৰ লাখ লাখ টকাৰে কৰা অ'াচনি বিলাক যেতিয়া ফলপ্ৰসূ নহয়, এই বিলাক কিয় ফলপ্ৰসূ নহল তাৰ বিহিত তদন্ত হব লাগে। কৃষি উত্পাদনৰ কাৰণে লোৱা এই অ'াচনি বিলাক ব্যৰ্থ হলে দায়িত্বত থকা বিষয়া সকলৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা লব লাগে। যি অ'াচনি কৰা নাযাওক কিয় জনসাধাৰণৰ উন্নতি অবনতিৰ লগত সামঞ্জস্য ৰাখিহে হব লাগিব। এই দিশৰ প্ৰতি লক্ষ নাৰাখি অ'াচনি কৰিলে তাৰ দ্বাৰা লাখ লাখ টকাহে অপচয় হব, তাৰ দ্বাৰা কৃষিৰ কোনো উন্নতি সাধন নহব। সেই কাৰণে মই আজি এই কথা উত্থাপন কৰিছো যে এই অ'াচনি

* Speech not Corrected.

দুটা কি উদ্দেশ্যত কাৰ দ্বাৰা, কিয় কৰা হৈছিল, তাত এতিয়ালৈকে খৰছ পৰিল, আৰু কিমান টকা খৰছ পৰিব। কেতিয়া আঁচনিটোৰ কাম সম্পূৰ্ণ হব, তাৰ দ্বাৰা কিমান মানুহৰ খেতি পথাৰত পানী যোগান দিব পৰা যাব, এই সকলোবিলাক কথাৰ এটা পুংখানু-পুংখ স্পষ্টীকৰণ পাবৰ কাৰণে আমি এই প্ৰস্তাৱটো উত্থাপন কৰিছো।

গড়বালিটো একেধৰণৰ আঁচনি লাখ লাখ টকা খৰচ কৰি তৈয়াৰ কৰিছে। কিন্তু তাত একো কাম এতিয়ালৈ হোৱা নাই। কেইটামান হিউম পাইপ ৰখা হৈছে কিন্তু একো কামত অহা নাই।

কৃষি উত্পাদন ওপৰত যি গুৰুত্ব দিয়া হৈছে, ৰাজ্যখনৰ জলসিঞ্চনৰ ওপৰত যি গুৰুত্ব সহকাৰে আঁচনি লোৱা হৈছে সেই বিলাক যদি সচাকৈয়ে সদায় অৱহেলিত হৈ থাকে, কৃতকাৰ্য্য নহয় বৰং লাখ লাখ টকা খৰছ হৈ থাকে তাৰ পৰিনতি আমাৰ দেশখন আৰু জনগনৰ কাৰণে নিশ্চয় বৰ ভাঙৰ চিন্তনীয় বিষয় হৈ পৰিছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা এই কথা খিনি নিশ্চতভাৱে জানিবলৈ বিচাৰিছোঁ যে আমাৰ যি অভিযোগ সেই অভিযোগ যেন ৰোটেচন হৈ নাথাকি আৰম্ভনিৰে পৰা প্ৰতিকাৰৰ ব্যৱস্থা লোৱা হয়। যি ঠাইত এই আঁচনি বিলাক ললে সেই ঠাইৰ স্থানীয় ৰাইজে এই আঁচনি ফলৱতী নহব বুলি কৈছিল। দুটা আঁচনি বি, এচ, পিৰ পৰা লোৱা হৈছিল কিন্তু যিটো কামাণ্ড এৰিয়া ধৰা হৈছে তাত বি, এচ, পিৰ আঁচনি নাই। যি ঠাইত আঁচনি লোৱা হৈছে আৰু যি উদ্দেশ্যৰে লোৱা হৈছে সেই ঠাইৰ মানুহ খিনি যাতে সেই আঁচনি আৰু উদ্দেশ্যৰ পৰা বঞ্চিত হৈ নাযায়। যিবিলাক মানুহৰ কাৰনে এই কামত ব্যাঘাত জন্মিছে সেই বিলাকৰ তদন্ত কৰি বিহিত ব্যৱস্থা লোৱাটো চৰকাৰৰ নিতান্ত দৰ্কাৰ। আৰু সেই কাৰণেই আজি মই মন্ত্ৰী মহোদয়ক লাগি আছোঁ অতি কম সময়ৰ ভিতৰতে আমাক এটা আশ্বাস দিব লাগে যাতে তদন্ত কৰি প্ৰকৃত দোষী আৰু কি কাৰণত লাখ লাখ টকা খৰছ কৰি এই আচনিবোৰ কৃতকাৰ্য্য নোহোৱাকৈ থাকিল তাৰ এটা বিহিত ব্যৱস্থা যেন লয়।

* Speech not Corrected.

ৰাজগড়ত ডিপ টি উবওৱো আচনিৰ কাম সম্পূৰ্ণ হোৱা বুলি কোৱা হৈছে। সেই আচনিৰ দ্বাৰা দুই এদিন পানী যোগান ধৰা হল। কিন্তু তাৰ পিচৰ পৰাই স্থানীয় মানুহে পানী এটোপাও নোপোৱা হল। সেই কাৰণে এই বিলাকৰ তদন্ত আৰু বিহিত ব্যৱস্থা হব বুলি মন্ত্ৰী মহোদয়ে আমাক জনাব লাগে। আশাকৰোঁ ইয়াৰ সন্তোষজনক বিচাৰ পাম। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলোঁ।

* Shri Zahirul Islam, (Minister Irrigation) :– Mr Speaker Sir, the hon'ble member Shri Borgoram Deuri was not satisfied with the reply on Starred Question No. 69 on the floor of the House because the reply was not clear. So, I would like to give a very clear picture today.

(1) Ranganadi Lift Irrigation Scheme (Left bank) TAD was administratively approved by Govt vide No. 16 N (P) 440/76/Pt II dated 23.12.76 at a cost of Rs. 24·00 lakhs for benefiting to an area of 400 hectares. Technical sanction was accorded for Rs. 26·44 lakhs.

The execution of the scheme was started during the year 1976–77. The construction of canal system and lining for length of 6.6 KM have been completed. The work of construction of 24 Nos of canal structures have been completed to the extent of 90%. Uptodate 12 Nos of 20 H. P. electric pumps had been installed in a pump house on a left bank. Drawal of high tension line and energisation is completed/during the year 1981–82. Trial run of the scheme was made in 1981–82 and water was supplied experimentally to the field. Since 1981, the main

* Speech not Corrected.

coures of the river started silting on the left bank in the stretch near the intake point and the main flow started shifting towards the right bank. As a result, the pumps are unable to run,

The condition of the river became further aggravated in the flood season of the subsequent year.

During 1982–83, temporary river training works were attempted to shift the main flow towards the original course. Initially the tendency of good results was indicated but during high flood, the training works could not stand.

Because of presence of a R. C. C Bridge on the upstream of the intake points, the scope of providing of river training works got limited as PWD authoritiss do not allow taking up of any river training works near the bridge.

Expenditure of the scheme up to March 1983 is Rs. 32·40 lakhs as against approved cost of Rs. 26·44 lakhs.

<u>River Training Works</u>

An amount of Rs. 39,035.00 was spent in taking up training works for the scheme. The training works consisted of the following parts :—

(1) Excavation of a leading channel to the pump point.

(2) Double A–type Bhaluka bamboo spurs.

* Speech not Corrected.

(3) Providing permeable screen with bushy trees anchored to posts.

(4) Bottom panelling.

After completion of the training works, the leading channel was opened on 12.4.82 with a discharge of 30/40 cusecs upto 28.4.82/. When a flood on 28/29 April 1982 damaged 3 Nos of spurs and portion of the bottom panelling. Damages were attended to and 40/50 cusecs of water started passing through the leading channel. But again high flood damaged/washed away parts of the training works. As far as possible, repairs were made and a discharge of 30 to 40 cusecs was again flowing through the leading channel. But the same soon started silting up quickly as the main flow continued shifting away towards the right bank. Because of silting, operational difficulties in the pumps also started developing.

Remedial measures

A part from further departmental examination, it is proposed to refer the problem to the Technical Advisory Committee of the Brahmaputra Flood Control Commission for advising on effective remedial measures. Necessary data for technical examination by the Committee is being Collected.

(2) Sessapathar Lift Irrigation Scheme from Dikrong (Left Bank) was administratively approved vide Deptt No. IGN (P) 440/76/Pt II dated 23. 12. 76 at a cost of Rs. 18.55 lakhs for benefiting an area of 400 hectares. Technical sanction was accorded for Rs. 20·39 lakhs.

The execution of the scheme was started during 1976-77. 80% of the construction of canal and lining of 6. 1 KM length have been completed. The work of construction of 24 Nos canal structures have been completed to the extent of 90%. Upto date 12 Nos of 20 HP electric pumps have been installed in a pump house on the left bank. Drawal of high tension lie and energisation is completed during the year 1981-82.

Trial run of the scheme was made in 1981–82 and water was supplied to the fild experimentally. Since 1981, the main course of the river started silting on the left bank in the stretch near the intake point and the main flow started shifting towards right bank. As a result, except during high flood, the pumps are unable to run.

The conditions of the river became further aggravated in the flood season of the subsequent year.

During 1982-83, temporary river training works were attempted to shift tbe main flow towards the original course. Initially, the tendency of good results was indicated but during high flood, the training works could not stand.

Due to presence of a bridge on the upstream of intake point, scope of taking up of river training works got limited since PWD do not allow any training works near the bridge site. Uptodate expenditure of the scheme is Rs. 27·50 lakhs as against approved cost of Rs. 20·39 lakhs.

An amount of Rs. 87,337·00 was spent in taking up training works for the scheme. The training work consists of (I) Excavation of a leading channel to the pump point (II) double A-type Bhaluka bamboo spurs (iii) providing permenable screen with bushy trees anchored to posts. The river training works with stood upto 29. 4. 82 when high flood caused damages to the works. The leading channel carried a discharge of 90 to 200 cusecs during the high stage of the river on the 29th and 30th April 82 but with subsidence of flood the mouth of the channel started silting up. After clearance of the mouth a discharge of 30 to 50 cusecs could be led into the channel on 1. 5. 82 to 9. 5. 82 but again a flood on 10. 5. 82 washed away some of the training works infront of the channel. With subsidence of flood the mouth of channel got completely silted up. Subseq uently however with the general shifting of the main course towards the right bank silting in the reach of the pump points made the scheme inoperative. Remedial measures will be taken up by the deptt. by furnishing full data. 'Sir, this is the position and I can assure the hon. members that I will look into the matter personally.

শ্ৰীলেখন লাহন ঃ— পি–ডব্লিউ–ডি বিভাগৰ যিটো আৰ-চি-চি ব্ৰিজৰ ওপৰত ৰিভাৰ ট্ৰেইনিং এলাও নকৰে অথচ সেই এশ ফুটৰ ভিতৰত কিয় জলসিঞ্চনৰ পাম্প বহুৱাইছিল মন্ত্ৰী মহোদয়ে ইয়াৰ উত্তৰ দিবনে ?

শ্ৰীজেহিৰুল ইচলাম, ( জলসিঞ্চন মন্ত্ৰী ) ঃ— ঘটনাটো ঘটিছিল ১৯৭৬

চনত । মই মাননীয় সদস্যক আশ্বাস দিছো যে এই বিষয়ে মই নিজে তদন্ত কৰিম ।

শ্ৰীবৰ্গৰাম দেউৰী.ঃ— পি-ডব্লিউ-ডিয়ে কৰিছে, এইটো কৰিব পৰা নাই এই ধৰণৰ কথা কৈছে সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা এচিউৰেন্স বিচাৰিছো যে স্পট ভেৰিফিকেশ্বন কৰিলে সকলো কথা ওলাই পৰিব, সেয়ে সেইটো আশ্বাস মন্ত্ৰী মহোদয়ে দিবনে ?

শ্ৰীজেহিৰুল ইচলাম, ( জলসিঞ্চন মন্ত্ৰী ) ঃ— এইটো মই নিজে তদন্ত কৰিম আৰু মাননীয় সদস্য সকলকো লগত ৰাখিম ।

Mr. Speaker ঃ— Now I would request the members of the B. A. C to come to my chamber after the House rises.

-The House stands adjourned till 9 a. m. / 23 rd Sept/83.

## Adjournment

The House then rose at 5-03 P. M. and stood adjourned till 9 A. M. on Friday, the 23rd September, 1983.

Dated Dispur
The 22 nd September, 1983

**P. D. Barua.**
Secretary
Assam Legislative Assembly.

*****